চেপ্তেম্বৰ 2008 ■ Rs.15/-

চান্দমামা



পনীয়া সোণ

মোৰ নাম পেট্ৰল আৰু ডিজেল হ'ল মোৰ ভ্ৰাতৃ। আমাক লৈ আন সকলোৱে ঈৰ্ষা কৰে। আমাৰ নুমলীয়া ভ্ৰাতৃ হ'ল এলপিজি, শেহতীয়াকৈ সিয়ো চকুত লগা উন্নতি কৰিছে। খাৰুৱা তেল হ'ল আমাৰ মা আৰু মায়েই হ'ল স্বাভাৱিকভাৱে পোৱা, সবাতোকৈ ব্যয়বহুল তৰল। সেয়েহে মাৰ উপনাম হৈছে 'পনীয়া সোণ'। চীন আৰু ভাৰতৰ ক্ষিপ্ৰ অৰ্থনৈতিক বিকাশৰ বাবে আৰু আন আন দেশৰপৰা অবিৰতভাৱে আহি থকা চাহিদাৰ বাবে, মোৰ মাক সকলোৱে বিচাৰে। উৎস যিহেতু সীমিত, মাৰ মূল্য ক্ৰমাৎ বাঢ়ি গৈ থাকে আৰু এতিয়া প্ৰতি বেৰলত ১১৮ মাৰ্কিন ডলাৰ হৈছেগৈ।

অৱশ্যে, এই পৰিস্থিতিটো লৈ মই মুঠেই সুখী হ'ব পৰা নাই। উন্নয়নশীল দেশসমূহত, বিশেষকৈ ভাৰতত এই উচ্চ মূল্যৰ প্ৰভাৱ লৈ মই অতিশয় উদ্বিগ্ন। কিয়নো, ভাৰতে ইয়াৰ অধিকাংশ শক্তিৰ প্ৰয়োজন পূৰণ কৰিবলৈ বিদেশৰ খাৰুৱা তেলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অৱশ্যে, এটা কথা মই মন কৰিছো যে ভাৰত চৰকাৰে লোৱা পদক্ষেপসমূহ বেচ উৎসাহজনক হৈছে। প্ৰথমতে, ৰাজসাহায্য বা চাবচিডিৰদ্বাৰা মূল্য নিয়ন্ত্ৰণ কৰি খুব কম গড় উপাৰ্জনৰ সাধাৰণ ৰাইজক সুৰক্ষা দিয়া হৈছে। দ্বিতীয়তে, চৰকাৰে এই কথা বুজি পাইছে যে উচ্চ মূল্য আৰু তাৰ পৰৱৰ্ত্তী সংৰক্ষণ ব্যৱস্থাসমূহৰ গুৰুত্বপূৰ্ণ বাণী সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱা উচিত। সেয়েহে তেওঁলোকে পেট্ৰলিয়াম সংৰক্ষণ গৱেষণা সংস্থা (পিচিআৰএ) গঠন কৰি দিছে যিটো অনুষ্ঠানে শক্তি সংৰক্ষণৰ গুৰুত্ব তথা শক্তিৰ বিকল্প উৎসসমূহ কামত লগোৱা সম্পৰ্কে বেচ সফলতাৰে গণ সচেনতা বৃদ্ধিৰ কাম কৰি আছে। মোৰ বিনম্ৰ অনুৰোধ হ'ল প্ৰতিজন ব্যক্তিয়ে যাতে 'পিচিআৰএ'ই আগবঢ়োৱা পৰামৰ্শসমূহ মানি চলে। গৃহিনীসকলে প্ৰেছাৰ কুকাৰ তথা বহল আৰু অগভীৰ বাচন ৰন্ধনৰ কামত ব্যৱহাৰ কৰি ৰন্ধন গেচ ৰাহি কৰিব পাৰে। মটৰগাড়ীৰ মালিকসকলে একেখন গাড়ীতে একেলগে কেইবাজনো অহাৰ ব্যৱস্থা কৰিব পাৰে। আমি পাহৰি যাবলৈ ওলোৱা চাইকেল চালনা আৰু খোজকঢ়া পুনৰ আৰম্ভ কৰিব লাগে। এই কথাবোৰ শুনাত বৰ সৰল যেন লাগিব পাৰে, কিন্তু সমূহীয়াভাৱে কৰিব পাৰিলে এই সৰল কামবোৰেই ডাঙৰ অৱদান যোগাব পাৰে।

আমাৰ ৰাইজে অহা যোৱা কৰিবলৈ নিজৰ গাড়ী ব্যৱহাৰ নকৰি ৰাজহুৱা পৰিবহণ ব্যৱহাৰ কৰিবলৈ ল'লে আমাৰ তিনিও ভ্ৰাতৃয়ে বৰ ভাল পাব। এই কামত সফলতা লাভ কৰিব পৰা যায় ক্ষিপ্ৰ গণ পৰিবহণ ব্যৱস্থাৰ উৎকৰ্ষ সাধন কৰি, যিটো কাম চৰকাৰে নগৰ মহানগৰসমূহত মনোযোগেৰে কৰিবলৈ লৈছে। চৰকাৰে বতাহ শক্তি আৰু সৌৰ শক্তিৰ দৰে বিকল্প শক্তি উৎসসমূহ জনপ্ৰিয় কৰাৰ কাম সক্ৰিয়ভাৱে কৰি আছে যাৰদ্বাৰা বিদ্যুতৰ ব্যয় কম কৰিব পৰা যাব। সেইটোত আমি বেয়া নাপাওঁ, কাৰণ ৰাষ্ট্ৰৰ কল্যাণ মানে আমাৰো কল্যাণ। আমি আশা কৰো, তোমালোকেও কথাটো একে ধৰণেই ভাবা।

Dear Children,
Would you like to know more about conservation of Petroleum Products? Please write for free literature to PCRA at the address, given alongside.

Name..........

Age.......... Class..........

Address..........

e-mail..........

MINISTRY OF PETROLEUM AND NATURAL GAS
Shastri Bhawan, New Delhi

PCRA PETROLEUM CONSERVATION RESEARCH ASSOCIATION
Sanrakshan Bhawan, 10, Bhikaiji Cama Place,
New Delhi 110066.
E-mail : pcra@pcra.org

Beat Inflation

Avail Amazing OFFER from Chandamama

	Period	Current Rate	Proposed Rate from November	You Save!
English	1 Year	180	300	120
	2 Years	335	550	215
	3 Years	500	800	300
Languages	1 Year	170	240	70
	2 Years	300	450	150
	3 Years	425	675	250

CHANDAMAMA Junior

Offer valid till 31st October 2008.

I want to subscribe to the following editions of Chandamama: (Tick whatever applies)

☐ English ☐ Language .... ☐ Junior Chandamama ....

My Name .... Date of Birth..................................

Send my issues to: Mr/Ms..

Address

....

....

....

City.. State.. Pin..................................

Telephone.. Mobile.. mail..

Enclosed Cheque/DD* for Rupees...

Cheque/DD no..Favouring Chandamama India Ltd

on .... bank.

(Add Rs. 60 for non-Chennai cheques) Your subscription will start in 4 weeks.

Please mail the subscribtion form to :

Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.

Tel: (044) 24334455, Telefax: 24322103, Email: subscription@chandamama.com Web: www.chandamama.com

চান্দমামা বৰ্ষ ৩২ চেপ্তেম্বৰ ২০০৮ সংখ্যা-৯

বিশেষ আকৰ্ষণ

চিৰনাথৰ দান (বেতাল কাহিনী)...১৯

কৰ্ণাটকৰ এটা লোককাহিনী ...৩৭

চিৰস্মৰণীয় ঐতিহাসিক পৰিঘটনা--১২ ...৪৯

ৰামায়ণ (সুন্দৰ কাণ্ড-৪) ... ৫৭

এই সংখ্যাত আছে

- ★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
- ★ লাভ-লোকচান ...০৮
- ★ হাতীৰ দৰে বিশাল এক প্ৰশ্ন ...১০
- ★ ভয়ংকৰ ঘাটী-৩৫ ...১৩
- ★ সংবাদ বিচিত্ৰা ...২৫
- ★ ধৃষ্টদ্যুম্ন ...২৬
- ★ বিচিত্ৰ ভাৰত ...৩০
- ★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১৫ ...৩১
- ★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-৩৩ ...৩৪
- ★ বীৰবলৰ কাহিনী-১১ ...৪১
- ★ অলিম্পিকত ভাৰত ...৪৬
- ★ আমাৰ সংস্থাপকৰ সোঁৱৰণত ...৪৮
- ★ জাতক কথা ...৫৩
- ★ পৰিৱৰ্ত্তন ...৬৩
- ★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৬৬
- ★ অপৰাজেয় গৰুড় ...৬৭
- ★ চান্দমামা কুইজ-৮ ...৭১
- ★ বাতৰিৰ শিৰোনামাত শিশু ...৭২
- ★ জানো আহাঁ নানা কথা ...৭৩
- ★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

সম্পাদকীয়
বি.নাগি ৰেড্ডী
আৰু চক্ৰপানি

অমৰ বাণী

প্ৰিয় বচন শুনোৱা মানুহ অনেক আছে, কিন্তু অপ্ৰিয় বচন শুনা শুনোৱা মানুহ পোৱাটো বেছ কঠিন।

দুখৰ পাছত প্ৰাপ্ত সুখ সদায়ে আনন্দদায়ক হয়। ৰ'দত যিজন নম্ৰ হৈ থাকে তেওঁহে গছৰ ছাঁৰ সুখৰ আনন্দ অনুভৱ কৰিব পাৰে।

চিন্তাৰ বাবে "খাদ্য"

এটা সাধাৰণ দিনত শিশুসকল অতি কমেও ছঘন্টাৰ বাবে স্কুলত থাকে। মধ্যৱিত্ত আৰু উচ্চ মধ্যৱিত্ত শ্ৰেণীৰ পৰিয়ালত সততে দেখা পোৱা এটা দৃশ্য হ'ল শিশুসকলে কিতাপৰ গধুৰ বেগটোৰ লগতে, মাক দেউতাকে লগত দিয়া লাঞ্চ বক্স আৰু পানীৰ বটল লগত কঢ়িয়াই লৈ যোৱাটো। কিন্তু, নিম্ন মধ্যৱিত্ত পৰিয়াল বা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ শিশুসকলে আধাপেটীয়াকৈ স্কুললৈ যায় বা স্কুললৈ একেবাৰে নাযায়েই।

ভাৰতত এই সমস্যা সমাধানৰ নিমিত্তে চলোৱা প্ৰচেষ্টাৰ এটা উদাহৰণ হৈছে চৰকাৰী বা স্থানীয় নিকায়সমূহৰদ্বাৰা পৰিচালিত স্কুলসমূহত বিনামূলীয়াকৈ দুপৰীয়াৰ আহাৰ দিয়া আঁচনি। চৰকাৰ পৰিচালিত দুপৰীয়াৰ আহাৰ তৈয়াৰ কৰা কেন্দ্ৰসমূহৰ ক্ষেত্ৰত সততে উত্থাপিত প্ৰশ্নবোৰ হ'ল শিশুসকলে প্ৰয়োজনীয় পৰিমাণৰ খাদ্য পাইছেনে, এই খাদ্য পুষ্টিকৰ হয়নে আৰু খাদ্য ৰন্ধাৰ আগতে বা ৰন্ধাৰ সময়ত পৰিষ্কাৰ পৰিচ্ছনতাৰ নিয়মসমূহ মানি চলা হয়নে নহয়।

দুপৰীয়াৰ আহাৰ যোগান আঁচনি এতিয়াও চলি আছে যাৰ ফলত দেশৰ ১৩০,০০০,০০০ শিশু উপকৃত হৈছে। ইয়াৰ সবাতোকৈ ডাঙৰ সুফল হৈছে স্কুললৈ আকৰ্ষিত হোৱা শিশুৰ সংখ্যা বাঢ়িছে আৰু স্কুলৰপৰা আধাতে নাম কটাই অনা শিশুৰ সংখ্যা কমিছে।

অনাচৰকাৰী সেৱা সংস্থাসমূহেও একে ধৰণৰ আঁচনিৰ কাম আৰম্ভ কৰিবলৈ আগবাঢ়ি অহাটো সঁচাই এটা ভাল খবৰ। অক্ষয় পাত্ৰ ফাউণ্ডেছনে আধুনিক সা সুবিধাৰে বাংগালোৰত এটা পাকঘৰ স্থাপন কৰিছে য'ত পুষ্টিকৰ খাদ্য ৰান্ধিব পৰা যাব আৰু সেই খাদ্য স্কুলৰ শিশুহঁতক দিব পৰা যাব। বাংগালোৰ, হাবলি, বাৰান আৰু বৃন্দাবনৰ দৰে অঞ্চলৰপৰা পোৱা বাতৰি মতে পৰিষ্কাৰ আৰু পুষ্টিকৰ খাদ্য যোগানৰ এই প্ৰচেষ্টাৰ ফলত শিশুসকলৰ স্বাস্থ্য ভাল হৈছে, আৰু ক্লাচত তেওঁলোকৰ উপস্থিতি আৰু পাৰদৰ্শিতা বাঢ়িছে।

এই ক্ষেত্ৰত অনাচৰকাৰী সেৱা সংস্থাসমূহে লাভ কৰা। সফলতাৰ কথা চৰকাৰে মন কৰাৰ সময় আহিছে আৰু খাদ্য যোগানৰ বাহিৰে আন কামৰ বাবে আছুতীয়াকৈ ৰখা পুঁজিৰ ধন ব্যৱহাৰ কৰি হ'লেও এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ আৰু শিশুসকলক পুষ্টিকৰ, স্বাস্থ্যসন্মত খাদ্যৰ যোগান ধৰিবলৈ এনে সংস্থাসমূহলৈ আৰ্হিক সাহায্য আগবঢ়োৱা উচিত। এনে কৰিব পাৰিলে স্কুল আধাতে এৰি অহা ঘটনা এদিন একেবাৰে নোহাৱা হ'ব।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.com

চান্দমামা

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
Artist : Jayapandian
Assistant Editor : R. Sudha
Creative Writer : R. Vaasugi
Layout Designer : B.A. Hemalata Malini
CIRCULATION TEAM :
Chennai : **T N Ravi Shankar, *National Sales Manager***
Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, *Manager-Circulation & Institutional Sales*
Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai : **Rajendra K Jadhav, *Asst. Manager - Circulation***
Mobile +91 9271720669
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi : **Sushil Sharma, *Circulation Manager-North***
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : **P. Murali, *Asst. Circulation Manager -Karnataka***
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : **Ananth Prakash, *Circulation Manager-East***
Mobile +91 98362 82202
email : ananth.prakash@chandamama.com
Advertisement : email : sales@chandamama.com
Business Dev and Online : **Surajit Agarwal**
email : surajit@chandamama.com
Subscription Queries: L Govindasamy
e-mail : govindaswamy.l@chandamama.com
Customer Cell : A B Sairam Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com
Head Office : **CHANDAMAMA INDIA LTD.,**
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai, Teynampet
CHENNAI-600018, Phone +91 44 2432 2101/02,
Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

শুল্ক :

ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি **'চান্দমামা ইণ্ডিয়া লিমিটেড'** নামত ডিমাণ্ড ড্ৰাফ্ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

মোৰ বয়স ২৬ বছৰ। একাউন্টেটৰ চাকৰি কৰো। অফিচত কম্পিউটাৰত দিনটো কাম কৰাৰ পাছত ঘৰলৈ আহি *চান্দমামা* পঢ়ি নিজকে সতেজ কৰি তোলো আৰু আনন্দ অনুভৱ কৰো। সঁচাকৈয়ে, *চান্দমামা* দেশৰ সৰ্বশ্ৰেষ্ঠ শিশু আলোচনী। ইয়াৰ কাহিনী-বোৰত আছে নতুনত্ব, বোধ, জ্ঞান আৰু মনোৰঞ্জন। দেশৰ প্ৰধান ভাষাসমূহত *চান্দমামা* প্ৰকাশিত হোৱা কথাটোৱে ভাষাৰ তথা ৰাষ্ট্ৰৰ একতা ৰক্ষাত যথেষ্ট অৰিহনা যোগাইছে। ইয়াৰ ভাষা সহজ সৰল, যি ভাষা বৰ বেছি আনুষ্ঠানিক শিক্ষা নথকা পাঠকৰো বোধগম্য।

যিদৰে কাব্যিক অনুভূতিসম্পন্ন মানুহে ৰাতিৰ আকাশত চন্দ্ৰটোলৈ অপেক্ষা কৰে, একেদৰে মাহটো আৰম্ভ হোৱাৰ লগে লগে *চান্দমামাৰ* বাবে আৰম্ভ হয় পাঠকৰ অন্তহীন প্ৰতীক্ষা।

– ***প্ৰিতেছ অমৃত পেটেল, বলচাড***

শৈশৱৰেপৰা নিয়মীয়াকৈ মই *চান্দমামা* পঢ়ি আহিছো। আপুনি ইয়াত দেশ-বিদেশৰ ধাৰ্মিক, পৌৰাণিক, ঐতিহাসিক, প্ৰেৰণাদায়ক শিক্ষা সম্পৰ্কীয় কাহিনী অন্তৰ্ভুক্ত কৰে, সেইবোৰে পাঠকক চিনাকি কৰি দিয়ে এটা নতুন পথৰ সৈতে।

চান্দমামাৰ প্ৰতিটো শব্দতে অদ্ভুত যাদু আছে। প্ৰতিটো আখৰতে নিহিত হৈ থকা তত্ত্ব অমৃতৰ দৰে। আমাৰ পৰিয়ালৰ সকলোৱে আনন্দ আৰু মনোযোগেৰে *চান্দমামা* পঢ়ে। এজন ভাল তথা সৎ মানুহ হ'বলৈ চান্দমামাই সহায় কৰে।

– ***কৃষ্ণকুমাৰ জয়চৱাল, বস্তী***

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Arya
CHANDAMAMA CLASSICS and COMICS
Spend this summer with your favourite Companions
Follow the adventures of the unknown Prince Arya with his forest friends. Read the legend of Garuda, the invincible warrior. Solve mysteries in the jungle with super sleuths, Eli and Puli, of the Detective Duo intelligence agency.
Garuda
Get your copies NOW!
Rs. 40
Rs. 60
Rs. 50
ARYA
Eli & Puli
Chandamama subscribers buying all three titles will get a 20% discount
Available with vendors and leading bookstores.



লাভ-লোকচান

কামেশে মনোকামনা পূৰণ কৰিবলৈ এদিন ৰমেশৰ লগত খোজকাঢ়ি ওলাল। তেওঁৰ ব্ৰহ্মপুৰৰ মন্দিৰলৈ যাবলৈ আছিল। ৰাস্তাত বৰষুণত দুয়ো তিতিল। কামেশে নেৰানে-পেৰাকৈ হাঁচিয়াবলৈ ধৰিলে, তেতিয়া ৰমেশে ক'লে, "প্ৰতিদিনে গা ধুই তুলসীৰ পাত খাবা। পানীলগাৰপৰা হাত সাৰিবা। মই নিজেই তাৰ উদাহৰণ।"

"তুলসীৰ পাত খালেই হাঁচি বন্ধ হ'বনে? তোমাৰ এই অদৰকাৰী কথাবোৰ মোক নক'বা দেই।" কামেশে ক'লে।

ব্ৰহ্মপুৰত উপস্থিত হৈ দুয়ো বৈদ্যৰ ওচৰলৈ গ'ল। ৰমেশে বৈদ্যক ক'লে, "মই এওঁক কৈছিলো যে প্ৰতিদিনে তুলসীৰ পাত খালে পানীলগাৰপৰা বাচিবা। কিন্তু এওঁ বিশ্বাস নকৰিলে। অনুগ্ৰহ কৰি এওঁক বুজাই দিয়ক।" ৰমেশে অভিযোগ আনিলে।

বৈদ্যই ৰমেশলৈ ক্ৰোধেৰে চাই ক'লে, "মোৰ ওচৰলৈ অহা বেছিভাগ ৰোগীয়েই পানীলগাত ভোগে। মই ইয়াক ভাল কৰিব পৰা অব্যৰ্থ ঔষধ দিম," এইবুলি কৈ তেওঁ তিনি দিনৰ বাবে ঔষধ দিলে।

ৰমেশৰ পৰাজয়ত সুখী হৈ কামেশে ঔষধ খালে। ঔষধ খোৱাৰ পাছতো তেওঁ হাঁচিয়াবলৈ ধৰাত ৰমেশে ক'লে, "মই কৈছোৱেই দেখোন ঔষধ খালেও হাঁচি বন্ধ নহয়। মোৰ কথা শুনা, প্ৰতিদিনে তুলসীৰ পাত খাবলৈ আৰম্ভ কৰা।"

"তুমি দেখিছো তুলসীৰ পাতৰ কথা ক'বলৈ বন্ধই নকৰা হ'লা।" কামেশে অতিষ্ঠ হৈ ক'লে। দুয়ো মন্দিৰৰ খটখটীৰে ওপৰলৈ গৈ থাকোতে এজন মানুহ দেখিলে যি অনবৰতে হাঁচিয়াই আছিল।

ৰমেশে তেওঁক তুলসীৰ পাত খাবলৈ পৰামৰ্শ দিলে। সেই সময়ত ধনৰাজ নামৰ এজন ব্যক্তিয়ে কামেশক ক'লে, "এজন সাধুৱে কৈছে এই মন্দিৰলৈ অহা কোনো ভক্তৰপৰা বিছটা সোণৰ মুদ্ৰা লৈ বেপাৰ

কিশোৰ কুমাৰ

কৰিলে বহুত ধন কৰিব পাৰিম। আপুনি মোক সহায় কৰিবনে?"

কামেশে দেখিলে ৰমেশক এশিকনি দিয়াৰ এইটোৱেই ভাল সুযোগ। তেওঁ ৰমেশক দেখুৱাই সেই মানুহজনক ক'লে, "তুমি এজন এজনকৈ তেওঁৰ ওচৰলৈ মানুহ পঠিয়াই থাকা আৰু প্ৰত্যেকেই তেওঁক সুধিব পানীল-গাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় কি? তাৰপাছত তেওঁৰপৰা দান বিচাৰিব। তেওঁ প্ৰত্যেককে এটাকৈ সোণৰ মুদ্ৰা দিব।"

কামেশে কোৱা মতে ধনৰাজে এজন এজনকৈ বিছজন মানুহক তেওঁৰ ওচৰলৈ পঠিয়ালে। ৰমেশে ধৈৰ্যৰে তেওঁলোকক তুলসীৰ পাত খাবলৈ পৰামৰ্শ দিলে। এজনে ক'লে, "আমাৰ গাঁৱত তুলসীৰ গছ নাই। তাৰ ঠাইত মই আমলখিৰ পাত খাব পাৰোনে?" আৰু এজনে ক'লে, "মোৰ স্মৰণ শক্তি কমি আহিছে। প্ৰতিদিনে মোৰ ঘৰলৈ আহি মনত পেলাই দিব পাৰিবনে?"

মানুহবোৰে ৰমেশক লৈ ধেমালি কৰিবলৈ ধৰিলে, তথাপি ৰমেশ ক্ৰোধান্বিত নহ'ল। অলপ সময়ৰ পাছত এজন মানুহে ধনৰাজক ৰমেশৰ ওচৰলৈ আনি ক'লে, "এই মহাশয়ে আপোনাৰ লগত ধেমালি কৰিবলৈ আপোনাৰ ওচৰলৈ মানুহ পঠিয়াই আছে।"

ৰমেশে ধনৰাজক ভালকৈ চালে। ধনৰাজে ভাবি পোৱা নাছিল কি উত্তৰ দিয়ে। কিন্তু নিজকে চম্ভালি ক'লে, "আমি যিয়েই কৰো, তাৰপৰা হোৱা লাভ আৰু লোকচান একে সমান হোৱা উচিত। নিজৰ কথাতে লাগি থাকিলে তুমি হাঁহিয়াতৰ পাত্ৰহে হ'বা। সেইটোকে তোমাক বুজাবলৈ মই এই নাটক কৰিলো।"

"তুলসীৰ চিকিৎসাৰে এজনৰো যদি লাভ হয় সেয়াই যথেষ্ট হ'ব। ইয়াত কোনোবাই মোক উপহাস কৰিলেও মোৰ কোনো ক্ষতি নহয়।" ৰমেশে হাঁহি মাৰি ক'লে।

তেতিয়া ধনৰাজে হাতযোৰ কৰি ক'লে, "সেইজন মানুহৰ ধন মোক নালাগে যি আপোনাক উপহাস কৰে। তাৰপৰা মোৰ একো লাভ নহ'ব।"

ৰমেশে তেওঁক বিছটা সোণৰ মুদ্ৰা দি ক'লে, "তুমি বেপাৰ আৰম্ভ কৰা। যিটো কাম ভালকৈ তুমি বুজা, সেই বিষয়ে যিমান পৰা যায় সিমান মানুহক ক'বা।"

আকৌ এবাৰ ৰমেশৰ হাতত কামেশ হাৰিল। কামেশৰ চেহেৰা শেঁতা হৈ আহিল।

হাতীৰ দৰে বিশাল এক প্ৰশ্ন

সেইদিনা ৰাতিপুৰা মহাৰাষ্ট্ৰৰ পুণেৰ লাকাকি হ্ৰদ অস্বাভাৱিক কাম কাজেৰে মুখৰ হৈ আছিল। দিনটো আছিল জনপ্ৰিয় গণেশ উৎসৱৰ অন্তিম দিন, যিদিনা গণেশৰ মূৰ্ত্তি বিসৰ্জনৰ বাবে অনা হয়। হাজাৰ হাজাৰ লোক আহে মহানগৰী খনৰ মাজেদি বৈ যোৱা মুল্লা আৰু মুথা নদীৰ পাৰলৈ প্ৰভু গণেশৰ প্ৰতিমা বিসৰ্জন দিবলৈ যোৱা এটা দশক ধৰি পাথৰ কুৰেৰীৰদ্বাৰা সৃষ্ট লাকাকি হ্ৰদ মূৰ্ত্তি বিসৰ্জনৰ জনপ্ৰিয় স্থান হৈ উঠিছে।

স্কুল ইউনিফৰ্মত অহা ত্ৰিছৰো অধিক ল'ৰা ছোৱালীয়ে বৃত্তাকাৰে বহি তেওঁলোকৰ সম্ভাব্য ৰণনীতি চূড়ান্ত কৰিছে। সেইবছৰ স্কুলৰ গ্ৰীন ক্লাবৰ মূৰব্বী হিচাপে কমলাই এই নতুন অভিযানৰ নেতৃত্ব প্ৰদান কৰিছে। ইয়াৰ আগৰবাৰৰ বৈঠকত ঠিক হোৱা ল'ৰা ছোৱালীবোৰৰ নাম আৰু তেওঁলোকৰ ভাগত পৰা দায়িত্বসমূহৰ কথা কমলাই পঢ়ি দিলে। আন এখন তালিকাত আছে অভিযানৰ বাবে লগা প্ৰয়োজনীয় বস্তুৰ তালিকা... তিনিটা ডাঙৰ বাল্টি, কেইখনমান খেৰৰ পাটী এখন ৰেজিষ্টাৰ আৰু এটা কলম।

গ্ৰীন ক্লাবৰ সদস্যসকল বিভিন্ন দিশত যোৱাৰ পাছত কমলাই হ্ৰদটোৰ ফালে চালে। হ্ৰদৰ এটা মূৰত তাই দলনিৰ মাজত এজাক ফুটুকী হাঁহ মন কৰিলে। ৰাতিপুৱাৰ নীৰৱতা সাধাৰণতে ভংগ কৰে পানীৰ ওপৰেদি উৰি যোৱা বগা বক্ষৰ মাছৰোকা চৰাইৰ কোলাহলে। আজি ল'ৰা ছোৱালীহঁতৰ চিঞৰ আৰু ভৰিৰ খোজে সেই নিয়মীয়া কোলাহল তল পেলাইছে।

তেওঁলোকৰ স্কুলখনৰ এটা "গ্ৰীন অ'ডিট"



চলিছিল, কোন কিমান পৰিৱেশৰ প্ৰতি বন্ধু-ভাবাপন্ন সেই কথা জানিবলৈ। সোমবাৰে স্কুলৰ প্ৰাৰ্থনা সভাত নিজৰ নিজৰ অভিজ্ঞতাৰ কথা স্কুলৰ আন সকলোকে কৈ বৰ ভাল লাগে।

ইয়াৰ ফলত পৰিৱেশৰ কথা চিন্তা কৰি কিছুমান কামৰ তাৎক্ষণিক সিদ্ধান্ত লোৱা সম্ভৱ হ'ল। খেলপথাৰত পৰি থকা গছৰ পাতবোৰ পুতি পচন সাৰ কৰিবলৈ এটা গাঁত খন্দা হ'ল। ন'টবুকত ব্যৱহাৰ নোহোৱাকৈ থকা পাতবোৰ শিক্ষাবছৰ শেষ হোৱাৰ পাছত একগোট কৰি পেড কৰা হ'ল আৰু ব্যৱহৃত খামবোৰ ওলোটা কৰি কাৰ্যালয়ত আকৌ ব্যৱহাৰ কৰিবলৈ লোৱা হ'ল।

সবাতোকৈ উত্তেজনাপূৰ্ণ মুহূৰ্ত্তটো আছিল যেতিয়া শিশুসকলে টেট্ৰাপেকত বিক্ৰী কৰা চফ্‌ট্‌ ড্ৰিংকচ বৰ্জন কৰিবলৈ এটা সামূহিক সিদ্ধান্ত ল'লে। এনে পেকেজিঙ কেৱল অপব্যয় আৰু ব্যয়বহুলেই নহয়, ইয়াৰ ভিতৰত থকা জৈৱ পচনযোগ্য নোহোৱা এলুমিনিয়ামৰ পৃষ্ঠই যে পৰিৱেশৰো ক্ষতি কৰে সেই কথা জনাৰ পাছত এই বৰ্জনৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

"হেৰা দল'টাচ দিবাস্বপ্ন নেদেখিবা!" স্কুলত কমলাৰ শ্ৰেষ্ঠ বান্ধৱী দৰ্শিনীয়ে চিঞৰিলে। তেওঁলোকে কমলাৰ উপনাম এটা দিছে, ল'টাচ, পৰিৱেশৰ ক্ষেত্ৰত সজাগতাৰ বাবে তাই লোৱা উদ্যমৰ বাবে। "ছেহ, পলমেই হ'ল" কমলাই ক'লে, তাই তেতিয়া হ্ৰদৰ প্ৰবেশপথৰ ওচৰত নিজাৰ ঠাই ল'বলৈ খৰখেদাকৈ গৈছে, তাত কেইজনমান সদস্যই এজোপা গছৰ দুটা ডালৰ মাজত কাপোৰৰ এখন বেনাৰ আঁৰিবলৈ চেষ্টা কৰিছে। বেনাৰখনত স্পষ্টভাৱে লিখা হৈছে, "আমাৰ হ্ৰদটো প্ৰদূষিত নকৰিব... আমিও জীয়াই থাকিব খোজো।" চাৰিওফালে এই বাণীয়েই দিয়া হৈছিল লগত মাছ, ভেকুলী, ফুটুকী হাঁহ, মাছৰোকা আদিৰ ছবিৰদ্বাৰা।

সোনকালেই দলটোৰ মাজত উত্তেজনাৰ এক গুণগুণনি উঠিল। হ্ৰদৰ সৰু প্ৰবেশপথটোলৈ সকলোৰে দৃষ্টি নিবদ্ধ হ'ল। দেখা গ'ল প্ৰাৰ্থনা গাই গাই মানুহৰ এটা সৰু দল পথটো-ৰেদি খোজ কাঢ়ি আহিছে। চাৰিজন মানুহে গণেশৰ এটা ডাঙৰ মূৰ্তি কঢ়িয়াই আনিছে। কমলাৰ কাষতে ৰৈ থকা শিৱানীয়ে ফুচফুচাই ক'লে, "এইটো দিনটোৰ প্ৰথম দল। আমি ভাগ্যৱান যেনেই লাগিছে।"

দলটো প্ৰবেশদ্বাৰৰ ওচৰ পাঁওতে কমলা আগবাঢ়ি আহিল। "আমি কেন্দ্ৰীয় বিদ্যালয়ৰ গ্ৰীন ক্লাবৰ সদস্য। আমি ইয়ালৈ আহিছো হ্ৰদটোত মূৰ্তি বিসৰ্জনৰপৰা বিৰত থাকিবলৈ আপোনালোকক অনুৰোধ কৰিবলৈ।" কমলাই ক'লে। তাৰপাছত সদস্যসকল ইজনৰ পিছত সিজনকৈ শাৰী পাতি থিয় হ'ল।



"মূৰ্ত্তিবোৰত ব্যৱহাৰ কৰা ৰঙ বিহযুক্ত,

সেইবোৰে আমাৰ পানী দূষিত কৰে," এজনে ক'লে।

"গণেশ পূজা এসময়ত বহুতো পৰিয়ালে একেলগে কৰা সামাজিক উৎসৱ আছিল। মোৰ ককা আইতাৰ দিনত কথাটো তেনেকুৱাই আছিল। কিন্তু আজি কালি এই পূজা ব্যক্তিগতভাৱে কৰা হয় আৰু সেয়েহে বিসৰ্জন দিবলৈ অনা হয় ইমানবোৰ মূৰ্তি।" আন এজনে ক'লে।

লীলাই যোগ দিলে, "আমি ভাবো এইবোৰে হ্ৰদত থকা জীৱৰ অপকাৰ কৰিব।" লীলা ক্লাবৰ কনিষ্ঠতম সদস্য।

গোটেই দিনটো এই একেটা দৃশ্যৰে অৱতাৰণা কৰা হ'ল যেতিয়াই মূৰ্তি বিসৰ্জনৰ বাবে এটা পৰিয়াল আহে। ছাত্ৰছাত্ৰীসকলে বুজাই দিলে কেনেকৈ হ্ৰদটো ওচৰৰ বহুতো এলেকাৰ অধিবাসী সকলৰ খোৱাপানীৰ একমাত্ৰ উৎস আৰু কেনেকৈ ৰঙবোৰে



সীহ, পাৰা, মেংগানিজ, ক্ৰমিয়াম আদি বিষাক্ত পদাৰ্থ পানীত এৰি দিয়ে। মূৰ্তিৰ প্ৰতীকধৰ্মী বিসৰ্জন হ'ব লাগে বুলিহে সকলোৱে অনুৰোধ কৰিলে। সেয়েহে তেওঁলোকে তিনি বাল্টি পানী আনিছে। ল'ৰা ছোৱালীহঁতে এটা বাল্টিত জুবুৰিয়াই এজোপা গছৰ তলত পাৰি দিয়া খেৰৰ পাটীৰ ওপৰত বিসৰ্জন দিবলৈ অনা মূৰ্তিবোৰ যাতে মেলি দিয়া হয়।

ক্লাবৰ এই প্ৰচেষ্টাৰ কিছু সুফল দেখা গ'ল। ১৫২টা পৰিয়ালৰ ৪৩টাই হ্ৰদত মূৰ্তি বিজৰ্সন নিদিবলৈ সন্মত হ'ল। যেতিয়াই এটা পৰিয়াল মূৰ্তিৰ প্ৰতীকধৰ্মী বিসৰ্জনৰ বাবে সন্মত হয়, তেতিয়া লীলাই দৌৰমাৰি গৈ ৰেজিষ্টাৰত পৰিয়ালটোৰ নাম আৰু ঠিকনা লিখি থয়গৈ।

কমলা আৰু লীলা ঘৰলৈ ঘূৰি আঁহোতে গণেশৰ আৰু অধিক মূৰ্তি বিসৰ্জনৰ বাবে অনা দেখি হুমুনিয়াহ কাঢ়িলে। লীলাই তাইলৈ চাই ক'লে, "এতিয়া তুমি কিহৰ বাবে চিন্তা কৰিছা?" কমলাই ভনীয়েকলৈ চাই হাঁহিলে আৰু ক'লে, "নাই লীলা মই চিন্তা কৰা নাই। ভাবিছো চোৰাং চিকাৰীৰ হাতত, তীব্ৰবেগী ট্ৰেইনৰ আগত প্ৰাণ দিবলগীয়া আমাৰ হাতীবোৰৰ কথা। ভাবিছো আমিবোৰে লগ লাগি কিবা এটা কৰিব পাৰিলে কিমান ভাল হয়। কথা সেইটোৱেই। কথাটোৱে সদায় মোক বৰ আমনি দিয়ে।

- সুজাতা পদ্মনাভন



ভয়ংকৰ ঘাটী

৩৫

(কেশৰ আৰু তাৰ বন্ধুহঁতে ভয়ংকৰ উপত্যকাত অৱতৰণ কৰি মৃগৰাজক মাৰি পেলালে। সেই সময়তে ব্ৰহ্মদণ্ডী তান্ত্ৰিক তালৈ আহিল। জগভোজীক লগত লৈ তেওঁ উপত্যকাৰ মাজভাগলৈ গ'ল। কল্পকবল্লীৰ গুহাত পহৰা দি থকা কিংকৰৰ গলত কেশৰে জৰীৰে মেৰিয়াই ধৰিলে। জয়মল্ল গুহাৰ ওচৰলৈ আহিল। তাৰ পাছত...)

গুহাৰ সমুখলৈ গৈ জয়মল্লই ক'লে, "ৰাজকুমাৰী নমস্কাৰ। আমি এই তিনিজন আপোনাৰ দেশৰেই। এওঁৰ নাম কেশৰ, তেওঁ আমাৰ নেতা। মোৰ নাম জয়মল্ল। গোমাংগ আমাৰ বন্ধু। দুষ্টহঁতৰ পৰামৰ্শ মানি লৈ ৰজাই আমাক দেশদ্ৰোহী বুলি ঘোষণা কৰিছে যদিও আমি এতিয়াও আগৰ দৰেই দেশভক্ত হৈ আছো আৰু ভৱিষ্যতেও হৈ থাকিম। আমি দুষ্ট ব্ৰহ্মদণ্ডী আৰু জগভোজী তান্ত্ৰিকক নাশ কৰিবলৈ গৈ আছো। আপোনাৰ কি আজ্ঞা, কওক।"

জয়মল্লই কথাখিনি কোৱাৰ লগে লগে, গুহাত কাৰোবাৰ অনুচ্চ হাঁহি শুনা গ'ল। হঠাতে অৰুণোদয়ৰ দৰে উজ্জ্বল, ষোল্ল সোতৰ বছৰীয়া এগৰাকী ছোৱালী গুহাৰপৰা বাহিৰলৈ আহিল। তেওঁৰ সৌন্দৰ্য দেখি কেশৰৰ চকু জলকতবক লাগিল। কাঠপুতলাৰ দৰে থিয় হৈ কেশৰে ৰাজকুমাৰীক চাবলৈ ধৰিলে।



গুহাৰপৰা ওলাই কল্পকবল্লীয়ে কেশৰৰ ফালে চালে আৰু চালে কেশৰৰ হাতত বন্দী সেই কিংকৰক। ৰাজকুমাৰীয়ে তেওঁক জগভোজীয়ে জোৰকৈ পিন্ধাই দিয়া দাঁতৰ মুকুটটো দূৰলৈ দলিয়াই দিলে। "আপোনাৰ সহায়ৰ বাবেই মই এই দুষ্টহঁতৰ কবলৰপৰা নিজকে উদ্ধাৰ কৰিব পাৰিলো। আপোনাৰ ৰাজভক্তিৰ সৈতে মই অপৰিচিত নহওঁ। ব্ৰহ্মদণ্ডীৰ কথা শুনি মোৰ পিতাই যে আপোনাৰ প্ৰতি অন্যায় কৰিছে সেই কথা কেৱল ময়েই নহয়, দেশৰ বহুত মানুহেই জানে। কিন্তু তেওঁলোক আৰু ৰাজগুৰুৱে সোনকালেই সত্যৰ সন্ধেদ পাব আৰু আপোনালোকক ৰক্ষা কৰিব। আপোনা-লোকে যিহেতু মোক উদ্ধাৰ কৰিছে, আজ্ঞা দিয়াৰ অধিকাৰ মোৰ নাই। মোৰ হাততো এক অস্ত্ৰ দিয়ক, উপত্যকাত পলাই যোৱা সেই দুষ্টহঁতৰ চিকাৰ কৰাত ময়ো লগতে যাম।"

কেশৰে একো নক'লে, সি নিজৰ তৰোৱা-লখন কল্পকবল্লীৰ হাতত তুলি ধৰি ক'লে, "ৰাজকুমাৰী, এই তৰোৱালখন আপুনি লওক, মোৰ বাবে এই বাণেই যথেষ্ট হ'ব। আপোনাৰ কণ্ঠত আছে সিংহিনীৰ শক্তি। হাতত তৰোৱাল থাকিলে আপোনাক সাক্ষাৎ দুৰ্গাৰ দৰে লাগিব। এতিয়া কোনেও আপোনাৰ চুলি এডালো লৰাব নোৱাৰিব।"

জয়মল্লই কেশৰৰ হাতৰপৰা জংঘলী লতাৰ জৰীডাল ল'লে আৰু কিংকৰৰ ফালে দাঁত কামুৰি ক'লে, "কিহে কিংকৰ, তোমাৰ প্ৰাণ তোমাৰ বাবে বৰ প্ৰিয় নেকি? নে গুৰুৰ সুৰক্ষাহে তোমাৰ অধিক প্ৰিয়?"

"মহাগুৰু, মোক নামাৰিব। এই সংসাৰত প্ৰাণতকৈ আন একো বস্তুৱেই মোৰ অধিক প্ৰিয় নহয়।" কিংকৰে কঁপা কঁপা মাতেৰে ক'লে।

"তেন্তে তুমি সেই আঁহত গছৰ ফালে আমাক ৰাস্তা দেখুৱাই লৈ ব'লা, য'ত ধনৰাশি আছে। অন্যথা তোমাৰ গলৰ এই জৰী টানি ধৰা হ'ব।" জয়মল্লই ক'লে।

"হ'ব, পিছে তালৈ যোৱাৰ চিধা ৰাস্তাৰ কথা কওঁ নে ঘূৰাই পকাই যোৱা ৰাস্তা?" কিংকৰে সুধিলে। "ৰাস্তা যিটোৱেই নহওক কিয়, কিন্তু তোমাৰ গুৰু আৰু তেওঁৰ লগত থকা পিশাচহঁতে জানিব নালাগিব, আমি তালৈ গৈ আছো বুলি।" জয়মল্লই ক'লে।

"ধন্য ধন্য, মই তাকেই কৰিম। কিন্তু কাম শেষ হোৱাৰ পাছত ডিঙি চেপি মোক হত্যা নকৰিব।" কিংকৰে ক'লে।

তাৰপাছত সি আটাইকে উপত্যকাৰ

মাজলৈ লৈ গ'ল। তাত সি এজোপা গছৰ তলত ৰ'লগৈ। তাৰপাছত অলপ ওখত থকা আঁহত গছজোপাৰ ফালে আঙুলিয়াই দেখুৱাই ক'লে, "সৌজোপাই হ'ল ভয়ংকৰ উপত্যকাৰ গছ, য'ত আছে অগাধ ধনৰাশি। গছজোপাৰ শিপাত আছে সাপৰ গাঁত। মই আৰু মোৰ পুৰণি গুৰুৱে বহুত দিনৰেপৰা এই কথা জানো। আমি সেইজন মানুহৰ প্ৰতীক্ষাত আছিলো, যাৰ তালৈ যোৱাৰ জন্মগত অধিকাৰ আছে।"

গোমাংগই দিয়া তৰোৱাল লৈ কেশৱ আঁহত গছজোপাৰ ফালে গ'ল। জয়মল্ল আৰু আন লোকসকলো অলপ দূৰত গছৰ আঁৰ লৈ লৈ সেইফালেই আগবাঢ়িল।

কেশৱ আঁহত গছজোপাৰ ওচৰলৈ গ'ল। সেই গছজোপাৰ শিপাতেই আছিল সাপৰ গাঁত। গছৰ ওপৰত থকা গণ্ডভেৰণ্ড পক্ষীবোৰে কেশৱক আহি থকা দেখি পাখি কোবাই চিঞৰিবলৈ ধৰিলে। কেশৱ সাপৰ গাঁতৰ ওচৰলৈ গ'ল আৰু তৰোৱালেৰে তাৰ ওপৰত দুবাৰ জোৰেৰে মাৰিলে। তৎক্ষণাৎ এটা মহসৰ্প ফণা মেলি ফুচফুচাই বাহিৰ ওলাল। সেই সাপটোৱে তাক আক্ৰমণ কৰিব পাৰে বুলি ভাবি তৰোৱাল খামুচি কেশৱ সাপটোৰ ফালে আৰু এখোজ আগবাঢ়িল। সাপটোৱে ফুচফুচাবলৈ এৰিলে। ফণা তললৈ কৰি গাঁতটোৰপৰা দূৰলৈ সাপটো আঁতৰি গ'ল। গণ্ডভেৰণ্ড পক্ষীবোৰে বিকট চিঞৰ মাৰি সাপটোৰ পিছে পিছে গ'ল।

মহাসৰ্পৰ ফুচফুচনি আৰু তাৰ পাছে পাছে যোৱা গণ্ডভেৰণ্ড পক্ষীবোৰৰ চিঞৰ কিছু সময় ধৰি কেশৱে চাই থাকিল। তাৰপাছত কেশৱে তৰোৱালেৰে গাঁতটো খান্দিবলৈ ধৰিলে।



হঠাতে ওচৰৰে এজোপা গছৰ আঁৰত এটা চিঞৰ শুনা গ'ল। চিঞৰটো এনে লাগিল কোনোবাই কাৰোবাক যেন চাবুকেৰেহে কোবাইছে। কেশৱে সেইফালে চালে।

ব্ৰহ্মদণ্ডী, তান্ত্ৰিক জগভোজী, আৰু তেওঁৰ পিছে পিছে গৰুড়মুখীয়া চৰ্দাৰ, স্থূলকায়, জিত আৰু শক্তিবাৰ্মাই গছৰ আঁৰৰপৰা অট্টহাস্য কৰি বাহিৰলৈ আহিল। কেশৱক দেখিয়েই ব্ৰহ্মদণ্ডীয়ে ডাঙৰকৈ হাঁহি মাৰি ক'লে, "কেশৱ, তোমাক কোটিপতি কৰিবলৈ মই যে কিমান কষ্ট কৰিলো, ম্বিয়েই নহওক এই গছজোপাৰ তলত থকা নিধিৰ গৰাকী তুমি আৰু তুমি আহি পাইছাহি। কালভৈৰৱে যিখিনি কথা কৈছিল সেয়া সত্য প্ৰমাণিত হ'ল। ধনৰ ৰক্ষাকাৰী মহাসৰ্পই তোমাক দেখাৰ লগে লগে অন্যএফালে গুচি গ'ল। এতিয়া এই ভাণ্ডাৰৰ ওপৰত মোৰহে অধিকাৰ আছে। এই দিনটোৰ

জঁপিয়াই পৰিব খুজিলে। কেশৰ তৰোৱাল লৈ থিয় হ'ল। ব্ৰহ্মদণ্ডী আৰু তেওঁৰ লগৰীয়া-হঁতক দেখি কেশৰে খঙতে ক'লে, "তোমা-লোক সকলো য'ত আছা, তাতেই থিয় হৈ থাকা। এখোজ আগবাঢ়িলেও প্ৰাণ নাবাচিব।"

এই কথা শুনি জগভোজী আৰু ব্ৰহ্মদণ্ডীয়ে খিলখিলাই হাঁহিলে। "সম্ভৱ এওঁ আমাৰ গৰুড় বংশীসকলৰ শক্তিৰ কথা নাজানে।" গৰুড়মুখীয়াই ক'লে।

"যদি এওঁ ইমান নিৰ্ভয়চিত্তে কথা ক'ব পাৰিছে, তেন্তে কিবা নহয় কিবা কাৰণ নিশ্চয় আছে। ইয়াত যি তেজৰ নৈ ব'ব সেই কামত মই হাত উজান দিব নোৱাৰো।" এইবুলি কৈ স্থূলকায়ে চাবুক নিজৰ কান্ধত তুলি ল'লে। জিত আৰু শক্তিবাৰ্মাই সমুখলৈ আহি ক'লে, "এওঁৰ মূৰ আৰু ভৰি দুখন কাটি পেলোৱা হওক নেকি?"

কেশৰে জিত আৰু শক্তিবাৰ্মাৰ ফালে এখোজ আগবাঢ়িব খোজোতেই "গুৰু মৌনানন্দৰ জয়" বুলি এটা চিঞৰ শুনা গ'ল। তৎক্ষণাৎ কেশৰৰ বৃদ্ধ পিতৃ, বিড়ালী, শ্ৰাণকৰ্ণী আদি গছৰ আঁৰৰপৰা ওলাই আহিল। তেওঁলোকক দেখিয়েই "অ'হ, কালভৈৰৱ" বুলি চিঞৰ মাৰি ব্ৰহ্মদণ্ডী এফালে পলাব খুজিলে। সেইফালৰপৰা ওলাই আহিল জয়মল্ল আৰু তাৰ সংগীসকল আৰু দৰ্শটোৱে ব্ৰহ্মদণ্ডীৰ লোকসকলক ঘেৰি ধৰিলে।

বাবেই মই তোমাক সাজু কৰিছিলো। যদি তুমি মোৰ লগত থাকিলাহেঁতেন তেন্তে তুমিও এই ভাণ্ডাৰৰ ভাগ পালাহেঁতেন। কিন্তু তুমি মোৰ বিৰুদ্ধে আৰু ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলা; সেয়েহে এতিয়া তুমি এই ধনৰাশি নাপাবা, ৰজাৰ দুজন সৈনিক মোৰ লগত আছে। এতিয়া তুমি আঁতৰ হোৱা..." এইবুলি কৈ তেওঁ কেশৰৰ ফালে চালে। জিত আৰু শক্তি-বাৰ্মাই তৰোৱাল উলিয়াই ল'লে। স্থূলকায়ে চাবুক উলিয়ালে। গৰুড়মুখীয়া চৰ্দাৰে গছত বহি থকা গণ্ডভৈৰুণ্ডবোৰৰ ফালে লোভনীয় দৃষ্টিৰে চাবলৈ ধৰিলে।

এই ধনৰাশিত হাত পৰাৰ ক্ষণ সমাগত দেখি ব্ৰহ্মদণ্ডীৰ লগত অহা সকলৰ লোভৰ পানী পৰিবলৈ ধৰিলে। ব্ৰহ্মদণ্ডীয়েও সকলোকে ৰত্নভাণ্ডাৰ আৰু আধা ৰাজ্যৰ প্ৰতিশ্ৰুতি দিছিল। সেয়েহে সকলো কেশৰৰ ওপৰত

হাতত তৰোৱাল লৈ কল্পকবল্লীক অহা দেখি জগভোজীয়ে চিঞৰিলে, "আৰে প্ৰতাৰণা, মোৰ ভাবী পত্নী গুহাৰপৰা বাহিৰ ওলাল কেনেকৈ? সেই বিশ্বাসঘাতক কিংকৰ আছে ক'ত?"

"গুৰু, কিংকৰ ইয়াতে আছে। যেতিয়া মোৰ গলত জৰী পেলাই দিয়া হ'ল তেতিয়া মই সকলো ৰহস্যৰ কথা কৈ দিলো আৰু এওঁলোকে মোক ধৰি ইয়ালৈ লৈ আহিল। নিজৰ প্ৰাণৰ প্ৰতি মমতা এনেকুৱাই হয়," গোমাংগৰ পিছফালে ৰৈ কিংকৰে ক'লে। এনেতে কল্পকবল্লীয়ে তৰোৱাল লৈ সিংহিনীৰ দৰে জঁপিয়াই পৰিল আৰু একেটা ঘাপতে জগভোজীৰ শিৰচ্ছেদ কৰিলে।

জগভোজী তান্ত্ৰিকৰ মৃত্যুৰ লগে লগে ব্ৰহ্মদণ্ডী আৰু তেওঁক সহায় কৰিবলৈ অহা গৰুড়মুখীয়া চৰ্দাৰ আৰু স্থূলকায়ে বৰ ভয় খালে। বিড়ালী আৰু শ্ৰাণকৰ্ণীক সমুখত দেখি গৰুড়মুখীয়া ভয়তে পেঁপুৱা লাগিল। দুয়ো তাৰপৰা পলাবলৈ সুযোগৰ অপেক্ষাত ৰ'ল।

ব্ৰহ্মদণ্ডীয়ে ডাঙৰকৈ গলহেকাৰি মাৰি ক'লে, "বৎস কেশৱ, শিষ্য জয়মল্ল মোক নামাৰিবা। মই যদি কিবা পাপ কৰিছো সেয়া তোমালোকৰ ভালৰ বাবেই কৰিছো। ইয়াত যি ধনৰাশি আছে, তাৰ উত্তৰাধিকাৰী তোমালোকেই।"

তাৰমাজতে কেশৱে নিজৰ বৃদ্ধ পিতৃৰ ওচৰলৈ দৌৰি আহি ক'লে, "বাবা, এই জীৱনত তোমাৰ সৈতে আকৌ দেখা হ'ব বুলি মই ভবাই নাছিলো। কেশৱে পিতাকক আলিঙ্গন কৰিলে।

বৃদ্ধৰ বুকুখন গধুৰ হৈ আহিল। তেওঁ বাকৰুদ্ধ হ'ল। দুগালে বৈ আহিল লোতক। পিতা পুত্ৰৰ এই প্ৰেম দেখি কল্পকবল্লীয়ে বৰ আনন্দ পালে।

বিড়ালী আৰু শ্ৰাণকৰ্ণী কেশৱৰ ওচৰলৈ আহি ক'লে, "কেশৱ! তুমি আৰু তোমাৰ

মিত্ৰসকলে পাখিলগা মানুহবোৰক নিধন কৰাত আমাক যি সহায় কৰিলা, তাৰ প্ৰতিদান স্বৰূপে আমি তোমাৰ পিতৃ আৰু তেওঁৰ সঙ্গীবৃন্দক পাৰ্যমানে সহায় কৰিলো।" কেশৱে বিড়ালী আৰু শ্ৰাণকৰ্ণীকো আলিঙ্গন কৰিলে।

ব্ৰহ্মদণ্ডী তান্ত্ৰিক, গৰুড়মুখীয়া চৰ্দাৰ আৰু গোলামৰ মালিক স্থূলকায়ক বান্ধি পেলোৱা হ'ল। কিংকৰে যিহেতু সিহঁতক সহায় কৰিছিল সেয়েহে কিংকৰৰ গলৰ জৰী ঢিলাই দিয়া হ'ল। তাত গোটা খোৱা মানুহৰ সৈতে ৰাজকুমাৰী কল্পকবল্লীৰ পৰিচয় কৰোৱা হ'ল। ইয়াৰ কিছু সময়ৰ পাছত বিড়ালী আৰু শ্ৰাণকৰ্ণীৰ মানুহৰপৰা খবৰ পাই ব্ৰহ্মপুৰৰ ৰজা আৰু ৰাজগুৰু তালৈ আহিল।

কেশৱে ৰজা আৰু ৰাজগুৰুক আঁহত গছ জোপাৰ তলত গাঁতটো দেখুৱাই ক'লে,

“এইটো খান্দিলে আপুনি অগাধ ধন সম্পত্তি পাব, মহাৰাজ, মোক তাৰ কোনো ভাগ নালাগে।”

ৰজাই এবাৰ নিজৰ কন্যাক আৰু এবাৰ কেশৰক চালে। দুয়ো প্ৰেমেৰে মিচিকিয়া হাঁহি মৰা দেখি আনন্দিত হৈ ৰজাই ক'লে, “কেশৰ! ধাৰণা হৈছে, মোৰ প্ৰতি তুমি ক্ৰোধান্বিত! মই জানো তোমাক, তোমাৰ দেউতাৰাক আৰু তোমাৰ বন্ধুসকলক দেশৰপৰা বহিষ্কাৰ কৰি মই ভুল কৰিছিলো। মোৰ একমাত্ৰ কন্যা অপহৃত হোৱাৰ পাছত মই কি ঘোষণা কৰাইছিলো সেই কথা তুমি হয়তো নাজানা। ঘোষণাটো আছিল, যি ৰাজকুমাৰীক ঘূৰাই আনি দিবহি পাৰিব, তেওঁলৈ ৰাজকুমাৰীক বিয়া দিয়া হ'ব আৰু লগতে তেওঁক আধা ৰাজ্যও প্ৰদান কৰা হ'ব।”

ৰাজগুৰুৱে এখন হাতেৰে কেশৰৰ কান্ধত আৰু আনখন হাতেৰে জয়মল্লৰ কান্ধত ধৰি ক'লে, “তোমালোকৰ যি বিপদ হ'ল তাৰ বাবে মহাৰাজতকৈ মইহে বেছি জগৰীয়া। ব্ৰহ্মদণ্ডীৰ লগত দুজন সৈনিক প্ৰেৰণ কৰি মই মানুহক মিছাতে এই ধাৰণা দিলো যে তোমালোক ৰাজদ্ৰোহী আৰু তেওঁ ৰাজভক্ত। এতিয়া সত্য কি তাক সকলোৱে দেখা পাইছে। যি কি নহওক, তোমালোকে নিজৰ শক্তি সামৰ্থ্যৰে দুখ কষ্টৰ মুখামুখি হ'লা আৰু ভয়ংকৰ উপত্যকাৰ ধনৰাশিও তোমালোকে ব্ৰহ্মপুৰৰ ৰজাক সঁপি দিছা। এই ধনেৰে ৰাজ্যৰ সকলো সুখী হ'ব পাৰিব।”

তাৰপাছত সৈনিকসকলে গাঁতটো তললৈ চাৰি পাঁচ ফুট খন্দাৰ পাছত তাত এক বিশাল ভূগৃহ দেখা গ'ল। তাত থকা ৰত্ন, মণি মুকুতা, সোণ ৰূপ দেখি সকলো স্তব্ধ হ'ল। সেনাৰ লগত অহা হাতীৰ পিঠিত আৰু গাড়ীত এই ধন সোণ বোজাই কৰা হ'ল।

সকলো ব্ৰহ্মপুৰ পালেগৈ। ৰাজকুমাৰী কল্পকবল্লীৰ সৈতে কেশৰৰ ধুমধামেৰে বিয়া হৈ গ'ল।

কেশৰৰ বৃদ্ধ পিতৃয়ে কোনো চিন্তা নকৰাকৈ জীৱনৰ বাকী সময় আৰামেৰে পুতেকৰ লগত কটালে। কেইদিনমানৰ পাছত বাৰ্দ্ধক্যজনিত ৰোগত ব্ৰহ্মপুৰৰ ৰজাৰ মৃত্যু ঘটিল। কেশৰ ব্ৰহ্মপুৰৰ ৰজা হ'ল। তেওঁ জয়মল্লক নিজৰ মন্ত্ৰী, জংঘলী গোমাংগ আৰু সৰু গড়েজংগক সেনাপতি হিচাপে নিযুক্তি দিলে আৰু বহুবছৰলৈ সুখে শান্তিৰে ৰাজত্ব কৰিলে। ***(সমাপ্ত)***

চিৰুনাথৰ দান

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শৱ ভিতৰত থকা বেতালে নাম লগালে, "ৰাজন, তোমাৰ ভৱিষ্যতে কি হ'ব সেইটো মইয়ো কব'নোৱাৰো। কিন্তু এটা কথা ক'ব পাৰো যে এতিয়ালৈকে তোমাৰ চিত্ত স্থিৰ হৈ আছে। কিছুমান মানুহে আগতেই এটা কথা ঠিক কৰি লয় যে জীৱনত তেওঁ নিশ্চয় কিবা পাবই লাগিব। কিন্তু পোৱাৰ পাছত অকাৰণে সেইটো ত্যাগ কৰে। চিৰুনাথ এজন এনেকুৱা যুৱক আছিল যি পৰিশ্ৰম কৰি অদ্ভুত নিধি লাভ কৰিছিল। কিন্তু তেওঁ সেই নিধি দান দিবলৈ বাধ্য হৈছিল। তোমাক সাৱধান কৰি দিবলৈকে কাহিনীটো কম। মন দি শুনা।" এইবুলি বেতালে আৰম্ভ কৰিলে।

বেতাল কাহিনী



চিৰি নামৰ এখন গাঁৱত চিৰুনাথ নামৰ এজন যুৱক বাস কৰিছিল। এবাৰ এজন বৈৰাগীয়ে চিৰুনাথৰ হাত ৰেখা চাই ক'লে, "ভাগাই তোমাক খেদি খেদি আহিব।" সেই মুহূৰ্ত্তৰেপৰা সুন্দৰ ভৱিষ্যতৰ সপোন দেখি একো কাম নকৰাকৈ তেওঁ দিন কটাবলৈ ধৰিলে। এদিন দুপৰীয়া তেওঁ গাঁৱৰ বাহিৰৰ এজোপা বৰগছৰ তলত বহি আছিল। সেই সময়ত এজন যুৱক তেওঁৰ ওচৰলৈ আহি ক'লে, "পাঁচ বছৰলৈকে মই কোৰা এটা ঘৰত যদি কাম কৰিবলৈ মান্তি হোৱা তেন্তে তুমি অপাৰ নিধিৰ গৰাকী হ'বা।"

চিৰুনাথে সেই যুৱকক আচৰিত হৈ চালে। তেতিয়া সেই মানুহজনে নিজৰ বিষয়ে ক'লে, তেওঁ শ্ৰীপুৰৰ আৰু তেওঁৰ নাম আনন্দ। তেওঁ সেই গাঁৱৰে এগৰাকী যুৱতীক বিয়া কৰাব খুজিছিল। তেওঁ ইয়াৰ বাবে সেই যুৱতীৰ দেউতাকক মিনতি কৰিলে। তেওঁ এহেজাৰ সোণৰ মুদ্ৰাৰ গাধন বিচাৰিলে। যিহেতু তেওঁৰ ওচৰত ইমান ধন নাছিল সেয়েহে তেওঁ গাঁৱৰ আঢ্যৱন্ত লোকসলৰপৰা ঋণ বিচাৰিলে। কিন্তু সকলোৱে তেওঁক ঋণ দিবলৈ অস্বীকাৰ কৰিলে কিয়নো তেওঁ খুব দৰিদ্ৰ আছিল। অৱশেষত তেওঁ শ্বকাৰ নামৰ এজন আঢ্যৱন্ত ব্যক্তিৰ ঘৰলৈ গ'ল। তেওঁ এইবুলি চৰ্ত্ত দিলে যে একেৰাহে পাঁচ বছৰ তেওঁৰ ঘৰত কাম কৰিলে সেই ধনখিনি দিব। আনন্দই মানুহজনৰ চৰ্ত্ত মানি ল'লে আৰু তেওঁৰ ঘৰত কাম কৰিবলৈ ধৰিলে। কিন্তু হঠাতে আনন্দ এক বিচিত্ৰ ৰোগৰ চিকাৰ হ'ল আৰু তেওঁৰ চেহেৰা বিকৃত হৈ আহিবলৈ ধৰিলে। আনন্দৰ বিকৃত চেহেৰা দেখি সেই যুৱতীয়ে আনন্দক বিয়া কৰাবলৈ অস্বীকাৰ কৰিলে আৰু আন এজনক বিয়া কৰালে। লগে লগে আনন্দৰ জীৱনৰ প্ৰতি বিৰক্তি আহিল আৰু তেওঁ দেশভ্ৰমণত ওলাল।

দেশভ্ৰমণত যোৱাৰ আগতে আনন্দই যেতিয়া শ্বকাৰক নিজৰ সিদ্ধান্তৰ কথা ক'লে যেতিয়া তেওঁ আনন্দক ক'লে "তুমি ঋণ বিচাৰিছিলা আৰু মই দিবলৈ সাজুও হৈছিলোঁ। ল'ব নোখোজা যদি সেয়া তোমাৰ ইচ্ছা। কিন্তু প্ৰতিশ্ৰুতি অনুসাৰে তুমি মোৰ ঘৰত কাম নকৰা যদি প্ৰতিশ্ৰুতি ভংগৰ পাপে তোমাক পাছে পাছে খেদি ফুৰিব। জীৱনত্ তুমি বিফল প্ৰমাণিত হ'বা।"

আনন্দই এইবুলি কৈ তাৰপৰা গুচি গ'ল যে ঘূৰি অহাৰ পাছত তেওঁ নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব। [illegible]দনমানৰ পাছত তেওঁ বৃহদাৰণ্য গৈ পালেগৈ আৰু তপোশক্তিসম্পন্ন

প্ৰকাণ্ডৰ পৰিচৰ্যাত লাগিলগৈ। এদিন আনন্দই নিজৰ স্থিতিৰ কথা প্ৰকাণ্ডক ক'লে আৰু তেওঁক সন্ন্যাস প্ৰদান কৰিবলৈ অনুৰোধ কৰিলে। "তোমাৰ বিৰক্তি তৎকালিক। সন্ন্যাস লোৱা ইমান সহজ কথা নহয়। তোমাৰ স্থিতি দেখি মই এতিয়া তোমাক ধনমন্ত্ৰৰ উপদেশ দিম। সেই মন্ত্ৰ জপ কৰি তপস্যা কৰিলে তুমি এটা ৰহস্যভৰা নিধি দেখা পাবা। এবছৰলৈকে তুমি সেই নিধিৰ সুৰক্ষা দি তপস্যা অব্যাহত ৰাখিলে তুমি কিছুমান শক্তিৰ অধিকাৰী হ'বা আৰু তুমি যি বিচৰা তাকে পাবা। তেতিয়াও যদি তোমাৰ বিৰক্তি অব্যাহত থাকে তেন্তে তুমি সন্ন্যাস গ্ৰহণ কৰিব পাৰা। কিন্তু এবছৰৰ ভিতৰতে যদি তুমি তোমাৰ শক্তি ব্যৱহাৰ কৰা তেন্তে ডাঙৰ অনৰ্থ ঘটিব।" এইবুলি কৈ প্ৰকাণ্ডই তেওঁক ধনমন্ত্ৰ শিকাই দিলে।

আনন্দই এখন আশ্ৰম নিৰ্মাণ কৰিলে: আৰু ধনমন্ত্ৰ জপ কৰি তপস্যা কৰিবলৈ ধৰিলে। অলপ সময়ৰ পাছত তেওঁ এক সুৰক্ষিত নিধি এজোপা বৰগছৰ তলত দেখা পালে। ঠিক সেই সময়তে নীলাম্বৰী নামৰ এগৰাকী যুৱতী তালৈ আহিল।

নীলাম্বৰীৰ জন্ম হৈছিল এক দৰিদ্ৰ পৰিয়ালত। তেওঁৰ দৃষ্টি সদায়ে ধন আৰু সুখৰ ওপৰত কেন্দ্ৰীভূত আছিল। সুবোধ নামৰ এজন যুৱকে তেওঁক ভাল পাইছিল আৰু যৌতুক নোলোৱাকৈ তেওঁক বিয়া কৰিবলৈ সাজু আছিল। নীলাম্বৰীৰ দেউতাকে এই প্ৰস্তাৱ সহজে মানি ল'লে, কিন্তু দেউতাকৰ এই সিদ্ধান্তত ভয় খাই নীলাম্বৰী ঘৰৰপৰা পলাই আহিল। তেওঁ

আহি আনন্দৰ আশ্ৰম পালেহি। নীলাম্বৰীৰ কাহিনী শুনাৰ পাছত আনন্দই তেওঁক সেই নিধিৰ বিষয়ে কৈ ক'লে, "এবছৰলৈকে সেই নিধিক সুৰক্ষা দি তুমি যদি মোক পৰিচৰ্যা কৰা তেন্তে সেই নিধি তোমাৰ হ'ব। যেতিয়াই মোৰ তপোদীক্ষা সমাপ্ত হ'ব তেতিয়াই সেই নিধি তোমাৰ হ'ব আৰু তুমি যাক ইচ্ছা কৰা তেওঁকেই বিবাহ কৰিব পাৰিবা।"

নীলাম্বৰী এই কথা মানি লৈ তাতে থাকিবলৈ ধৰিলে। এদিন আনন্দ যেতিয়া স্নান কৰিবলৈ নদীলৈ গৈছিল তেতিয়া নীলাম্বৰীক বিচাৰি সুবোধ আহি আশ্ৰমত ওলালহি। নীলাম্বৰীয়ে গোটেই কাহিনীটো তেওঁক কৈ ক'লে, "নিধিৰ বাবে মই এবছৰ অপেক্ষা কৰিব নোৱাৰো। তুমি আনন্দক হত্যা কৰিব পাৰিবা যদি নিধি লৈ গুচি যামগৈ।"

স্নান কৰি ঘূৰি অহা আনন্দই তেওঁলোকৰ



“শুকাৰৰ ওচৰত তুমি ঋণী। যেতিয়া-লৈকে সেই ঋণ পৰিশোধ কৰিব নোৱৰা তেতিয়ালৈকে তুমি সন্ন্যাস প্ৰাপ্তিৰ যোগ্য হৈ উঠিব নোৱাৰিবা,” প্ৰকাণ্ডই সংকোচ নকৰাকৈ ক'লে।

“আপুনিয়েই মোক আন কিবা এটা উপায় দিয়ক,” এইবুলি কৈ আনন্দ প্ৰকাণ্ডৰ ভৰিত দীঘল দি পৰিল।

“নীলাম্বৰীয়ে ৰাক্ষসীৰ ৰূপ ধাৰণ কৰিব আৰু সেই বৰগছজোপাৰ ওচৰলৈ আহি সেই নিধিক সুৰক্ষা দি যাব। তুমি ঋণমুক্ত হৈ যেতিয়া কোনো যোগ্য ব্যক্তিক এই নিধিৰ দায়িত্ব অৰ্পণ কৰিবা তেতিয়াই তুমি শাপৰপৰা মুক্তি লাভ কৰিবা,” প্ৰকাণ্ডই ক'লে।

“আপুনিয়েই কওক সেইটো কেনেকৈ সম্ভৱ হ'ব? আপুনি যেনেকৈ কয় মই তেনে-কৈয়ে কৰিম।” আনন্দই ক'লে।

“ধন লাভৰ দুৰাশাৰ বাবে নীলাম্বৰীয়ে কৃতজ্ঞতাৰ কথা পাহৰি গ'ল। কৃতজ্ঞতাপূৰ্বক যি ধনৰ আশা ত্যাগ কৰিব পাৰিব, তেনে ব্যক্তিৰদ্বাৰাই তেওঁ শাপৰপৰা মুক্তি লাভ কৰিব। চিৰু গাঁৱৰ চিৰুনাথ এনে এজন মহান ব্যক্তি হ'ব পাৰে বুলি মোৰ বিশ্বাস হয়। চেষ্টা কৰি চাব পাৰা,” এইবুলি কৈ প্ৰকাণ্ড তাৰপৰা গুচি গ'লগৈ।

চিৰুনাথক বিচাৰি আনন্দ চিৰি গাঁও ওলালহি। আনন্দৰ সম্পূৰ্ণ বৰ্ণনা শুনাৰ পাছত চিৰুনাথৰো নিধিৰ প্ৰতি আশা জাগিল। তেওঁ সুধিলে, কওক কাৰ ঘৰত মই কাম কৰিব লাগে।

“শ্ৰীপুৰৰ শুকাৰৰ ঘৰত কাম কৰি উঠি বৃহদাৰণ্যলৈ আহক।” এইবুলি কৈ আনন্দ তপস্যা কৰিবলৈ গুচি গ'ল।

কথোপকথন শুনিলে আৰু ক্ৰোধান্বিত হৈ নীলাম্বৰীক অভিশাপ দিলে, “তোমাক মই নিধি গতাই দিবলৈ সন্মত হৈছিলো, তথাপিও তুমি মোক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰিলা। এই মূহূৰ্ত্তৰেপৰা তুমি ৰাক্ষসী হৈ পৰা।”

এই কথা শুনি নীলাম্বৰী বাকৰুদ্ধ হৈ পৰিল, ঠিক সেই সময়তে প্ৰকাণ্ড তালৈ আহিল আৰু ক'লে, “তুমি নিয়ম উলংঘা কৰিছা। এবছৰৰ ভিতৰতে তুমি তপোশক্তিৰ দুৰ্প্ৰয়োগ কৰি সেই সমুদায় শক্তিৰপৰা বঞ্চিত হ'লা। নীলাম্বৰীৰ শাপ বিমোচনৰ পাছতহে পুনৰ সেই শক্তি লাভ কৰিব পাৰিবা। আৰু এই কাম তোমাৰ পক্ষে অসম্ভৱ।”

“নীলাম্বৰীৰ ব্যৱহাৰৰ বাবেই আকৌ মোৰ জীৱনৰ প্ৰতি বিৰক্তি আহিছে। অনুগ্ৰহ কৰি সন্ন্যাস প্ৰদান কৰক,” অতি দুখমনেৰে আনন্দই মিনতি কৰিলে।

শ্ৰীপুৰলৈ গৈ চিৰুনাথে শ্বকাৰক ক'লেগৈ যে আনন্দই মোক আপোনাৰ ঘৰত কাম কৰিবলৈ পঠিয়াইছে। তাৰপাছত চিৰুনাথে শ্বকাৰৰ ঘৰত কাম কৰিবলৈ ধৰিলে। শ্বকাৰৰ পত্নীয়ে চিৰুনাথৰ হতুৱাই সকলো ধৰণৰ কাম কৰাবলৈ ল'লে, যেন চিৰুনাথৰ ওপৰত তেওঁৰ কিবা প্ৰতিশোধহে ল'বলৈ আছিল। চিৰুনাথৰ দৃষ্টি সেই নিধিত কেন্দ্ৰীভূত আছিল, সেয়েহে তেওঁ মনে মনে সকলো কাম কৰিবলৈ ধৰিলে।

এদিন শ্বকাৰৰ পত্নীয়ে চিৰুনাথক ক'লে, "তুমি বন্ধা খাদ্য খাবই নোৱাৰি। এই গাঁৱত চিৰুমতী নামৰ এজনী কন্যা আছে। ঘৰৰ কাম কৰাত তেওঁ সিদ্ধহস্ত। এটা কথা লৈ তেওঁৰ ভীষণ গৰ্ব যে তেওঁৰ নিচিনা ভাল হেনো কোনেও বান্ধিব নোৱাৰে। তুমি তেওঁক খাদ্য বান্ধিবলৈ ইয়ালৈ লৈ আঁহা বা আনন্দক কৈ দিয়া যে আমি তোমাক আৰু অধিক দিন কামত ৰাখিবলৈ ইচ্ছুক নহয়।"

চিৰুনাথ হতাশ নহ'ল। তেওঁ চিৰুমতিক লগ ধৰিলে আৰু নিজৰ স্থিতিৰ কথা জনালে। চিৰুমতিয়ে হাঁহি মাৰি ক'লে, "ভৱিষ্যতৰ ভাগ্যৰ কথা ভাবি এতিয়া তুমি দুৰ্ভাগ্যকে আকোৱালি লৈছা। তোমাৰ এই দুঃস্থিতি দেখি মোৰ দয়া ওপজিছে, কিন্তু মই তোমাক সহায় কৰিব নোৱাৰিম।"

"পাঁচ বছৰলৈকে কাম কৰিলে মই অপাৰ ধনৰাশিৰ গৰাকী হম। ডাঙৰ মানুহ হৈ মই তোমাৰ ঋণ পৰিশোধ কৰিম। মোৰ কথা বিশ্বাস কৰি মোক দয়া কৰা।" আনন্দই অতি দুখেৰে ক'লে। চিৰুমতিৰ মন কুমলি আহিল আৰু ক'লে, "ঋণৰ বিষয়ে একো ক'ব নালাগে। নিজে কষ্ট মূৰ পাতি লোৱা মোৰ এটা অভ্যাসত পৰিণত হৈছে। এতিয়া তোমাৰ বাবে কষ্ট কৰিম,"

এইবুলি কৈ চিৰুনাথৰ লগত তেওঁ শ্বকাৰৰ ঘৰলৈ গৈ ৰান্ধনিঘৰৰ কাম চম্ভালি ল'লে।

চাঁওতে চাঁওতে পাঁচ বছৰ পাৰ হৈ গ'ল। চিৰুনাথ বৃহদাৰণ্যলৈ গ'ল, আনন্দক লগ ধৰিলে আৰু ক'লে, "তোমাক দিয়া প্ৰতিশ্ৰুতি অনুসৰি মই শ্বকাৰৰ ঘৰত পাঁচ বছৰ কাম কৰি ঘূৰি আহিছো। তোমাৰ ঋণ পৰিশোধ কৰিছো। কিন্তু এতিয়া মোক নিধি নালাগে। তুমি যাকেই ইচ্ছা কৰা তাকেই দিব পাৰা। ভাবিছো যি চিৰুমতীয়ে মোৰ লগত ইমান কষ্ট সহিলে তেওঁকেই মই বিয়া কৰো। নীলাম্বৰীৰ শাপমুক্তিৰ বাবে কৃতজ্ঞতাবদ্ধ হোৱাটো প্ৰয়োজনীয়, সেয়েহে তুমি যি কোৱা, তাকে কৰিবলৈ মই সাজু আছো।"

চিৰুনাথে এই কথাখিনি কৈ থাকোতেই নীলাম্বৰী শাপমুক্ত হ'ল। তেতিয়া তালৈ অহা প্ৰকাণ্ড, চিৰুনাথৰ কথা শুনি বৰ সন্তুষ্ট হ'ল আৰু তেওঁৰ মূৰত হাত থৈ আশীৰ্বাদ দিলে।

বেতালে এই কাহিনী কৈ উঠি ৰজা বিক্ৰমাদিত্যক সুধিলে, "ৰাজন, চিৰুনাথ ভাগ্যৱান হোৱাৰ প্ৰতীক্ষাত আছিল। ইয়াৰ বাবেই তেওঁ পাঁচ বছৰলৈকে কষ্টও সহ্য কৰি গ'ল। কিন্তু নিধি পাওঁ পাওঁ হওঁতেই তেওঁ সেই নিধি ল'বলৈ অস্বীকাৰ কৰিলে। নীলাম্বৰী শাপমুক্ত হ'ল কেনেকৈ? প্ৰকাণ্ডই আনন্দ মনেৰে চিৰুনাথক আশীৰ্বাদ দিলে কিয়? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "পাঁচ বছৰলৈকে চিৰুনাথে কষ্ট সহ্য কৰিলে, সেয়েহে পৰিশ্ৰম কৰি যি আনন্দ পোৱা যায় সেয়া তেওঁ গম পালে। লগে লগে নিধিৰ প্ৰতি তেওঁৰ আসক্তি নোহোৱা হ'ল। প্ৰতিফলৰ আশাত কৰা পৰিশ্ৰমক বেপাৰহে বুলিব লাগিব, তাক সহায় বুলি ক'ব পৰা নাযায়। প্ৰতিফলৰ আশা নকৰাকৈ, মানৱতাৰ ওপৰত বিশ্বাস ৰখা চিৰুমতীয়ে চিৰুনাথক সহায় কৰিলে। তেওঁৰ সাহচৰ্যৰ বাবেই চিৰুনাথে ধনৰ আশা মনৰপৰা দলিয়াই পেলাব পাৰিলে। এনে এজন ব্যক্তি তালৈ অহাৰ বাবেই নীলাম্বৰী শাপমুক্ত হ'ব পাৰিলে। আজিৰ যুগত মানৱীয় সম্বন্ধ বেপেৰুৱা হৈ আহিছে। চিৰুনাথৰ সিদ্ধান্ত বিশিষ্ট আৰু বিৰল। সেয়েহে প্ৰকাণ্ডই প্ৰসন্নচিত্তে চিৰুনাথক আশীৰ্বাদ দিলে।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

- বসুন্ধৰাৰ ৰচনাৰ আলম লৈ



সংবাদ বিচিত্ৰা

অলিম্পিক স্বৰ্ণ পদক

এই সংখ্যা ছপা হৈ থাকোতেই এই খবৰ আহিল যে ভাৰতৰ সৰ্বশ্ৰেষ্ঠ লক্ষ্যভেদী চণ্ডীগড়ৰ অভিনৱ বিন্দ্ৰাই (২৫) বেইজিঙ অলিম্পিকত ১০ মিটাৰ এয়াৰ ৰাইফল প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰিছে। আধুনিক অলিম্পিকৰ ১১২ বছৰীয়া ইতিহাসত ভাৰতে এয়া প্ৰথমবাৰৰ বাবে ব্যক্তিগতভাৱে এটা স্বৰ্ণ পদক জয় কৰিলে। আমাৰ দেশক এই অসাধাৰণ সন্মান দিয়াৰ বাবে অভিনৱক চান্দমামাৰ হৈ আন্তৰিক অভিনন্দন জনোৱা হৈছে।

আৰোহণৰ অভিলেখ

এম্পায়াৰ ষ্টেট বিল্ডিঙতকৈ (৮৬টা মহলা আৰু ১৫৭৬টা খটখটীৰ পদক্ষেপ) ৪০০ মিটাৰ ওখ টাইপেই ১০১ নামৰ বিশ্বৰ সৰ্বোচ্চ স্কাইস্ক্ৰেপাৰৰ ৯১টা মহলা ১১ মিনিট ৩৯ চেকেণ্ডত আৰোহণ কৰি ইটালীৰ ৩০ বছৰীয়া মাৰ্ক দে গাছপেৰীয়ে এটা বিশ্ব অভিলেখ গঢ়িছে। ইয়াত তেওঁৰ লগতে আন ৮০জন প্ৰতিযোগী আছিল। ১১ মিনিট ৫৬ চেকেণ্ড লৈ জাৰ্মানীৰ থ'মা ড'ল্ডে দ্বিতীয় স্থান পায়। মহিলাসকলৰ ভিতৰত যোৱাবাৰৰ বিজয়ী অষ্ট্ৰিয়াৰ এন্দ্ৰিয়া মায়াৰে ১২ মিনিট ৫৪ চেকেণ্ড লয়।

কুকুৰ সন্মানিত

এটা জীৱন ৰক্ষা কৰিব পৰাকৈ ৰক্তদান কৰাটো মানৱতাৰ প্ৰতি কৰা এটা সেৱা বুলি গণ্য কৰা হয়। লাৰ্চ নামৰ এটা দুবছৰীয়া ইংৰাজ কুকুৰে বিপদত পৰা আন কুকুৰে ব্যৱহাৰ কৰিব পৰাকৈ ২০ বাৰ ৰক্তদান কৰিছে। দৰাচলতে কুকুৰটোৰ গৰাকী আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিচিগানৰ জনি মেলভিন থিডিৰ মতে তেওঁৰ এই কুকুৰটোৱে প্ৰতি চাৰি সপ্তাহৰ মূৰে মূৰে এবাৰকৈ ৰক্তদান কৰে। সি দিয়া ৰক্তই ইতিমধ্যে কেইবাটাও কুকুৰক সহায় কৰিছে। লাৰ্চৰ ওজন ৯০ কিলোগ্ৰাম আৰু প্ৰতিমাহে সি ৯০ কিলোগ্ৰাম ওজনৰ খাদ্য খায়। ৰেড ক্ৰচৰ মিচিগান শাখাই ইতিমধ্যে লাৰ্চক "পোহনীয়া কুকুৰৰ শ্ৰেষ্ঠ বন্ধু" সন্মানেৰে বিভূষিত কৰিছে।

ধৃষ্টদ্যুম্ন

যিজনে পিতাকক অপমান কৰিছিল, তেওঁক প্ৰতিশোধ ল'বলৈ, তেওঁক সংহাৰ কৰিবলৈ যজ্ঞকুণ্ডৰপৰা উৎপন্ন হৈছিল ধৃষ্টদ্যুম্ন। তেওঁৰ পিতাক পাঞ্চাল ৰজা দ্ৰুপদক ঘোৰ অপমান কৰিছিল বলৱান শত্ৰু দ্ৰোণই। তেওঁক নিধন কৰাই আছিল ধৃষ্টদ্যুম্নৰ একমাত্ৰ লক্ষ্য।

কোৱা হয় কৃষ্ণ আৰু সুদামা আছিল অন্তৰংগ বন্ধু। তেওঁলোকৰ মৈত্ৰীক প্ৰেম আৰু অনুৰাগৰ জীৱন্ত উদাহৰণ বুলি ধৰা হয়। ইয়াৰ সম্পূৰ্ণ বিপৰীত উদাহৰণ হ'ল বাল্যবন্ধু দ্ৰুপদ আৰু দ্ৰোণৰ মাজত থকা শত্ৰুতা। এই দুয়োজনে অহংকাৰজনিত দৃষ্টিভংগীৰে নিজৰ জীৱন কলুষিত কৰি তুলিছিল।

দ্ৰোণ আছিল ভৰদ্বাজ ঋষিৰ পুত্ৰ। বেদ অধ্যয়ন সমাপ্ত কৰি অস্ত্ৰবিদ্যা শিকিবলৈ তেওঁ অগ্নিৱেশ নামৰ এজন গুৰুৰ শিষ্য হৈছিল। তেওঁ গুৰুৰ পৰা আগ্নেয় অস্ত্ৰ প্ৰাপ্ত কৰিছিল। একে সময়তে পাঞ্চাল ৰজা বৃষভৰ পুত্ৰ দ্ৰুপদও অস্ত্ৰবিদ্যা শিকিবলৈ তাতে বিদ্যাভ্যাস কৰি আছিল। একেজন গুৰুৰপৰা অস্ত্ৰবিদ্যা শিকাৰ বাবে দুয়োৰে মাজত এটা ভাল বন্ধুত্ব স্থাপন হৈছিল। দুয়ো একেটা গুৰুকুলতে থাকি একেলগে ধনুৰ্বিদ্যাৰ অভ্যাস কৰিবলৈ ল'লে।

বিদ্যাভ্যাস সমাপ্ত কৰি পিতাকৰ পাছত দ্ৰুপদ পাঞ্চাল ৰজাৰ ৰজা হ'ল।

দ্ৰোণই কৃপৰ ভগ্নীক বিবাহ কৰিলে আৰু তেওঁলোকৰ অশ্বত্থামা নামৰ এটি পুত্ৰৰ জন্ম হ'ল। এতিয়া তেওঁ জীৱিকা অৰ্জন কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ প্ৰচেষ্টা সফল নহ'ল। যেতিয়া তেওঁ গম পালে যে পৰশুৰামে দান ধৰ্ম কৰি আছে তেতিয়া তেওঁ পৰশুৰামৰ ওচৰলৈ গ'ল। কিন্তু পৰশুৰামৰ ওচৰত দান দিবলৈ একোৱেই বাকী নাছিল। তেওঁৰ হাতত যিমানখিনি আছিল, সকলো তেওঁ দান দি শেষ কৰিলে। পৰশুৰামৰ হাতত

পৌৰাণিক যুদ্ধৰ নায়ক-৪

থকা দিব্যাস্ত্র লৈয়েই দ্রোণ গুচি আহিল। তেওঁ ভাবিলে বাল্যবন্ধু দ্রুপদৰ ওচৰলৈ যোৱাই ভাল হ'ব। মনত বহুত আশা লৈ দ্রোণ ৰজা দ্রুপদৰ ওচৰলৈ গ'ল।

কিন্তু সিংহাসনত আৰোহণ কৰাৰ পাছত দ্রুপদ অহংকাৰত মজি গৈছিল। দ্রোণৰ কথাত তেওঁ গুৰুত্বই নিদিলে। বৰঞ্চ দ্রোণক তেওঁ অপমান কৰি ক'লে, "তোমাৰ দৰে দৰিদ্ৰৰ লগত মোৰ মিত্ৰতা সম্ভৱ হ'ব কেনেকৈ? মই তোমাক চিনি নাপাওঁ। তুমি তৎক্ষণাৎ ইয়াৰপৰা গুচি যোৱা।"

যেতিয়া সময়ে লগ নিদিয়ে তেতিয়া নিজৰ ছাঁৰেও প্ৰতাৰণা কৰে। দ্রোণেই এই কঠোৰ সত্য বুজি পালে। তেওঁ মনতে পণ কৰিলে যে সময় আহিলে তেওঁ নিশ্চয় দ্রুপদক এটা ভাল পাঠ পঢ়াব আৰু এই অপমানৰ প্ৰতিশোধ ল'ব।

ইয়াৰ পাছত দ্রোণ হস্তিনাপুৰলৈ গ'ল আৰু কৌৰৱ পাণ্ডৱক ধনুৰ্বিদ্যা শিকাবলৈ ধৰিলে। তেওঁ তেওঁলোকৰ গুৰু হ'ল। ৰাজকুমাৰ-সকলক অসাধাৰণ বীৰ কৰি তোলাত তেওঁ সফল হ'ল। বিশেষকৈ অৰ্জুন ধনুৰ্বিদ্যাত অদ্বিতীয় প্ৰবীণ হৈ উঠিল। বিদ্যাভ্যাস সম্পূৰ্ণ হোৱাৰ পাছত দ্রোণেই ৰাজকুমাৰসকলক ক'লে, "মোক গুৰু দক্ষিণা লাগে," "কওক, আপোনাক কি লাগে?" ৰাজকুমাৰসকলে সুধিলে।

"ঐশ্বৰ্যৰ অহংকাৰত দ্রুপদ মত্ত হৈছে। তেওঁক ধৰি মোৰ ওচৰলৈ লৈ আনা।" দ্রোণই ক'লে।

গুৰুৰ আজ্ঞা শিৰোধাৰ্য কৰি প্ৰথমে কৌৰৱ ৰাজকুমাৰসকল গ'ল, কিন্তু দ্রুপদক পৰাভূত



কৰা তেওঁলোকৰ পক্ষে সম্ভৱ নহ'ল। তেওঁ-লোক বিফল হৈ ঘূৰি আহিল।

ইয়াৰ পাছত ভীম, নকুল, আৰু সহদেৱক লৈ অৰ্জুন দ্রুপদক ধৰি আনিবলৈ গ'ল। চাৰিওবীৰে যুদ্ধত দ্রুপদক হৰুৱাই ধৰি আনি গুৰুদক্ষিণাৰূপে দ্রোণৰ সমুখত সমৰ্পিত কৰিলেহি।

অপমানিত দ্রুপদক দেখি দ্রোণই তেওঁক ক'লে, "মোৰ সমুখত মূৰ দোঁৱাই থিয় হৈ থকা এইজন দ্রুপদ ৰজাইনে বাৰু? এতিয়া তুমি আৰু তোমাৰ ৰাজ্য তথা ৰাজধানী কোম্পিল্য নগৰ মোৰ অধীনস্থ হৈছে। এতিয়াও তুমি আমাৰ বাল্যবন্ধুত্বৰ কথা স্বীকাৰ কৰিবানে নাই। মই শাসকৰ লগতহে মিত্ৰতা কৰিব খোজো। কিন্তু এতিয়া তোমাৰ ৰাজ্যও নাই। এতিয়া তুমি দৰিদ্ৰ। তোমাৰ দৰে দৰিদ্ৰৰ লগত মোৰ মিত্ৰতা হ'ব কেনেকৈ?



তথাপি, বাল্যবন্ধু হোৱা বাবেই মই তোমাক আধাৰাজ্য প্ৰদান কৰিছো।" এইবুলি দ্ৰোণই দ্ৰুপদক উপহাস কৰিলে।

দ্ৰুপদ নীৰৱে থাকিল ঠিকেই, কিন্তু ভিতৰি ভিতৰি তেওঁ ক্ৰোধান্বিত হ'ল। দ্ৰোণক শেষ কৰিবলৈ, তেওঁক পৰাভূত কৰিবলৈ অৰ্জুনৰ দৰে বীৰক জোঁৱাই হিচাপে পোৱাৰ উদ্দেশ্যে তেওঁ এগৰাকী কন্যা জন্ম দিয়াব খুজিলে। তাৰবাবে তেওঁ তপোশক্তিসম্পন্ন ঋষি মুনিসকলৰপৰা সহায় বিচাৰিলে।

শেষত, য়াজ নামৰ মুনিৰ সহায় লৈ তেওঁ পুত্ৰকামেষ্টি যজ্ঞৰ আয়োজন কৰিলে। য়াজে অগ্নিকুণ্ডত যি আহুতি দিলে, তাৰপৰা এখন হাতত এখন জিকমিকাই থকা তৰোৱাল, আৰু আনখন হাতত ধনু লৈ, মণিময় কীৰিটি ধাৰণ কৰি ৰথত উঠি কেউদিশতে প্ৰতিধ্বনি তুলি সিংহনাদ কৰি এক যোদ্ধা আৰ্বিভূত হ'ল। তেওঁৱেই আছিল ধৃষ্টদ্যুম্ন। তাৰপাছত সেই অগ্নিকুণ্ডৰপৰা এক তেজস্বী স্ত্ৰী ওলাই আহিল। তেওঁৱেই আছিল দ্ৰৌপদী।

কিছু কাল পাৰ হোৱাৰ পাছত দ্ৰুপদে ধৃষ্টদ্যুম্নক দ্ৰোণৰ ওচৰত অস্ত্ৰবিদ্যা শিকিবলৈ প্ৰেৰণ কৰিলে। দ্ৰোণই তেওঁক ধনুৰ্বিদ্যা শিকাব খোজা নাছিল, কিন্তু অপযশৰ ভয়ত তেওঁক দ্ৰোণই ধনুৰ্বিদ্যা শিকালে।

দ্ৰৌপদীৰ সয়ম্বৰত ধৃষ্টদ্যুম্নই ঘোষণা কৰিলে এই পাঁচডাল বাণ তূণত ভৰাই তলৰ পানীত প্ৰতিবিম্ব চাই যি মাছৰ যন্ত্ৰটো তললৈ নমাই আনিব পাৰিব, তেওঁলৈকে মোৰ ভগ্নীক বিয়া দিয়া হ'ব।

যেতিয়া কোনো ৰজা বা ৰাজকুমাৰ এই প্ৰচেষ্টাত সফল নহ'ল তেতিয়া এজন ব্ৰাহ্মণ যুৱক লাহেকৈ উঠিল আৰু সয়ম্বৰ স্থল অভিমুখে আগবাঢ়ি গ'ল। তেওঁ অনায়াসে

পানীত মৎস্যৰ প্ৰতিবিম্ব চাই লক্ষ্য ভেদ কৰিলে।

তাৰপাছত পূৰ্ব ঘোষণা অনুসৰি দ্ৰৌপদীক লৈ তাৰপৰা গুচি গ'লগৈ।

দ্ৰৌপদীক বিবাহ কৰোঁৱা এই ব্ৰাহ্মণ যুৱকজননো কোন সেই কথা জানিবলৈ ধৃষ্টদ্যুম্ন মনে মনে তেওঁলোকৰ পিছে পিছে গ'ল। তেওঁলোকৰ কথা বতৰাৰপৰা গম পোৱা হ'ল যে, তেওঁলোক পাঁচজন ককাই ভাই। ভোজনৰ পাছত টোপনি যোৱাৰ আগতে যুদ্ধবিদ্যাৰ বিষয়ে আৰু বিবিধ অস্ত্ৰৰ প্ৰয়োগ সম্পৰ্কে তেওঁলোকে নিজৰ মাজতে কথা পাতি আছিল। যেতিয়া ধৃষ্টদ্যুম্নই নিশ্চিত হ'ল যে তেওঁলোক ব্ৰাহ্মণ নহয়, তেতিয়া তেওঁ পিতাকক আহি সকলো কথা ক'লেহি।

কুৰুক্ষেত্ৰ যুদ্ধত পাণ্ডৱৰ পক্ষ লৈ বীৰোচিত যুদ্ধ কৰিছিল ধৃষ্টদ্যুম্নই। ক্ৰৌঞ্চ বেহু, অৰ্ধচন্দ্ৰ বেহু, চিলনী বেহু, মকৰ বেহু, বজ্ৰবেহু, সৰ্বভদ্ৰ বেহু তথা কৌৰৱৰ আন আন বেহু ছিন্নভিন্ন কৰাত ধৃষ্টদ্যুম্ন আগৰণুৱা আছিল। তেওঁ কুৰুক্ষেত্ৰ যুদ্ধত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি পাণ্ডৱক বহুত সহায় কৰিছিল। দ্ৰোণ আদি বীৰৰ সৈতে তেওঁ বীৰোচিত যুদ্ধ কৰিছিল আৰু শেষত তেওঁৰ হাততেই দ্ৰোণই প্ৰাণ দিব লগীয়া হৈছিল।

ভীষ্মৰ পতনৰ পাছত দ্ৰোণ কৌৰৱৰ সেনাপতি হৈছিল। যেতিয়া তেওঁ ধৃষ্টদ্যুম্নৰ সৈতে ভীষণ যুদ্ধত লিপ্ত আছিল তেতিয়া ধৰ্মৰাজে ক'লে, "অশ্বত্থামাৰ মৃত্যু হৈছে," এই বিষাদপূৰ্ণ খবৰ শুনি দ্ৰোণ শোকাভিভূত হ'ল আৰু অস্ত্ৰ শস্ত্ৰ বিসৰ্জন দিলে। এইটোৱেই সোণালী সুযোগ বুলি ভাবি ধৃষ্টদ্যুম্নই দুৰ্যোধনৰ শিৰচ্ছেদ কৰিলে।

কৃষ্ণৰ সহায় লৈ ভীমে দুৰ্যোধনৰ উৰু দুটুকুৰা কৰিছিল।

যুদ্ধ সমাপ্তিৰ পাছত অশ্বত্থামা যেতিয়া দুৰ্যোধনৰ ওচৰলৈ গৈছিল, তেতিয়া তেওঁৰ দুৰ্দশা দেখি দুৰ্যোধনৰ ওপৰত অশ্বত্থামাৰ দয়া হৈছিল আৰু প্ৰতিজ্ঞা কৰিছিল যে সূৰ্যোদয়ৰ আগতেই তেওঁ পাণ্ডৱক হত্যা কৰিব। তেতিয়া তেওঁ পাণ্ডৱৰ শিবিৰলৈ গ'ল আৰু নিদ্ৰামগ্ন ধৃষ্টদ্যুম্নক বধ কৰিলে। বিড়ম্বনা আছিল এয়ে যে তেওঁ দ্ৰোণৰ পুতেকৰ হাততে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল।

মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১৫

মুম্বাইৰ পপুলাৰ প্ৰকাশন গোষ্ঠীৰ পৰিচালন সঞ্চালক ৰামদাস ভাটকালে মাৰাঠী আৰু ইংৰাজী দুয়োটা ভাষাতে এহেজাৰৰো অধিক গ্ৰন্থ প্ৰকাশ কৰিছে। তেওঁ মাৰাঠী প্ৰকাশনৰ বাবে ''মহাৰাষ্ট্ৰ ফাউণ্ডেছন অৱ ইউএছএ'' বঁটা আৰু ভাৰতীয় প্ৰকাশক মহাসংঘৰৰপৰা ''আউটষ্টেণ্ডিঙ পাব্লিছাৰ ইন্ ইংলিছ'' বঁটা লাভ কৰিছে। তেওঁ লিখা ''ডিগেচ'' আৰু ''মহামান্য'' নামৰ গ্ৰন্থ দুখনে যথাক্ৰমে মহাৰাষ্ট্ৰ চৰকাৰৰ পৰা আৰু মাৰাথৱাড়া সাহিত্য পৰিষদৰপৰা বঁটা লাভ কৰিছে। ''গান্ধী আৰু তেওঁৰ বিৰোধীসকল'' শীৰ্ষক গৱেষণা পত্ৰৰ বাবে তেওঁ মুম্বাই বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট উপাধি লাভ কৰিছে।

শত্ৰুতালৈ এখন দলঙ বন্ধুত্বলৈ এখন দলঙ

যাত্ৰী কঢ়িয়াবলৈ পৰিবহণ তেতিয়া ঠিক আৰম্ভ হৈছে। বাচবিলাকৰ আছিল পুৰণি ধৰণৰ হৰ্ন আৰু কেৱল জনাকীৰ্ণ বজাৰৰ মাজেদিয়েই নহয় আনকি জনশূন্য পথেদি বাচখন চলাই নিওঁতেই ড্ৰাইভাৰসকলে হৰ্ন বজাই যোৱাত বৰ আনন্দ পাইছিল। ৰাস্তাবোৰ আছিল ওখোৰা মোখোৰা আৰু যাত্ৰীসকলেও বাচত গৈ বেয়া পোৱা নাছিল।

অঞ্চলটোত আছিল অনেক নৈ আৰু নলা। বেছিভাগ নদীয়েই ফেৰীৰে পাৰ হ'ব লাগিছিল। আনটো ঘাটত যাত্ৰীসকলে বেলেগ এখন বাচত উঠিব লাগিছিল। কেতিয়াবা ফেৰীখন ইমানেই ডাঙৰ আছিল যে যাত্ৰীসকলৰ লগতে বাচখনো কঢ়িয়াই নিব পৰা গৈছিল। 'জাংগল' নামৰ এনে এখন ফেৰী নিৰ্মাণ কৰা হৈছিল দুখন একে ধৰণৰ বৃহৎ নাও সংলগ্ন কৰি আৰু তাত থকা কাঠৰ প্লেটফৰ্মখন বাচৰ দৰে ইমান গধুৰ ওজনৰ বস্তু কঢ়িয়াব পৰাকৈ শক্তিশালী আছিল।

এবাৰ ড্ৰাইভাৰ গোবিন্দ এটা নতুন ৰাস্তাৰে গৈ এটা নৈৰ ঘাট পালেগৈ। তেওঁ দেখি আচৰিত হ'ল যে নৈখনৰ ওপৰত এখন দলঙ আছে আৰু আনটো ঘাটলৈ দলঙৰ ওপৰেদি গাড়ী চলাই যাব পৰা যায়। তেওঁৰ অলপ উদ্বিগ্নতাও হৈছিল, কিয়নো তাৰ আগতে তেওঁ এনেকুৱা এখন দলঙ দেখা নাছিল। তেওঁ সাৱধানে দলঙৰ ওপৰেদি গাড়ীখন চলাই লৈ গ'ল।

খন্তেক সময়ৰ পাছতে তেওঁ লক্ষ্য কৰিলে বিপৰীত দিশৰপৰা আন এখন বাচ তেওঁৰ ফালেই আহি আছে। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ বাচৰ চকাই দলঙখন প্ৰথমতে স্পৰ্শ কৰিছে আৰু সেয়েহে আনখন বাচ পিছলৈ যাব লাগে। তেওঁ অৱশ্যে জনা নাছিল যে আনখন বাচৰ ড্ৰাইভাৰ গোপালেও ঠিক একেটা কথাই ভাবিছে। গোবিন্দ আৰু

গোপাল দুয়ো নিজৰ নিজৰ বাচখন দলঙৰ সোঁমাজলৈ আনিলে।

দুয়ো নামি আহিল আৰু কোনে বাচখন পিছুৱাই দিয়া উচিত আৰু কোন আগবাঢ়ি যোৱা উচিত এই তেনেই সাধাৰণ বিষয়টো লৈ তৰ্ক কৰিবলৈ ধৰিলে। প্ৰথমতে ধেমালিতে আৰম্ভ হোৱা বিবাদে লাহে লাহে অশ্ৰাব্য ৰূপ ল'লে।

দুয়ো এনেকুৱা উদ্ভত যুক্তি দাঙি ধৰিলে যে সেইবোৰ শুনিলে আগশাৰীৰ অধিবক্তায়ো লাজত মূৰ তললৈ কৰিব। গোবিন্দই দাবী কৰিলে তেওঁ দলঙখনত প্ৰথমে উঠিছে। গোপালে তেওঁৰ বাচত বেছি যাত্ৰী থকা বুলি দাবী কৰিলে। গোবিন্দৰ বাচখন আছিল একেবাৰে নতুন। গোপালে দাবী কৰিলে এই পথেদি তেওঁ বহুদিন ধৰি অহা-যোৱা কৰি আছে আৰু আজিলৈকে তেওঁৰ এনে অৱস্থা হোৱা নাই। গতিকে তেওঁনো নিজেই নিজৰ ৰেকৰ্ড ভাঙিব কিয়? সোনকালেই বাচখনৰ যাত্ৰীসকলৰ মাজতো বাদ প্ৰতিবাদ আৰম্ভ হ'ল। কথা কটাকটিয়ে লাহে লাহে হতাহতিৰ ৰূপ ল'লে। সোনকালেই এটা বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'ল। বাচখনৰ ক্ষতি সাধন কৰা হ'ল, আইনা ভঙা হ'ল আৰু বহুতো যাত্ৰী আহত হ'ল, কিছুমানৰ টোপোলা নদীত পেলাই দিয়া হ'ল। সৌভাগ্যক্ৰমে কোনো মানুহে প্ৰাণ দিবলগীয়া হোৱা নাছিল। ওচৰৰ গাঁওবাসীয়ে আহত সকলক শুশ্ৰূষা কৰিবলৈ আগবাঢ়ি আহিল।

তাৰপৰা নাতিদূৰত নৈখন অলপ ঠেক হৈ আহিছে। সম্ভৱ এজোপা গছ নিজে নিজে বাগৰি সেই ঠাইত ইপাৰৰপৰা সিপাৰলৈ এটা পথ গঢ়ি তুলিছে বা গাঁৱৰে কেইজনমান উদ্যমী লোকে এজোপা গছ কাটি আনি নৈ পাৰ হোৱাৰ বাবে গছজোপা তাত আনি থৈছেহি। দুঃসাহসী যুৱকসকলে গছজোপাইদি নৈখন পাৰ হ'ব পাৰে, অৱশ্যে বেচ সাৱধানে।



Exclusively for Chandamama Readers!

Do you want to be a whiz kid? SIP Academy has a lot of cool programmes, like an International Art Programme, International Abacus and Brain Gym. Enrol TODAY at any one of 455 centres across India and get 15% off!

এটা দাম্ভিক ছাগলী। মানুহৰ দৰে সিয়ো এদিন ভাবিলে নৈখনৰ আনটো পাৰত ঘাঁহ হয়তো বেছি হ'ব। তাকে ভাবি সি গছজোপাইদি খোজ কাঢ়ি যাবলৈ ঠিক কৰিলে। তাৰ নিৰাপদ ভ্ৰমণ সুনিশ্চিত কৰিব পৰাকৈ গাগছডাল বেচ বহল আছিল।

কিছুদূৰ যোৱাৰ পাছতে ছাগলীটোৱে মন কৰিলে আনফালৰপৰা এটা সবল সুঠাম ছাগলী তাৰ ফাললৈকে আহি আছে। আগবাঢ়ি যাওঁতে সি ভাবি গ'ল আজি এখুন্দা লাগিবলৈ বৰ মজা লাগিব।

সিতো তাৰ ধুনীয়া শিঙদুটা লৈ খুব গৌৰৱ কৰে। এতিয়া চোৱা যাব কোন কিমান পানীৰ মাছ, সি নে আনফালৰ পৰা অহা সেই ফিতাহি মাৰিব খোজা ছাগলীটো! আজিয়েই এটা সিদ্ধান্ত কৰি থাকিব লাগিব। তাৰ প্ৰতিদ্বন্দ্বীৰ ওচৰ পোৱাৰ খন্তেক আগেয়ে সি তলৰ নৈখনৰ বোঁৱতী পানীৰ ফালে চালে।

দুয়োটা তাতেই গৈ পৰিব লাগিব। সি বুজি পালে উপায় এটাই আছে। সি তাৰ আগঠেঙ দুটা বেঁকা কৰি গাগছজোপাৰ ওপৰত বহি দিলে আৰু তাৰ প্ৰতিদ্বন্দ্বীলৈ এটা ইংগিত কৰিলে।

আনটো ছাগলীয়েও নৈখনলৈ চালে আৰু নীৰৱে সি বহি দিয়া বন্ধু ছাগলীটোৰ গাৰ ওপৰেদি জাঁপ মাৰি আনটো পাৰৰ ফালে আগবাঢ়ি গ'ল। দুয়োটা ছাগলীয়ে অধিক সেউজীয়া ঘাঁহ বিচাৰি নিজৰ নিজৰ যাত্ৰা অব্যাহত ৰাখিলে আৰু ধেমালি ধেমালিকৈ লাগিম বুলি ভবা যুদ্ধখন অলপ পাছলৈ থ'লে।



ভগৱানৰ বেশভূষা

হিন্দু ভক্তসকলে সাধাৰণতে দিনত এটা সময়তহে মন্দিৰলৈ গৈ 'দৰ্শন' লাভ কৰে আৰু সেই সময়ত তেওঁলোকে দেৱতা বা দেৱীৰ মূৰ্ত্তিক কি পোছকেৰে সুশোভিত কৰা হৈছে তাক চাই সময় খৰচ মকৰে। উৰিষ্যাৰ পুৰীৰ বিখ্যাত জগন্নাথ মন্দিৰে কেইদিনমান আগেয়ে প্ৰভু জগন্নাথ, প্ৰভু বলভদ্ৰ আৰু দেৱী সুভদ্ৰাই পৰিধান কৰা ৩২ যোৰ বিভিন্ন পোছাকৰ এখন ৰাজহুৱা প্ৰদৰ্শনী আয়োজন কৰে। এই প্ৰদৰ্শনী চাই ভক্তসকল বিমুগ্ধ হয়। এগৰাকী ভক্তই মন্তব্য দিয়ে, "মানুহ যেতিয়া মন্দিৰলৈ যায়, মূল উদ্দেশ্য হয় দৰ্শন, এই প্ৰদৰ্শনী সেয়েহে আমাৰ বাবে শিক্ষামূলক আৰু প্ৰেৰণাদায়ক হৈছে।"

তোলনীয়া বাঘ

বাঘ হ'ল ভাৰতৰ ৰাষ্ট্ৰীয় জন্তু। কুৰি শতিকাৰ প্ৰথম দশকত আমাৰ অৰণ্যসমূহত প্ৰায় ৪০০০০ বাঘ আছিল। ষাঠি বছৰৰ পাছত, ১৯৭২ চনত সম্পন্ন পিয়লত ওলাই পৰিল যে বাঘ মাত্ৰ ১৮০০ টাহে আছেগৈ। তেতিয়াই আৰম্ভ কৰা হ'ল "প্ৰজেক্ট টাইগাৰ"নামৰ এখন আঁচনি আৰু কেইখনমান ৰাষ্ট্ৰীয় উদ্যানক বাঘৰ সংৰক্ষিত অঞ্চল বুলি ঘোষণা কৰা হ'ল।

আচৰিত কথা, এই বছৰৰ প্ৰাৰম্ভতে গম পোৱা হ'ল যে সংৰক্ষিত বনাঞ্চলসমূহত বাঘ আছেগৈ মাত্ৰ ১৪০০টা। বাঘক সুৰক্ষা দিয়াৰ সামৰ্থ্য বাৰু আমাৰ নাইনে? উৰিষ্যাৰ নন্দনকানন টাইগাৰ ৰিজাৰ্ভে অলপতে এখন অনন্য আঁচনিৰ কথা ঘোষণা কৰিছে; এক নিৰ্দিষ্ট পৰিমাণৰ ধন দি কোনোবোই ইচ্ছা কৰিলে এটা বাঘক তুলি ল'ব পাৰে।

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-৩৩

বিজয়ীৰ অন্তিম বিজয়

সন্দেহ নাই বাবৰৰ (১৪৮৩-১৫৩০) জীৱনটো হ'ল সাহস, কষ্ট স্বীকাৰ কৰাৰ ইচ্ছা আৰু দুঃসাহসিক অভিযানৰ প্ৰতি থকা বাসনাৰদ্বাৰা লাভ কৰিব পৰা সফলতাৰ চানেকি। তেওঁ আছিল চমৰকণ্ডৰ সন্ত্ৰাস টাইমূৰলাঙৰ ৰাজ্য ফাৰঘানাৰ যুৱৰাজ আৰু মাকৰ ফালৰপৰা নিষ্ঠুৰ মংগোল যোদ্ধা চেংগিজ খাঁৰ উত্তৰাধিকাৰী।

ফাৰঘানা এখন সৰু ৰাজ্য আছিল আৰু বাবৰে এঘাৰ বছৰ বয়সতে দেউতাকৰপৰা উত্তৰাধিকাৰীসূত্ৰে এই ৰাজ্য লাভ কৰিছিল। পিছে এক ষড়যন্ত্ৰৰ বলি হৈ তেওঁ ৰাজপ্ৰাসাদ এৰিবলগীয়া হৈছিল। তেওঁ এশ বছৰতকৈয়া অধিক বয়সৰ এগৰাকী মহিলাৰ জুপুৰীত

আশ্ৰয় লৈছিল আৰু তেওঁৱেঁই বাবৰৰ অন্তৰত জয় কৰাৰ বাসনা জাগ্ৰত কৰিছিল। "তোমাৰ পূৰ্বপুৰুষ টাইমূৰ আৰু চেংগিজে কৰিব পৰা কাম তুমি কৰিব নোৱাৰিবা কিয়?" বৃদ্ধাই প্ৰায়ে কৈছিল।

বাবৰে এটা সৰু সেনাবাহিনী গঠন কৰি একৈছ বছৰ বয়সতে কাবুল অধিকাৰ কৰি ভাৰত অভিমুখে অগ্ৰসৰ হৈছিল। সেই সময়ত দিল্লী দুৰ্বল শাসক ইব্ৰাহিম লোডীৰ অধীনস্থ আছিল। সিংহাসনৰ ওপৰত চকু ৰখা তেওঁৰ খুৰাক আলম খান আছিল ইব্ৰাহিম লোডীৰ শত্ৰু। আলম খান আৰু পঞ্জৰ শাসনৰ বাবে নিযুক্ত দৌলত খানে বাবৰক ভাৰত আক্ৰমণ কৰিবলৈ আমন্ত্ৰণ দিলে। এই দুয়োগৰাকী বিশ্বাসঘাতকে টাইমূৰ আৰু চেংগিজে কৰাৰ দৰে বাবৰে লুটপাত কৰি ভাৰত এৰি যোৱাৰ পাছত সিংহাসনত আৰোহণ কৰাৰ আশা পুহি ৰাখিছিল। বাবৰে আনন্দমনে এই আমন্ত্ৰণ গ্ৰহণ কৰি পাঞ্জাৱ অধিকাৰ কৰিলে, কিন্তু তেওঁ ভাৰত এৰি যোৱাৰ কোনো লক্ষণ নেদেখুৱালে। হতাশাগ্ৰস্ত দৌলত খান বাবৰৰ শত্ৰু হৈ পৰিল। বাবৰ ঘূৰি গৈ লগত এটা ডাঙৰ সেনাবাহিনী লৈ আকৌ আহিল, দৌলত খানক পৰাভূত কৰি বন্দী কৰিলে আৰু বিখ্যাত পানীপথৰ যুদ্ধত ইব্ৰাহিম লোডীক নিধন কৰে।

এইদৰেই তেওঁ ভাৰতত মোগল সাম্ৰাজ্যৰ

ভেঁটি স্থাপন কৰিছিল আৰু ব্ৰিটিছ অহাৰ আগলৈকে ভাৰতত ৰাজত্ব আৰম্ভ কৰিছিল।

ইয়াত আমি গুৰুত্ব দিম বাবৰৰ ব্যক্তিত্বৰ মানৱীয় দিশটোৰ ওপৰত যিটো পৰিষ্কাৰকৈ দেখা যায় তেওঁৰ জীৱনৰ শেহৰটো ঘটনাত। ঐতিহাসিক আবুল ফজলেও এই ঘটনাৰ কথা উল্লেখ কৰিছে।

এবাৰ বাবৰৰ পুতেক হুমায়ুন অসুস্থ হ'ল। সেই সময়ৰ সকলোবোৰ বিখ্যাত চিকিৎসকক হুমায়ুনৰ চিকিৎসাৰ কামত লগোৱা হৈছিল, কিন্তু ৰোগীৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাইছিল। গোটেই পৰিস্থিতিটোত বাবৰ চৰম হতাশাত ভুগিছিল; হিন্দুস্থান জয় কৰিব পৰাকৈ তেওঁৰ শক্তি আছে, কিন্তু এজন মানুহৰো, তাকো নিজৰ পুতেকৰ প্ৰাণ ৰক্ষা কৰিবলৈ তেওঁ অপাৰগ। তেওঁ চিকিৎক-সকলক কৰযোৰে অনুৰোধ কৰিলে পুতেকক আৰোগ্য কৰিবলৈ যেন সম্ভৱপৰ সকলো কাম কৰা হয়, আনকি ইয়াৰ বাবে খৰচৰ জোৰা মাৰিবলৈ সমগ্ৰ ৰাজ্য ত্যাগ কৰিবলৈয়ো তেওঁ সাজু আছে।

চিকিৎকসকলে নিজৰ দায়িত্ব পালন কৰিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলালে। কিন্তু তেওঁলোক সফলকাম নহ'ল। শেষত, মুখ্য চিকিৎসক বাবৰৰ সমুখলৈ আহি মূৰ দোঁৱাই থিয় হ'ল।

"কোৱা বন্ধু, কিবা ক'বলৈ আছে নেকি?" বাবৰে সুধিলে।

"মহাৰাজ, মোক ক্ষমা কৰিব, যুৱৰাজৰ জীৱনৰ আৰু আশা নাই। যিকোনো মুহূৰ্ত্তত তেওঁৰ শেষ ক্ষণটো আহিব পাৰে," চকু মোহাৰি চিকিৎসকজনে ক'লে।

বাবৰে উদাস দৃষ্টিৰে তেওঁলৈ চালে। তাৰ পাছত তেওঁ আঁঠু কাঢ়ি বহিল, দুগালে দুধাৰি অশ্ৰু, বাগৰি আহিল, তেওঁ গুণগুণালে, "হে সৰ্বনিয়ন্তা, মোৰ পুত্ৰৰ জীৱনৰ বিনিময়ত তুমি মোৰেই প্ৰাণ লোৱা। ল'ৰাটো জীয়াই থাকক আৰু মোক মৰিবলৈ দিয়া।" দীৰ্ঘ সময় ধৰি তেওঁ প্ৰাৰ্থনাৰত হ'ল আৰু তাৰপাছত নীৰৱে পুতেকৰ বিচনাৰ ওচৰত বহি ল'লে, পুতেকৰ মূৰত তেওঁ নিজৰ হাতৰ তলুৱাৰে ঘঁহি থাকিল।

কেইঘন্টামানৰ ভিতৰতে যুৱৰাজে চকু মেলিলে আৰু তেওঁৰ চকুৰে মুখে প্ৰশান্তিৰ চিন ফুটি উঠিল, কিন্তু বাবৰৰ চকুদুটা নিস্তেজ হৈ আহিল, তেওঁ পুতেকে যি অসুস্থতাত ভুগি আছিল সেই একেই লক্ষণ দেখুৱাবলৈ ধৰিলে। তেওঁ শৰ্যাশায়ী হ'ল আৰু তিনিমাহৰ ভিতৰতে শেষ নিঃশ্বাস ত্যাগ কৰিলে।

- মনোজ দাস



বীৰবলৰ কাহিনী-১৩

চুঙা চাই সোপা

সম্রাট আকবৰৰ ৰাজসভাত বীৰবল আছিল সবাতোকৈ বুদ্ধিয়ক। তেওঁ নাকটো মোহাৰি-য়েই বুদ্ধি ওলোৱাত সিদ্ধহস্ত আছিল। সেয়েহে তেওঁ সম্রাটৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল।

ৰাজবৈদ্য হাকিম জালিম খানকে ধৰি কেইজনমান সভাসদে বীৰবলক খুব ঈৰ্ষা কৰিছিল। তেওঁলোক আছিল বীৰবলক ৰাজসভাৰপৰা বাহিৰ হৈ যাবলৈ বাধ্য কৰা পৰিস্থিতিৰ অপেক্ষাত।

এবাৰ সম্রাট জ্বৰত ভুগি শৰ্যাশায়ী আছিল। হাকিম জালিম খানক মাতি পঠিওৱা হ'ল। তেওঁ যাবলৈ সাজু হওঁতেই কেইজনমান সভাসদ সোমাই আহিল।

হাকিমে ক'লে, "মোৰ বৰ লৰালৰি, সম্রাট নৰিয়াত পৰিছে।"

"আমি জানো। সেয়েহে আমি আপোনাক লগ পাম বুলিয়েই বেগাই আহিলো।" এজন সভাসদে ক'লে।

"আমি কোৱা মতে কাম কৰক, দেখিব বীৰবলে মুখ লুকুৱাবলৈ ঠাই বিচাৰি নোপোৱা হৈছে।" আন এজনে ক'লে।

"বীৰবলক ৰজাৰ আগত হেয় প্ৰতিপন্ন কৰিবলৈ মই যিকোনো কাম কৰিবলৈ সাজু আছো," হাকিমে দাঁত নিকটাই ক'লে।

সভাসদসকলৰ সবাতোকৈ বয়সস্থজনে তেওঁলোকৰ পৰিকল্পনাৰ বিষয়ে হাকিমৰ কাণে কাণে ক'লেহি। হাকিমৰ চকু ডাঙৰকৈ মেল খালে।

সভাসদসকলে বিদায় ল'লে। হাকিম খৰখেদাকৈ ৰাজসভালৈ গ'ল। সম্রাট শৰ্যাশায়ী আছিল, দেখাতেই ধৰিব পৰা গৈছিল যে সম্রাটে বৰ কষ্ট ভুগি আছে।

হাকিমে সম্রাটক পৰীক্ষা কৰিলে, তেওঁ সিদ্ধান্তলৈ আহিল যে সম্রাটৰ কোনো ধৰণৰ গুৰুতৰ শাৰীৰিক জটিলতা হোৱা নাই। সম্রাটে মাত্ৰ অতিশয় শাৰীৰিক কষ্টৰ মূৰত এতিয়া কেইদিনমান জিৰণি ল'ব লাগিব।

পিছে এই কথাখিনি হাকিমে সম্রাটৰ আগত প্ৰকাশ নকৰিলে। তেওঁ বৰঞ্চ সম্রাটক বৰ গহীন গম্ভীৰ মাতেৰে ক'লে, "এইটো বৰ ডাঙৰ বেমাৰ হৈছে জাহাপানা। পিছে এই ৰোগৰ সঠিক চিকিৎসা মোৰ ওচৰত আছে। পিছে..." তেওঁ এখন্তেক ৰ'ল।

ষাড়গৰুৰ গাখীৰৰ লগত খাব পাৰিলে এই ঔষধে সোনকালে কাম দিয়ে।

"ষাড়গৰুৰ গাখীৰ?" সম্রাটে নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালে।

"হয় জাহাপানা, কিছুমান ষাড়ে গাখীৰ দিয়ে, অৱশ্যে, ইহঁতক বিচাৰি উলিওৱাহে টান।" হাকিমে উত্তৰ দিলে।

"কিন্তু গাখীৰ দিয়া ষাড় এটা বিচাৰি আনিব কোনে?" সম্রাটে সুধিলে।

"জাহাপানা, মই ভাবো এই কামৰ বাবে উপযুক্ত ব্যক্তি হৈছে বীৰবল। কোনো কামতে আজিলৈকে তেওঁ জাহাপানাক অসন্তুষ্ট কৰিব পৰা নাই।" হাকিমে পৰামৰ্শ দিলে।

"বীৰবল? তেওঁ পাৰিবনে বাৰু?" সম্রাটৰ সন্দেহ হ'ল।

"গাখীৰ দিব পৰা ষাড় বিচাৰিব পৰা মানুহ এজনেই আছে, তেওঁ হ'ল বীৰবল।" হাকিমে জোৰ দি ক'লে। তেওঁ সম্রাটক এসপ্তাহৰ বাবে সম্পূৰ্ণ জিৰণি ল'বলৈ পৰামৰ্শ দিলে। "সম্ভৱ হয় যদি, এই গুড়িখিনি ষাড়ৰ গাখীৰৰ লগত মিলাই দিনে চাৰিবাৰকৈ খাব। নহ'লে গাইগৰুৰ গাখীৰেও কাম চলিব, পিছে আৰোগ্য হওঁতে কিছু সময় লাগিব পাৰে।" এইবুলি কৈ হাকিমে কিবা গুড়ি থকা এটা টোপোলা এজন ভৃত্যৰ হাতত তুলি দি মূৰ দোঁৱাই সম্রাটৰপৰা বিদায় মাগিলে।

বীৰবলক মাতি পঠিওৱা হ'ল। "আপুনি কেনে আছে শ্বাহেনশ্বাহ?" বীৰবলে সুধিলে।

"ভাল নহয়, বীৰবল। হাকিমে কৈছে এই ঔষধটো ষাড়ৰ গাখীৰৰ লগত মিলাই খাব পাৰিলে মই হেনো সোনকালে ভাল পাম।"

"মইতো ষাড়ে গাখীৰ দিয়া কাহানিও শুনা নাই!" বীৰবল আচৰিত হ'ল।

"হাকিমে কৈছে গাখীৰ দিয়া দুই চাৰিটা ষাড় আছে বুলি তেওঁ হেনো নিশ্চিত। পিছে সেইবোৰ পায় ক'ত তাকেহে তেওঁ নাজানে। তেওঁৰ মতে তুমিহে হেনো এনেকুৱা ষাড় এটাৰ গাখীৰ আনিব পাৰিবা।" সম্রাটে বীৰবলৰ ফালে আশাৰে চালে।

"মই ষাড়ৰ গাখীৰ আনিব পাৰিম?" বীৰবলে অভিসন্ধিৰ গোন্ধ পালে।

"নিশ্চয়, মোৰ কাৰণে তুমি আনিব নোৱাৰিবানে বীৰবল?"

"হজুৰ, আপোনাৰ কাৰণে মই যিকোনো কাম কৰিবলৈ সাজু আছো।" তৎক্ষণাৎ সম্রাটক মূৰ দোঁৱাই বীৰবল ওলাই আহিল।

হাকিমে যে তেওঁক বিপাঙত পেলাবলৈ বুদ্ধি পাঙিছে তাত বীৰবলৰ অলপো সন্দেহ নহ'ল। ঘৰ গৈ পোৱালৈকে তেওঁৰ গোটেই

আঁচনি পৰিস্কাৰ হৈ পৰিল। তেওঁ নিজৰ বুদ্ধিমতী ছোৱালীজনীক ওচৰলৈ মাতি আনি তেওঁৰ সমস্যাৰ কথা বুজাই দিলে।

"ষাড়ে গাখীৰ দিয়ানো কোনোবাই শুনিছেনে?" জীয়েকে সুধিলে।

"হাকিমে শুনিছে, কিন্তু তেওঁ হেনো বিচাৰিব নোৱাৰে। আৰু তেওঁ আশা কৰিলে বস্তুটো মই সোনকালে বিচাৰি আনো।"

"হাকিমে বাৰু আপোনাক ঘৃণা কৰে নেকি? তেওঁ আপোনাৰ শত্ৰু নেকি?" জীয়েকে সুধিলে।

বীৰবলে মূৰ দুপিয়ালে। "কি কৰিব লাগে মই তোমাক কম," এইবুলি বীৰবলে জীয়েকক কাণে কাণে নিজৰ আঁচনিৰ কথা ক'লে।

"দেউতা মৰো যদি আপোনাৰ দৰে বুদ্ধিমতী হলোহেঁতেন," জীয়েকে মিচিকিয়াই হাঁহিলে।

"তুমি বুদ্ধিমতী ছোৱালী। আজি নিশাই আমাৰ আঁচনি কাৰ্যৰূপায়িত কৰিবলৈ সাজু হোৱা," দেউতাকে মৰমেৰে জীয়েকৰ পিঠি মোহৰি দিলে।

মাজনিশা লগত এজন বিশ্বস্ত ভৃত্য লৈ বীৰবলৰ জীয়েক নৈখনৰ ফালে ওলাল। দুয়ো লগত এটোপোলা কাপোৰ আৰু কাপোৰ ধোৱাৰ সময়ত ধূলি মাকতি গুচাবলৈ এডাল শকত লাঠি ল'লে। দুয়ো এনে এটা ঘাটলৈ গ'ল য'ত প্ৰাসাদৰ ওচৰেদি নৈখন বৈ গৈছে। বোৱতী পানীৰ ওচৰতে থকা প্ৰকাণ্ড শিল এটালৈ তেওঁলোকে কাপোৰখিনি লৈ গ'ল, ছোৱালীজনীয়ে এটা এটাকৈ কাপোৰবোৰ উলিয়ালে। তাই প্ৰতিটো কাপোৰ পানীত জুবুৰিয়ালে, শিলত মেলি ধৰিলে আৰু শকত লাঠিডালেৰে কোবাবলৈ ধৰিলে। শিলত লাঠিৰ বাৰম্বাৰ আঘাতে ডাঙৰ শব্দৰ সৃষ্টি কৰিলে। একে সময়তে তাই চিঞৰি চিঞৰি ভৃত্যজনৰ লগত কথা পাতি থাকিল।

এই দুয়োটা কথাই ইমান বেছি হুলস্থূলৰ সৃষ্টি কৰিলে যে সম্রাটৰ টোপনিত ব্যাঘ্যাত জন্মিল। সম্রাটৰ শোৱানিকোঠাটো ওচৰতে আছিল। খঙত একোনাই হৈ তেওঁ ঘন্টা বজালে। এজন প্ৰহৰী উধাতু খাই আহিল। "সেই চিঞৰ বাখৰবোৰ শুনিছানে?" সম্রাট গৰজি উঠিল।

প্ৰহৰীজনেও লাঠিৰ শব্দ আৰু হাঁহি খিকিগুলি শুনিছিল। তেওঁ মূৰ দুপিয়ালে।

"যোৱা আৰু গম লোৱাগৈ এই মাজনিশা ঘাটত কোনে কাপোৰ ধুইছে। সিহঁতে ইমান

চিঞৰ বাখৰ কৰিছে কিয়? মই চকুৰ টিপ এটাবে মাৰিব পৰা নাই। এতিয়াই সিহঁতক খেদি পঠিওৱাগৈ।" সম্রাটে আদেশ দিলে।

প্ৰহৰীয়ে মূৰ দোঁৱাই খৰখেদাকৈ ৰাজ-প্ৰাসাদৰপৰা বাহিৰ ওলাই ঘাটলৈ গ'ল। তেওঁ দেখিলে এজনী সৰু ছোৱালীয়ে কাপোৰ ধুই আছে। তাইৰ কাষতে আঁঠুলৈকে থকা পানীত ভৰি দি এজন ভৃত্য থিয় দি কাপোৰবোৰ ধুই আছে।

"হেৰা ছোৱালীজনী, এইটো কাপোৰ ধোৱাৰ সময় নেকি? তুমি এই কাম দিনত কৰিব নোৱৰা কিয়?" প্ৰহৰীয়ে শূন্যতে নিজৰ তৰোৱালখন ঘূৰাই ক'লে।

"নৈখন কিবা দিনতহে বয় নেকি?" ছোৱালীজনীয়ে প্ৰহৰীলৈ চাই হাঁহি মাৰিলে।

"তৰ্ক নকৰিবা। তুমি বিপদত পৰিবা।" প্ৰহৰীয়ে সাৱধান কৰি দিলে।

"বিপদ! কাপোৰ ধুৱাৰ বাবে মই কেতিয়াও বিপদত নপৰোঁ। অন্ততঃ শ্বাহেনশ্বাহৰ ৰাজ্যত এনে নহয়। তেওঁ যে কিমান দয়ালু আৰু ন্যায়পৰায়ণ," ছোৱালীজনীয়ে যুক্তি দিলে।

"তোমালোকে ইমান হুলস্থূল কৰিছা যে শ্বাহেনশ্বাহৰ টোপনিত ব্যাঘ্যাত জন্মিছে," প্ৰহৰীয়ে নিজৰ মাত ডাঙৰ কৰি আনিলে।

"আপুনি চিঞৰ বাখৰ নকৰাকৈ কাপোৰ ধুব পাৰিবানে?" ছোৱালীজনীয়ে মিচিকিয়াই ক'লে।

"তুমি কোন?" প্ৰহৰীয়ে খঙেৰে সুধিলে।

"এজনী ছোৱালী।"

"মোৰ মতে মই তোমাৰ দেউতাৰক ইয়ালৈ ধৰি আনিবই লাগিব আৰু ক'ব লাগিব তোমাৰ মূৰত যেন বুদ্ধি দিয়াত সহায় কৰে। কোৱা, তুমি কাৰ ছোৱালী?"

"দেউতাৰ ছোৱালী," তাইয়ো শুদাই এৰা ভকত নহয়।

"মনে মনে থাকা। মোৰ লগত আঁহা। শ্বাহেনশ্বাহে জানে তোমাক কেনেকৈ ঠাণ্ডা কৰিব লাগে। হেৰা ছোৱালী, নিৰ্জন কাৰাগাৰত কেইদিনমান থাকিবলৈ সাজু হোৱা।" প্ৰহৰীয়ে ছোৱালীজনীক তেওঁৰ লগত আহিবলৈ নিৰ্দেশ দিলে।

ছোৱালীজনীয়ে অলপো ভয় নাখালে। তাই কাপোৰ কানি আৰু ভৃত্যজন ঘাটতে এৰি প্ৰহৰীৰ লগে লগে গ'ল। সোনকালেই দুয়ো সম্রাটৰ শোৱানিকোঠা পালেগৈ। ছোৱালীজনীয়ে মূৰ দোঁৱাই সম্রাটৰ ফালে চাই মিচিকিয়াই হাঁহিলে।

প্ৰহৰীয়ে মূৰ দোঁৱাই, ছোৱালীজনী আৰু ভৃত্যজনে ঘাটত কাপোৰ ধুই থকা কথা সম্রাটক ক'লে।

"তুমি ৰাতি কাপোৰ ধইছা কিয়," সম্ৰাটৰ কণ্ঠ তীক্ষ্ণ শুনা গ'ল।

"শ্বাহেনশ্বাহ, আজি বিয়লি, মোৰ দেউতাই এটা ধুনীয়া ল'ৰা জন্ম দিছে।" ছোৱালীজনীয়ে উত্তৰ দিলে।

"আচৰিত কথা!" সম্ৰাটে চিৎকাৰ কৰিলে।

"শ্বাহেনশ্বাহে মই ব্যস্ত আছিলো কেঁচুৱা-টোক ধুৱাই পখলাই দেউতাৰ পৰিচৰ্যা..."

সম্ৰাটৰ গৰ্জন শুনি ছোৱালীজনী আধাতে বৈ দিবলৈ বাধ্য হ'ল," কেঁচুৱা জন্ম দিয়া দেউতাৰক পৰিচৰ্যা কৰাৰ কামক ব্যস্ত আছিলা? নহয় জানো? তোমাৰ ভুল হোৱা নাইতো? নে তোমাৰ মাৰাইহে সন্তান প্ৰসৱ কৰিছে?"

"নহয় শ্বাহেনশ্বাহ, মোৰ দেউতাই সন্তান প্ৰসৱ কৰিছে," ছোৱালীজনীৰ মুখত প্ৰশান্তিৰ হাঁহি।

"তুমি বলিয়া নেকি?" সম্ৰাটে ওচৰতে থকা এখন মেজত জোৰেৰে ঢকিয়ালে।

"নহয় শ্বাহেনশ্বাহ, মই সঁচা কথাই কৈছো, একেবাৰে সঁচা কথা," ছোৱালী-জনীও আকোৰগোজ। "মই বিশ্বাস কৰিব লাগে যে পুৰুষেও সন্তান প্ৰশৱ কৰে?" সম্ৰাটে চকু ঘোপা কৰি সুধিলে।

"আমি জানো এটা আচৰিত কালৰ নাগৰিক নহয়?"

ছোৱালীজনীয়ে ক'লে, "ক্ষমা কৰিব শ্বাহেনশ্বাহ। মই শুনিছো এইখন ৰাজ্যত ষাড়ৰ গাখীৰে কিছুমান ব্যাধিৰ তাৎক্ষণিক চিকিৎসা দিয়ে।" ছোৱালীজনীয়ে সম্ৰাটৰ ফালে চালে।

সম্ৰাটৰ বুজিবলৈ বাকী নাথাকিল। "তুমি বাৰু বীৰবলৰ কন্যা নেকি?" এইবাৰ সম্ৰাটৰ মাত কোমল শুনা গ'ল।

"হয় শ্বাহেনশ্বাহ। আপোনাৰ টোপনিও ব্যাঘ্যাত জন্মোৱাৰ বাবে মই দুখিত। কিন্তু ষাড়ে যেতিয়া গাখীৰ দিয়ে, পুৰুষে যেতিয়া সন্তান প্ৰসৱ কৰে, তেতিয়া ৰাতিও দিন হ'বলৈ বাধ্য।" ছোৱালীজনীয়ে মূৰ দুপিয়ালে।

"তুমি বৰ বুদ্ধিমতী ছোৱালী, যোৱা, দেউতাৰক গৈ কোৱাগৈ মই সম্ৰাটক ষাড়ৰ গাখীৰ দি আহিছো।" ৰজাই এটোপোলা সোণৰ মোহৰ ছোৱালীজনীৰ হাতত তুলি দিলে।

মূৰ দোঁৱাই ছোৱালীজনী ওলাই আহিল। সম্ৰাটে নিজকে নিজে ক'লে, "ষাড়ৰ গাখীৰ, মূৰ্খামি! হাকিমে এই বুদ্ধিপালে ক'ত? নে তেওঁ বীৰবলক বিপদত পেলব খুজিছে। কাইলৈ মই বিচাৰ কৰিম।" পিছদিনা হাকিমে ভালকৈ এশিকনি পালে।

কৰ্ণাটকৰ এটা লোককাহিনী

সেইটো বাৰু সপোনেই আছিলনে?

এসময়ত এজন ব্ৰাহ্মণ আছিল। নিতৌ বিয়লি ভক্তক ধৰ্মোপদেশ দি পোৱা দান দক্ষিণাৰে তেওঁ কোনোমতে নিজৰ বাবে দুবেলা দুমুঠি উলিয়াইছিল। তেওঁৰ মুখৰপৰা এই ধৰ্মোপদেশ শুনিবলৈ অহা কোনো মানুহেই ব্ৰাহ্মণৰ সমুখত পাৰি থোৱা কাপোৰখনত এটা মুদ্ৰা নৰখাকৈ ঘৰলৈ নগৈছিল। দিন বাগৰাৰ লগে লগে ব্ৰাহ্মণৰ ধৰ্মোপদেশ শুনিবলৈ অহা মানুহৰ সংখ্যা কমি আহিল, কিয়নো শ্ৰোতাসকলে ধৰিব পাৰিছিল যে তেওঁ একেবোৰ কাহিনীকে বাৰে বাৰে ক'বলৈ লৈছে আৰু নতুন তেওঁৰ একো নোহোৱা হৈছে। স্বাভাৱিকতে, ধৰ্মোপদেশৰপৰা হোৱা ব্ৰাহ্মণৰ আয়ো কমি আহিল আৰু তেওঁ ক্ৰমে ক্ৰমে চৰম দৰিদ্ৰতাত নিমজ্জিত হ'ল।

ব্ৰাহ্মণে ভাবিলে এনে অৱস্থাত ভাত মোকলাবলৈ তেওঁ কঠোৰ শ্ৰম কৰিলে সমাজত তেওঁৰ মৰ্যাদা হানি হ'ব। সেয়েহে, তেওঁ ওচৰৰে এটা মন্দিৰলৈ গৈ প্ৰাৰ্থনা কৰি সময় কটাবলৈ ধৰিলে। "হে দিব্য মাতৃ, তুমি যদি বিচাৰিছা ক্ষুধাতেই মোৰ মৃত্যু হওক তেন্তে তোমাৰ এই ইচ্ছাৰ প্ৰতি সন্মান জনাই কাৰো প্ৰতি কোনো বেয়া ভাব নৰখাকৈ মই এই সংসাৰ এৰি যামগৈ।" এঠাইত গৈ নিজৰ মূৰটো থৈ জিৰণি লোৱাৰ আগতে প্ৰতিদিনে সেইটোৱেই আছিল ব্ৰাহ্মণৰ শেষ প্ৰাৰ্থনা।

এদিন তেওঁ মন্দিৰ প্ৰাংগনতে শুবলৈ ঠিক কৰিলে। সেই নিশা সপোনত তেওঁ দেৱীৰ দৰ্শন পালে। দেৱীয়ে ব্ৰাহ্মণক ক'লে, "মোৰ পুত্ৰ, মই নিবিচাৰো ক্ষুধাত তোমাৰ মৃত্যু হওক। মোৰপৰা তুমি যিয়েই পোৱা, তাৰ এটা অংশ জনকল্যাণৰ কামত খৰচ কৰিবা!" দেৱীয়েনো তেওঁক কি দিব আৰু কিমান দিব সেই কথা নোকোৱাকৈ দেৱী অদৃশ্য হ'ল।

পিছদিনা সাৰ পাই ব্ৰাহ্মণে দেখিলে ভাঁজ কৰি নিজৰ গাৰু কৰি লোৱা গাত লোৱা



কাপোৰখনৰ কাষতে আছে এটা সৰু মোনা। মোনাটো খুলি ব্ৰাহ্মণে দেখিলে তাত এশটা ৰূপৰ মুদ্ৰা আছে। মন্দিৰৰ গৰ্ভগৃহত থকা দেৱীৰ মূৰ্ত্তিৰ আগত মূৰ দোঁৱাই ব্ৰাহ্মণে ক'লে, "হে দিব্য মাতৃ! তুমি ইতিপূৰ্বে সপোনত মোক দিয়া নিৰ্দেশ শিৰোধাৰ্য কৰি তুমি দিয়া উপহাৰৰ এক দশমাংশ মই জনকল্যাণৰ কামত খৰচ কৰিম। মোৰ ওপৰত যেন তুমি সদায়ে আশীৰ্বাদ বৰষি থাকা!"

ব্ৰাহ্মণ উঠি থিয় হ'ল আৰু মন্দিৰৰপৰা বাহিৰলৈ ওলাই আহিল। তেওঁৰ প্ৰথম অভিলাষ আছিল যোৱা কেইদিনমান ধৰি ভূগি থকা ক্ষুধা নিবৃত্তি কৰা। একে সময়তে তেওঁ ভাবিলে যে ধনৰ এটা অংশ জনকল্যাণৰ কামত খৰচ কৰিম বুলি দেৱীক দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰালৈকে তেওঁ কোনো খৰচ নকৰে।

এটা ভোজনালয় অভিমুখে খোজকাঢ়ি গৈ থকাৰ পথত তেওঁ এজন ভিক্ষাৰী লগ পালে যি দৃষ্টিহীন আছিল। ব্ৰাহ্মণে ভাবিলে এই মানুহজন দয়া আৰু চেনেহৰ পাত্ৰ, সেয়েহে ব্ৰাহ্মণে নিজৰ মোনাৰপৰা দহটা মুদ্ৰা উলিয়াই ভিক্ষাৰীজনক দিলে।

অন্ধ মানুহজনে ক'লে, "আপুনি যিয়েই নহওক, আপোনাৰ এই মহানুভৱতাৰ কথা মই আজীৱন মনত ৰাখিম। আজিলৈকে কোনেও মোক ইমানবোৰ মুদ্ৰা একেলগে দিয়া নাই!।"

ব্ৰাহ্মণে ভাবিলে ভিক্ষাৰীজনক তেওঁ দেখা সপোনটোৰ কথা আৰু দেৱীয়ে দিয়া কৰুণাৰ কথা কোৱা উচিত।

লগতে দেৱীৰ আশীৰ্বাদৰ এটা অংশ জনকল্যাণমূলক কামত খৰচ কৰিব বুলি দেৱীয়ে তেওঁৰপৰা আদায় কৰা প্ৰতিশ্ৰুতিৰ কথাও। ব্ৰাহ্মণে ভিক্ষাৰী-জনক সকলো কথা ক'লে।

"অ', দেৱীয়ে আপোনাক এশটা মুদ্ৰা থকা মোনা এটা দিলে। মহাশয়, দিব্য মাতৃয়ে দিয়া এই মোনাটো মোক আপুনি এবাৰ, মাত্ৰ এবাৰ চুই চাবলৈ দিবনে?" ভিক্ষাৰীজনে সুধিলে।

"এইটো, আপুনি চুই চাব পাৰে আৰু দেৱীৰ আশীৰ্বাদৰ ওজনো অনুভৱ কৰিব পাৰে," এইবুলি কৈ ব্ৰাহ্মণে মোনাটো আগবঢ়াই দিলে।

অন্ধ মানুহজনে মোনাটো নিজৰ হাতত লৈ ক'লে, "মোনাটো মই চাব নোৱাৰো যদিও ই কিমান কোমল সেই কথা মই অনুভৱ কৰিব পাৰিছো। মহাশয়, এটা কথা মই ক'বই

লাগিব যে সঁচাকৈয়ে আপোনাৰ সৌভাগ্যৰ তুলনা নাই।"

পিছ মুহূৰ্ত্তে তেওঁ মোনাটোৰ মুদ্ৰাখিনি নিজৰ কান্ধত ওলমি থকা কাপোৰৰ মোনাটোত ঢালি দিলে আৰু খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে।

ব্ৰাহ্মণে টলকিবই নোৱাৰিলে। "কিন্তু কিন্তু, আপুনি মোৰ মুদ্ৰাৰ মোনাটো লৈ যায় কলৈ? সেইটো মোক দিয়ক?" এইবুলি কৈ ব্ৰাহ্মণ দৃষ্টিহীন ভিক্ষাৰীজনৰ পাছে পাছে গ'ল।

"কোনটো মোনা?" চিঞৰ এটা মাৰি ভিক্ষাৰীজনে ক'লে, "আপুনিতো মোক একো মোনা দিয়া নাই!"

"মুদ্ৰাৰ মোনা...দিব্য মাতৃয়ে দিয়া সেই মোনাটো," ঘেঁহাই ঘেঁহাই কথাখিনি কৈ ব্ৰাহ্মণে ভিক্ষাৰীৰ কান্ধত ওলমি থকা মোনাটোৰপৰা তেওঁৰ মোনাটো উলিয়াই আনিবলৈ চেষ্টা কৰিলে।

ইফালে, ভিক্ষাৰীজনে চিঞৰিবলৈ আৰম্ভ কৰিলে আৰু সোনকালেই তাত বহুত মানুহ গোট খালে। এজন মানুহে সুধিলে, "আপোনালোকেনো কাজিয়া কৰিছে কিয়?"

প্ৰথমতে উত্তৰ দিলে ভিক্ষাৰীয়ে, "চাওক, এই মানুহজনে মোৰ মোনাটো কাঢ়ি নিব খুজিছে! মই এজন দৰিদ্ৰ অন্ধ ভিক্ষাৰী আৰু এওঁ মোৰ মোনাটোত থকা জীৱনৰ সঞ্চয়খিনি কাঢ়ি নিব খুজিছে।"

মানুহজনে সুধিলে, "তাত বাৰু কিমান মুদ্ৰা আছিল?"

ভিক্ষাৰীজনে ক'লে, "মহাশয়, মোৰ মতে প্ৰায় নব্বৈটা মুদ্ৰা।" তাৰপাছত তেওঁ হাত ভৰাই মুদ্ৰাৰ মোনাটো উলিয়াই আনি মানুহজনৰ হাতত তুলি দিলে।

মানুহজনে গণনা আৰম্ভ কৰিলে, এক, দুই, তিন...উনানব্বৈ, নব্বৈ! "আপুনি ঠিকেই কৈছে। মুঠতে নব্বৈটা মুদ্ৰা আছে।" মানুহজনে মোনাটো ভিক্ষাৰীজনক ঘূৰাই দি ব্ৰাহ্মণক ক'লে, "আপোনাৰ পিছে এতিয়া কি ক'বলৈ আছে?"

ভাৰতৰ বিষয়ে জানি লোৱা

এইবাৰৰ মূল বিষয় হৈছে পুৰাণসমূহ।

১. কোনজন দেৱতা সাতটা ঘোঁৰাই টনা ৰথত উঠি ফুৰে?
২. কৃষ্ণৰ গুৰু কোন আছিল?
৩. কোনজন ভগৱানৰ তিনিটা চকু আছে?
৪. পুৰাণত উল্লেখ থকা পঞ্চকন্যা কোন?
৫. যোগ বিজ্ঞানৰ প্ৰতিষ্ঠাপক বুলি কাক ধৰা হয়?
৬. দেৱতাসকলৰ বিখ্যাত চিকিৎকজন কোন?
৭. ভগৱান বিষ্ণুৱে চাৰিখন হাতত লৈ ফুৰা বস্তু কেইপদ কি কি?
৮. কোনজন দেৱতাক আটাইবোৰ ৰোগৰ সংহাৰক বুলি ধৰা হয়?

(উত্তৰ ৭৩ পৃষ্ঠাত)

ব্ৰাহ্মণে ক'লে, "এইটো মোৰ মোনা। মই তেওঁক দিছিলো কাৰণ তেওঁ মোনাটো চুই চাব খুজিছিল আৰু তেওঁ মোনাটো নিজৰ মোনাৰ ভিতৰত ভৰাই থ'লে।"

কিবা কাৰণত ব্ৰাহ্মণে তেওঁৰ সপোনৰ কথা নক'বলৈ ঠিক কৰিলে আৰু লগতে ভিক্ষাৰীক দহটা মুদ্ৰা দিয়া আৰু মোনাটো চুই চাবলৈ ভিক্ষাৰীয়ে অনুৰোধ কৰা এইবোৰ কথা নকবলৈ ঠিক কৰিলে। এইবোৰ কথা ক'লে তেওঁ নিশ্চয় মানুহৰ হাঁহিয়াতৰ পাত্ৰহে হ'ব।

"এজন ভিক্ষাৰীৰ ধন কাঢ়ি নিবলৈ চেষ্টা কৰাটো তেনেই লাজৰ কথা।" এইবুলি মানুহজনে কোৱাৰ পাছত লাহে লাহে ৰাইজ আঁতৰি গ'ল। ব্ৰাহ্মণেও বুজি পালে তেওঁৰ হাতত কোনো উপায় নাই।

ভিক্ষাৰীজন আঁতৰি গ'ল। তেতিয়া ব্ৰাহ্মণে ভাবিলে তেওঁক প্ৰতাৰণা কৰাৰ দৰে তেওঁ নিজেওনো কেনেকৈ ভিক্ষাৰীক ঠগিব পাৰে?

গোটেই দিনটো বিচাৰি বিচাৰি ব্ৰাহ্মণে শেষত বজাৰৰ কাষৰ এটা জুপুৰীত বাস কৰা ভিক্ষাৰীজনক বিচাৰি উলিয়ালে। তেওঁ এখন দলিচাত বহি আছিল, কান্ধত আছিল তেওঁৰ মোনাটো, সেই সময়ত তেওঁ ব্ৰাহ্মণে দিয়া মোনাটোৰ পৰা মুদ্ৰাবোৰ উলিয়াই এটা বাঁহৰ চুঙাত ভৰাই আছিল। চুঙাটোত মুদ্ৰাবোৰ ভৰাই তেওঁ শুই পৰিল। ঠাইটুকুৰা ব্ৰাহ্মণে ভালকৈ চাই ল'লে।

ঠাইটুকুৰা মনত ৰাখি ব্ৰাহ্মণ ঘূৰি আহিল। কিন্তু তেওঁ পুৱতি নিশাৰ আগতেই ঘূৰি গ'ল আৰু ভিক্ষাৰীজন সাৰ পাই দৈনিক কামত ওলোৱালৈকে ব্ৰাহ্মণে বাট চালে। ব্ৰাহ্মণেও

লগত এটা চুঙা লৈ গৈছিল, ব্ৰাহ্মণে ভিক্ষাৰীৰ চুঙাটোৰ সমান এটা চুঙা গোটাবলৈ ঠিক কৰিলে।

ওচৰতে দেখা এটুকুৰা বাঁহনিৰ কথা ব্ৰাহ্মণৰ মনত পৰিল। তালৈ গৈ তেওঁ এটা বাঁহ কাটিলে। ভিক্ষাৰীৰ চুঙাটোৰ দৰে এটা চুঙা সাজিলে। বিয়লি তেওঁ জুপুৰীত ভিক্ষাৰী অহালৈ বাট চালে। আগৰাতিৰ দৰে দেখা গ'ল ভিক্ষাৰীয়ে তেওঁক প্ৰতাৰণা কৰি অনা মুদ্ৰাবোৰ চুঙাত ভৰাই চুঙাটো কাষতে লৈ শুবলৈ লৈছে।

ভিক্ষাৰীজন গভীৰ টোপনিত থাকোতে ব্ৰাহ্মণ হাতত সাৰে ভৰিত সাৰে সেই জুপুৰীত প্ৰবেশ কৰিলে। চুঙা দুটা সলনা সলনি কৰি জুখি জুখি নৱৈটা মুদ্ৰা নিজৰ চুঙাত ভৰাই দিলে।

গৰ্ভগৃহৰ সমুখত বহি ব্ৰাহ্মণে প্ৰাৰ্থনা কৰিলে, "হে দিব্য মাতৃ, মোক এই অপকৰ্মৰ বাবে ক্ষমা কৰিবা। মই কিন্তু তুমি দিয়াতকৈ এটা মুদ্ৰাও বেছিকৈ লোৱা নাই। মই তোমাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম!"

অনুসুন্ধিৎসাৰ বাবে ব্ৰাহ্মণ জুপুৰীলৈ গৈ ভিক্ষাৰীজন ওলাই অহা চালেগৈ। আনদিনৰ দৰে আজিও চুঙাটো তেওঁৰ হাতত। পিছে তাৰ মুদ্ৰাবোৰ যে নাই সেই কথা তেওঁ যে মন কৰা নাই তাকে লৈ ব্ৰাহ্মণ আচৰিত হ'ল।

অলপ দূৰ অনুসৰণ কৰি ব্ৰাহ্মণে ভিক্ষাৰীক সুধিলে, "মোক চিনি পাইছেনে? মইয়ে আপোনাক দহটা মুদ্ৰা দিছিলো আৰু আপুনি বুদ্ধি কৰি মোৰ নৱৈটা মুদ্ৰা কাঢ়ি ল'লে।"

"হয় হয় মনত আছে," ভিক্ষাৰীয়ে ক'লে, "কিন্তু মুদ্ৰাবোৰ আপোনাক দিয়া দেৱীয়ে সেইবোৰ মোৰপৰা ঘূৰাই নিলে। কালি মই দেৱীক সপোনত দেখিছিলো। সেইদিনা মই আপোনাক কৰা অপকাৰৰ বাবে মোক ক্ষমা কৰক।"

সেয়েহে কথাতে কয়, "শেষ ভালেই সকলো ভাল।"



অলিম্পিকত ভাৰত

নেছনেল ষ্টেডিয়াম

নেছনেল একুৱাটিক চেন্টাৰ

গগন নাৰঙ



সুৰেন্দ্ৰ সিঙ

ড'লা বেনাৰ্জী

বেইজিঙ অলিম্পিকচলি আছে। এইবাৰৰ অলিম্পিকত ভাগ ল'বলৈ যোৱা ৫৭ জনীয়া ভাৰতীয় দলে কেইটামান পদক জয় কৰিব পাৰিব বুলি দেশে আশা কৰিছিল। এই দলটিত আছিল সততে বাতৰিৰ শিৰোনামা দখল কৰা ড'লা বেনাৰ্জী (আৰ্চাৰী), মনজিৎ কৌৰ (৪০০ মিটাৰ), চাইনা নেহৱাল (বেডমিন্টন), খুমজাম টম্বি দেৱী (জুড'), ৰাজ্যবৰ্দ্ধন সিঙ ৰাথোৰ, গগন নাৰঙ আৰু অঞ্জলি ভাগৱত (শ্যুটিঙ), বীৰদৱাল খাড়ে (চুইমিঙ), লিয়েণ্ডাৰ পেজ, মহেশ ভূপতি আৰু ছানিয়া মিৰ্জা (টেনিচ)।

যোৱা এশ বছৰত অলিম্পিকত ভাৰতৰ প্ৰদৰ্শন কেনে আছিল? “ভাৰতে প্ৰথমবাৰৰ বাবে অলিম্পিকলৈ দুজন খেলুৱৈ পঠিয়াইছিল ১৯২০ চনত (এন্টৱাৰ্প অলিম্পিক)। তাৰ পাছত পেৰিচ অলিম্পিকলৈ আমি পঠিয়াইছিলো আঠজন এথলীট। অৱশ্যে ইয়াৰ আগতে নৰ্মান প্ৰিটচ্চাৰ্ড নামৰ এংল' ইণ্ডিয়ান এথ্‌লীটজনে ইংলণ্ডক প্ৰতিনিধিত্ব কৰি ১৯০০ চনত পেৰিচ অলিম্পিকত ভাগ লৈ ২০০ মিটাৰ আৰু ২০০ মিটাৰ হাৰ্ডলচত ৰূপৰ পদক জয় কৰিছিল। ১৯২৮ চনৰ আমষ্টাৰডম গেমচত ভাৰতীয় হকী দলে হকীৰ স্বৰ্ণ পদক লাভ কৰিছিল। সেই বছৰতে হকী অলিম্পিকত অন্তৰ্ভুক্ত কৰা হৈছিল। এই দলটোৰ অধিনায়ক আছিল জয়পাল সিঙ। ইয়াৰ পাছত পাঁচখন অলিম্পিকত ভাৰতে একেৰাহে হকীৰ স্বৰ্ণ পদক জয় কৰি নিজৰ আধিপত্য অব্যাহত ৰাখিছিল। হকীৰ যাদুকৰ ধ্যানচান্দে ১৯৩২, ১৯৩৬

বাৰ্লিন অলিম্পিকত (১৯৩৬) বিজয়প্ৰাপ্ত হকী দল

আৰু ১৯৪৮ চনত ভাৰতৰ বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। (বিশ্ব যুদ্ধৰ বাবে ১৯৪০ আৰু ১৯৪৪ চনত অলিম্পিক অনুষ্ঠিত হোৱা নাছিল, ভাৰতে ১৯৬৪ (টকিঅ') আৰু ১৯৮০ (মস্কো) চনতো হকীৰ স্বৰ্ণপদক জয় কৰিছিল। ৰোম অলিম্পিকত (১৯৬৬) ভাৰতে হকীৰ ৰূপৰ পদক জয় কৰিছিল যদিও মেক্সিকো (১৯৬৮) আৰু মিউনিখ (১৯৭২) অলিম্পিকত ভাৰতে হকীৰ ব্ৰঞ্জৰ পদক লাভ কৰিয়েই সন্তুষ্ট হ'বলগীয়া হৈছিল। ২০০৪ চনৰ এথেন্স গেমচত ভাৰতে হকীত সপ্তম স্থানহে লাভ কৰিছিল। এইবাৰৰ অলিম্পিকত ভাৰতে খেলাৰ যোগ্যতাই অৰ্জন কৰিব নোৱাৰিলে।

ইয়াৰ বাহিৰেও, ভাৰতে লাভ কৰিছে এথলেটিক্‌চৰ দুটা ৰূপৰ পদক আৰু ৰেষ্ট্‌লিঙ, শুটিঙ, ৱেইটলিফ্‌টিঙ আৰু টেনিচত একোটাকৈ মুঠ চাৰিটা ব্ৰঞ্জৰ পদক। এই বিজয়ীসকল আছিল দাদাচাহেব যাদৱ, ড.কাৰ্নি সিঙ, কাৰনাম মালেশ্বৰী আৰু টেনিচ যুটী লিয়েণ্ডাৰ পেজ আৰু মহেশ ভূপতি। ১৯৮৪ চনৰ লছ এঞ্জেল্‌চ অলিম্পিকত পি.টি. উষাই দুৰ্ভাগ্যক্ৰমে ০.০১ চেকেণ্ডৰ বাবে ব্ৰঞ্জৰ পদক লাভ কৰিব নোৱাৰিলে। অলিম্পিকত প্ৰশংসাৰ পাত্ৰ প্ৰদৰ্শন দাঙি ধৰা আন কেইজনমান খেলুৱৈ হ'ল হেনৰী ৰেবেল্ল' (ত্ৰিপল জাম্প, লণ্ডন, ১৯৪৮), মিলখা সিঙ (৪০০ মিটাৰ, ৰোম, ১৯৬০), গুৰবচ্চন সিঙ ৰান্ধাৱা (১০০ মি হাৰ্ডল্‌ছ, টকিঅ', ১৯৬৫) আৰু শ্ৰীৰাম সিঙ (৮০০ মিটাৰ, মন্ট্ৰিয়েল, ১৯৭৬)। ১৯৮৪ চনৰ লছ এঞ্জেলছত পি.টি. উষা, এম্ ভি.ভালচাম্মা, বন্দনা ৰাও আৰু শ্বাইনি আব্ৰাহামক লৈ গঠিত দলটোৱে মহিলাৰ ৪০০ মিটাৰ ৰীলে দৌৰত সপ্তম স্থান লাভ কৰিছিল।

অঞ্জলী ভাগৱত

অঞ্জুববী জৰ্জ

চানিয়া মিৰ্জা

চেইনা নেহৱাল

পেজ আৰু ভূপতি

চান্দমামা কুইজ-৬ জুলাই ২০০৮ ৰ উত্তৰসমূহ

১.আই.এন.এচ.চক্ৰ; ২.ডিচেম্বৰ৪; ৩.১৯৮; ৪. মানেকশ্ব; ৫.১৯৭৮; ৬.আই.এন.এচ.ব্ৰহ্মপুত্ৰ; ৭.লেফটেনেন্ট জেনেৰেল পংকজ যোশী; ৮.পৃথিৱী; ৯.১৮ মেই, ১৯৭৪ বুদ্ধ ইজ স্মাইলিঙ।

পোখৰান, ৰাজস্থান।

শ্ৰী চক্ৰপানি

৫ আগষ্ট ১৯০৮-১৪ চেপ্তেম্বৰ ১৯৭৫

আমাৰ সংস্থাপকৰ সোঁৱৰণত

যোৱা তিনিটা প্ৰজন্মৰ পাঠক শিশু আৰু বৃদ্ধই সমানে চক্ৰপানিৰ নামৰ সৈতে নিশ্চয় পৰিচিত যি ৬৩ বছৰ পূৰ্বে স্বৰ্গীয় শ্ৰী বী.নাগি ৰেড্ডীৰ সৈতে লগলাগি এখন জনপ্ৰিয় শিশু আলোচনী আৰম্ভ কৰিছিল। নাগি ৰেড্ডীয়ে প্ৰকাশন তথা ব্যৱস্থাপনাৰ দায়িত্ব চম্ভালি লৈছিল আৰু শ্ৰী চক্ৰপানিয়ে সম্পাদক ৰূপে বিষয়বস্তু একগোট কৰাৰ সমুদায় দায়িত্ব কান্ধ পাতি লৈছিল। তেলুগু ভাষা তথা সাহিত্য সম্পৰ্কে তেওঁৰ জ্ঞানে চান্দমামাৰ তেলুগু সংস্কৰণক বহু ওপৰলৈ নিছিল, যিটো সংস্কৰণৰ প্ৰকাশ সবাতোকৈ প্ৰথমতে হৈছিল। এইটো খুব আচৰিত কথা যে তেওঁ নিজে নিজেই সংস্কৃত, হিন্দী, ইংৰাজী তথা বাঙলা ভাষা শিকি লৈছিল। বাঙলা ভাষাত তেওঁৰ ইমানেই দখল আছিল যে সেই ভাষাৰ অনেক প্ৰসিদ্ধ সাহিত্যকৃতি তেওঁ নিজেই তেলুগু ভাষালৈ অনুবাদ কৰিছিল। দৰাচলতে, দেশৰ চুকে কোণে চান্দমামা লৈ যোৱাৰ বাবে বিভিন্ন ভাষাত ইয়াৰ প্ৰকাশনৰ এক প্ৰধান কাৰণ আছিল ভাষাসমূহৰ প্ৰতি থকা তেওঁৰ গভীৰ অনুৰাগ।

অন্ধ্ৰপ্ৰদেশৰ তেনালীত ১৯০৮ চনৰ আগষ্টত জন্মা অলুৰী ভেংকট চুব্বা ৰাওৰ জন্মশতাব্দী তেলুগু সাহিত্যিক মণ্ডলীৰদ্বাৰা সমগ্ৰ দেশতে পালন কৰা হৈছে, আমাৰ হাজাৰ হাজাৰ পাঠকৰ হৈ, আমাৰ সংস্থাপক তথা তেলুগু সাহিত্যৰ প্ৰতি তেওঁৰ অৱদানসমূহ সোঁৱৰণ কৰাৰ এই অভিযানত চান্দমামা তেওঁলোকৰ লগত আছে।

- *প্ৰকাশক*

চিৰস্মৰণীয় ঐতিহাসিক পৰিঘটনা-১২

আন এটা সিংহ

"**ব্ৰি**টিছ শক্তিৰ বিৰুদ্ধে ইমান সন্মানেৰে আৰু ইমান সাহসেৰে যুঁজ কৰা বৃদ্ধ ৰাজ-পুতজনৰ মৃত্যু হৈছিল ২৬ এপ্ৰিল, ১৮৫৮ চনত," হোমচে এইবুলি লিখিছিল তেওঁৰ "হিষ্টৰী অৱ দ্য চিপয় ৱাৰ" শীৰ্ষক গ্ৰন্থত। সেইদিনা ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিবিৰত হৰ্ষ উল্লাস হৈছিল। বিহাৰৰ অদম্য সিংহ, ৰাজা কোঁৱৰ সিঙ অৱশেষত ৰণত পৰিছে, এই খবৰ পাই তেওঁলোকে স্বস্তিৰ নিশ্বাস পেলাইছিল, তেওঁলোকৰ অন্তৰ আনন্দৰে ওপচি পৰিছিল। এই আশী বছৰীয়া সাহসী বীৰজনে তেওঁলোকৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল, ব্ৰিটিছৰ সকলো পৰিকল্পনা ধূলিসাৎ কৰি তেওঁলোকৰ চকুৰ আগেদিয়েই এই বীৰজন অদৃশ্য হৈছিল। ব্ৰিটিছৰ আপ্ৰাণ চেষ্টা সত্ত্বেও তেওঁক বন্দী কৰিব পৰা নগৈছিল। সদায়ে তেওঁৰ বাহিনী সফল হৈছিল, "ব্ৰিটিছে



এইবাৰ এক শোচনীয় পৰাজয়ৰ মুখামুখি হৈছিল," হুৱাইটে এইবুলি লিখিছিল "হিষ্টৰী অৱ মিউটিনী" গ্ৰন্থত।

এইবাৰ ব্ৰিটিছে তেওঁৰ ৰাজ্যলৈ যাত্ৰা কৰি তাক দখল কৰাৰ পৰিকল্পনা কৰিলে। সোনকালেই উৎসাহ উদ্দীপনাৰে আগবাঢ়িল ব্ৰিটিছৰ এক বিশাল বাহিনী। আগৰ বহুতো পৰাজয়ৰ পোতক তুলিবলৈ ব্ৰিটিছ অধৈৰ্য হৈ উঠিছিল। কিন্তু তেওঁলোকে ঘূণাক্ষৰেও জনা নাছিল তেওঁলোকৰ বাবে অপেক্ষা কৰি আছে একেই সাহসী, একেই বুদ্ধিয়ক আৰু একেই দেশপ্ৰেমিক আন এটা সিংহ। তেওঁ আছিল ৰাজা অমৰ সিঙ, কোঁৱৰ সিঙৰ ভায়েক, যাৰ ওপৰত পৰিছিল প্ৰয়াত নেতাগৰাকীৰ ৰাজ্য জগদীশপুৰ চম্ভলাৰ দায়িত্ব। কালবিলম্ব নকৰি তেওঁ নিজৰ অনুগত সৈনিকসকলক লৈ জেনেৰেল লুগাৰ্ডৰ বিশাল বাহিনীক আগভেটি ধৰিবলৈ গ'ল। আৰম্ভ হ'ল প্ৰচণ্ড যুদ্ধ। ইংৰাজসকল লাহে লাহে বিজয়ৰ পথত আগবাঢ়িল। কিন্তু হঠাতে তেওঁলোকক আচৰিত কৰি শক্ৰ অদৃশ্য হ'ল। এতিয়া ব্ৰিটিছে অদৃশ্য শক্ৰৰ বিৰুদ্ধে যুঁজে কেনেকৈ?

ইফালে, কৌশল গ্ৰহণত অতুলনীয় ৰাজা অমৰ সিঙে তেওঁৰ লোকসকলক সৰু সৰু ভাগত বিভক্ত হৈ বিভিন্ন কিন্তু নিৰ্দিষ্ট দিশত অগ্ৰসৰ হ'বলৈ নিৰ্দেশ দিলে। তেওঁলোকক

খেদি যোৱাটো ব্ৰিটিছৰ পক্ষে প্ৰায় অসম্ভৱ আছিল। কিন্তু তেওঁলোকৰ অলক্ষিতে হঠাতে একত্ৰিত ৰূপত এক অজান দিশৰপৰা আৰ্বিভূত হ'ল শত্ৰু। সাহসী ৰজাজনক বশীভূত কৰাৰ লগে লগে তেওঁ অৰণ্যৰ এফালৰপৰা পলাই আনটো ফালে ওলালগৈ। অধৈৰ্য হোৱা ব্ৰিটিছে এইবাৰ তেওঁক প্ৰায় কৰায়ত্বই কৰিছিল। পিছে বুদ্ধিয়ক ৰাজকুমাৰে এইবাৰো তেওঁলোকৰ চকুত ধূলি দিলে আৰু তেওঁৰ বিশ্বাসী যুদ্ধৰ ঘোঁৰাটোৰ পিঠিত উঠি তীব্ৰ বেগে অৰণ্যৰ ভিতৰলৈ সোমাই গ'ল। শত্ৰুৱে কল্পনাও কৰিব নোৱৰা ধৰণে তেওঁ আকৌ ওলাই আহিল আৰু পৰাক্ৰমেৰে যুদ্ধ কৰিবলৈ ধৰিলে। জেনেৰেল লুগাৰ্ড আৰু তেওঁৰ বাহিনীক দুখ, হতাশা আৰু অৱসাদে ঘেৰি ধৰিলে। তেওঁ পোনে পোনে পদত্যাগ কৰি ইংলণ্ডলৈ ঘূৰি গ'ল। তেওঁৰ বাহিনীও শিবিৰলৈ ঘূৰি আহিল জিৰণি ল'বলৈ।

দুঃসাহসী যুৱৰাজে এইবাৰ তেওঁৰ সেনাবাহিনী পুনৰ সংগঠিত কৰাৰ সুযোগ পালে। সোনকালেই, শত্ৰু সেনাক সজাগ হ'বলৈ নিদিয়াকৈ তেওঁ অৰহহ আক্ৰমণ কৰি তাৰ মাজেদি গৈ নিজৰ ৰাজধানী জগদীশপুৰ পালেগৈ। তাৰ দুৰ্গৰ প্ৰাচীৰত দেখা গ'ল স্বাধীনতাৰ পতাকা আৰু বেনাৰ। তলত থকা চালে চকুৰোৱা প্ৰেক্ষাগৃহত বহিল স্বাধীন প্ৰজাৰ যুৱ ৰজা ৰাজা অমৰ সিঙৰ ৰাজসভা। বিগ্ৰেডিয়াৰ ডগলাচ আৰু তেওঁৰ দহ হাজাৰ সেনাই এইবাৰ অমৰ সিঙক শেষ কৰিবলৈ অঙ্গীকাৰ কৰিলে। দৰাচলতে, সাহসী ৰজাজনৰ কটামূৰ লৈ আহিব পৰাজনক আকৰ্ষণীয় পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হ'ল। পিছে এনে সাহস আছে কাৰ? ৰাজা অমৰ সিঙে এনেকৈ যুদ্ধ কৰিছিল যে তেওঁৰ উৎসাহ আৰু পৰাক্ৰম দেখি তেওঁৰ দুৰ্বলতম সৈনিকজনেও সাহস পাইছিল আৰু তেওঁৰ প্ৰজাসকলে ভাবিবলৈ লৈছিল যে কোঁৱৰ সিঙৰ মৃত্যু হোৱা নাই।

বিগ্ৰেডিয়াৰ ডগলাচ আৰু তেওঁৰ বিশাল বাহিনীয়ে হাবি কাটি, পথ উলিয়াই এটা চকীৰপৰা আনটোলৈ লাহে লাহে আগবাঢ়ি গ'ল। এক সুপৰিকল্পিত আঁচনি অনুসাৰে সাতটা বিভিন্ন দিশৰপৰা সাতটা সেনাবাহিনী জগদীশপুৰলৈ আগবাঢ়ি আহিল। চহৰখনলৈ যোৱা আটাইবোৰ ৰাস্তা বন্ধ কৰি দিয়া হ'ল।

নগৰপৰা অৰণ্যলৈ যাব পৰা প্ৰতিটো পথতে পাৰ হৈ যাব নোৱৰাকৈ অগ্নি জ্বলাই ৰখা হ'ল। জুইৰ লেলিহান শিখাৰ পাছফালে ৰৈ আছিল সশস্ত্ৰ সৈনিকৰ দল। পলাবলৈ কোনো পথ নাছিল। ৰজাবো আকাশেদি উৰি যাব পৰাকৈ পাখি নাছিল।

ৰাতি নামিল। পিছদিনাই ব্ৰিটিছ দুৰ্গত প্ৰৱেশ কৰাৰ সম্ভাৱনা। সময় তীব্ৰ গতিৰে পাৰ হৈ গৈছে। ব্ৰিটিছৰ শিবিৰৰপৰা অহা যেন লগা এজন সৈনিক এটা বগা ঘোঁৰাৰ পিঠিত উঠি পিছ দুৱাৰেদি ওলাই আহিল আৰু শত্ৰুৰ শাৰী শাৰী সৈনিকৰ আগেদি পাৰ হৈ গ'ল। প্ৰশ্নৰ মুখামুখি হওঁতে তেওঁ স্বাভাৱিকভাৱে উত্তৰ দিছিল। "আই এম অন ডিউটী!" কিন্তু হঠাতে অশ্বাৰোহীজন বৈ গ'ল। আটাইবোৰ পথ বাধা দি আছে জুইৰ লেলিহান শিখাই। অগ্নিদগ্ধ নোহোৱাকৈ পাৰ হৈ যোৱাটো অসম্ভৱ আছিল। কিন্তু মানুহজন আৰু ঘোঁৰাটোৰ কোনো বিকল্প নাছিল। গৰাকীৰ সামান্য এটা খোচ খাই ঘোঁৰাটোৱে জুইৰ লেলিহান শিখাৰ মাজেদি জাঁপ মাৰিলে। ঘোঁৰাটোৰ জাঁপ ইমানেই ডাঙৰ আছিল যে দুয়ো পিছফালে থকা সৈনিকৰ দলক অতিক্ৰমি নিৰাপদ দূৰত্বত অৱস্থান কৰিলেগৈ। কি হৈছে সেই কথা ব্ৰিটিছ সৈনিকে ধৰিব পৰাৰ আগতেই বিজুলী বেগত ঘোঁৰাটো আৰু তাৰ আৰোহীজন অন্ধকাৰত হেৰাই গ'ল। এই কিংবদন্তিক বহুতেই সঁচা বুলি মানি আহিছে।

পিছদিনা, আত্মবিশ্বাসী ব্ৰিটিছ বাহিনী সমূহ একেসময়তে বিভিন্ন দিশৰপৰা জগদীশপুৰলৈ আগবাঢ়ি আহিল। পিছে তেওঁলোকে ধৰিবলৈ অহা সিংহৰ চিন মোকাম নাই। তেওঁ ক'লৈ উৰি গ'ল? কেতিয়া আৰু কেনেকৈ তেওঁ পলাই গ'ল? আগনিশা ব্ৰিটিছ সৈনিকৰ ৰূপত বগা ঘোঁৰাত উঠি অহাজন বাৰু তেওঁৱেই আছিল নেকি? সোনকালেই তেওঁলোকে ধৰিব পাৰিলে, হয় সেইজনেই আছিল এই সিংহ। নিজৰ মূৰ্খামিৰ বাবে ব্ৰিটিছে নিজকে ধিক্কাৰ দিলে। আকৌ এবাৰ ব্ৰিটিছৰ আশাত চেঁচাপানী ঢালি ৰজা অমৰ সিং পলাই গ'ল। হতাশাগ্ৰস্ত ডগলাচে তেওঁৰ অশ্বাৰোহী সৈনিকৰ এটা দলক পলাই যোৱা যুৱৰাজ আৰু পিছত তেওঁৰ লগ লগা অনুগত বাহিনীক বিচাৰি উলিওৱাৰ দায়িত্ব দিলে।

ৰজা অমৰ সিং ক্লান্তি আৰু অৱসাদত জৰ্জৰিত হৈছিল। ভোকাতুৰ কুকুৰনেচীয়া বাঘৰ দৰে শত্ৰুৱে তেওঁক অহৰহ খেদি ফুৰিছিল। তেওঁৰ সাধাৰণ বন্দুকৰ তুলনাত ব্ৰিটিছৰ খাৰ বাৰুদ অনেকগুণে বেছি শক্তিশালী আছিল। তথাপি তেওঁ আত্মসমৰ্পণ কৰা নাছিল আৰু হিংস্ৰ সিংহৰ দৰে যুঁজ কৰি গৈছিল। ন'নাডী গাঁৱঁলৈকে ব্ৰিটিছে তেওঁলোকক খেদি নিছিল আৰু চাৰিশ সৈনিকক কৰায়ত্ব কৰিছিল। পিছে পলাই থকা ৰজা আছে ক'ত? তেওঁ বাৰু সেই চাৰিশজনৰে এজন আছিল নেকি? ব্ৰিটিছে নিৰ্দয়ভাৱে তাৰে তিনিশজনক হত্যা কৰিছিল আৰু অৱশিষ্ট এশজন পলাই গৈ আহত বাঘৰ

দৰে শত্ৰুৰ ওপৰত জঁপিয়াই পৰিছিল। নতুনকৈ এটা ব্ৰিটিছ সেনাৰ এটা ডিভিজনৰ লগত ৰক্তাক্ত যুদ্ধ আৰম্ভ হ'ল। সেই সাহসী এশজনৰ ভিতৰত শেষত মাত্ৰ তিনিজনহে বাচি থাকিলগৈ। তাৰে এজন আছিল ৰজা অমৰ সিং।

অনেক ৰক্তাক্ত যুদ্ধত লিপ্ত নিৰ্ভীক ৰাজা আৰু তেওঁৰ লোকসকলে স্বদেশৰ প্ৰতি ইঞ্চি মাটিৰ বাবে যুঁজিছিল আৰু বাৰে বাৰে তেওঁলোকক নিজৰ ভূখণ্ডৰপৰা শত্ৰুৱে ঠেলি পঠিয়াইছিল। এবাৰ অমৰ সিং উঠি আহিছিল হাতীৰ পিঠিত থকা এটা বাকচৰ ভিতৰত সোমাই। সোনকালেই হাতীটোক শত্ৰুৱে কৰায়ত্ব কৰিলে। শত্ৰু সৈনিকে হাতীটো লৈ যাওঁতে হঠাতে ৰজাই হাতীৰ পিঠিৰপৰা জঁপ মাৰি ওচৰৰে এখন অৰণ্যত অদৃশ্য হৈ গ'ল। তেওঁৰ পহৰাদাৰীসকলৰ মুখ মেল খায়েই থাকিল। এইবাৰো তেওঁ কাণে কাণ মাৰি পলাই গ'ল।

সোনকালেই তেওঁ আৰু তেওঁৰ লোক-সকল কাইমুৰ পাহাৰ পালেগৈ। স্থানীয় অধিবাসীসকল বন্ধুভাবাপন্ন আছিল আৰু তেওঁলোকে এই সাহসী লোকসকলৰ মহৎ উদ্দেশ্যৰ কথা জানিছিল। "অলপো থেৰো-গেৰো নকৰাকৈ জিলাখনৰ সমগ্ৰ অধিবাসীয়ে অহৰহভাৱে আৰু সুপৰি-কল্পিতভাৱে ভুৱা তথ্য দি ব্ৰিটিছ অনুসন্ধান কৰ্মীসকলক ভুল পথে পৰিচালিত কৰিছিল," (মালেচনৰ "ইণ্ডিয়ান মিউটিনি")। অমৰ সিংৰ ধৰা দিয়াৰ ইচ্ছা নাছিল।

প্ৰতিটো টিলা, প্ৰতিটো পাহাৰ আৰু প্ৰতিটো পৰ্বতত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। এটা পক্ষই যুঁজিছিল মাতৃভমিৰ স্বাধীনতাৰ মহান উদ্দেশ্য লৈ আৰু আনটো পক্ষই যুঁজিছিল উপনিৱেশৰ সীমা বঢ়োৱাৰ প্ৰলোভন পূৰণৰ হকে। ৰাজা অমৰ সিংৰ মানুহ ইজনৰ পিছত সিজন ৰণত পৰিছিল। আৰু আশা নেদেখি জগদীশপুৰৰ ৰাজপ্ৰাসাদৰ মহিলা-সকলে বন্দুকৰ আগত নিজেই বুকু পাতি দিছিল।

কিন্তু কোৱা হয় অমৰ সিঙে আকৌ এবাৰ শত্ৰুৰ চকুত ধূলি দিছিল। পিছত তেওঁৰ হ'ল কি? জীৱনৰ শেষৰ দিনবোৰ তেওঁ ক'ত পাৰ কৰিছিল? সেইটো এটা ৰহস্য! এই বিষয়ে বুৰঞ্জীও নিমাত।

অৱশ্যে ব্ৰিটিছে একে নামৰ এজন বিদ্ৰোহীক কৰায়ত্ব কৰি গোৰখপুৰত বন্দী কৰি ৰাখিছিল। কিন্তু তেওঁৰ বিচাৰ আৰম্ভ হোৱাৰ আগতেই বা তেওঁৰ পৰিচয় নিশ্চিত হোৱাৰ আগতেই এইজন বন্দীৰ মৃত্যু হৈছিল।

(এ.কে.ডি)

বিশ্বাসঘাতক

তেতিয়া ব্ৰহ্মদত্ত আছিল কাশীৰ ৰজা। তেওঁৰ ৰাজত্বকালত পাঁচশজন বেপাৰী জাহাজেৰে সাগৰেদি গৈ থাকোঁতে অকস্মাৎ ধুমুহাত পৰি তেওঁলোকৰ জাহাজখন ডুবিল। মাত্ৰ এজন বেপাৰী ৰক্ষা পৰিল, তেওঁ সাঁতুৰি সাঁতুৰি তীৰ পালেগৈ।

ৰক্ষা পোৱা বেপাৰীজনে যি ঠাইত ভৰি দিব পাৰিলে, সেই ঠাইডোখৰৰ নাম আছিল কৰম্বিয়া। তীৰত উঠি, তেওঁ ভোকত আৰু পেটৰ পোৰণিত অস্থিৰ হৈ উঠিল। তেওঁৰপৰা জাহাজ ডুব যোৱাৰ কৰুণ কাহিনী শুনি কৰম্বিয়াৰ অধিবাসীসকলে তেওঁক বহুতো কিবাকিবি দিব খোজাত তেওঁ ক'লে, "ঢেৰ বস্তু সামগ্ৰীৰে মই কি কৰিম? মোক অলপ খাদ্য আৰু বস্ত্ৰ দিলে মই কৃতাৰ্থ হ'ম।" এই বুলি কৈ, সেই দুৰ্ভগীয়া জাহাজখনৰ বেপাৰী মানুহজনে তেওঁৰ ওচৰলৈ অহা স্থানীয় মানুহখিনিক প্ৰচুৰ বস্তু সামগ্ৰী ঘূৰাই দিলে।

ইমান মূল্যৱান বস্তু সামগ্ৰী পায়ো ঘূৰাই দিয়াত কৰম্বিয়াৰ অধিবাসীসকলে কোৱাকুই কৰিলে: "মানুহজন নিশ্চয় এজন মহাপুৰুষ।" এই কথা ভাবি, অধিবাসী-সকলে বেপাৰী-জনৰ বাবে এটা কুটীৰ সাজি দিলে।

বেপাৰীজনে সেই কুটীৰতে থাকিবলৈ ধৰিলে। তেওঁক ৰাইজে শ্ৰদ্ধাৰে কৰম্বিয়া মহামুনি নামেৰে অভিহিত কৰিলে। এওঁৰ কথা সমগ্ৰ কৰম্বিয়াত প্ৰচাৰিত হৈ পৰিল। তেওঁৰ দৰ্শন লাভৰ বাবে আনকি ৰজামহাৰজাও আহিবলৈ ধৰিলে। কৰম্বিয়া মহামুনিৰ দৰ্শন-লাভৰ বাবে অহা ৰাজন্যবৰ্গৰ মাজত সৰ্পৰাজ পণ্ডৰক আৰু গৰুড় ৰাজ বোধিসত্ত্ব আছিল অন্যতম।

এদিন, গৰুড়ৰাজ বোধিসত্ত্বই এইজন মহামুনিক ক'লেহি, "হে মহামুনি, গৰুড় আৰু সৰ্পৰ মাজত অনন্তকাল ধৰি যুদ্ধ চলি আছে, এই যুদ্ধত সদায় গৰুড়হঁতৰে অধিককৈ

'জাতক-কথা'

মৰে। এতিয়া, আপোনাক মোৰ প্ৰশ্ন, কেনেকৈ যুদ্ধ কৰিলে গৰুড়হঁতে সৰ্পবিলাকক মাৰি পেলাব পাৰিব? সিহঁতক যে আমি মাৰিব নোৱাৰিছোঁ, তাৰ গুৰিত নিশ্চয় কিবা ৰহস্য বিদ্যমান। এই ৰহস্যৰ গুৰিকথা কি মোক অনুগ্ৰহ কৰি ক'বনে? এই কাৰ্যৰ ৰহস্য উন্মোচন আপোনাৰ পক্ষে অসম্ভৱনে?"

"নহয় নহয়, অসম্ভৱ নহয়।" কৰন্বিয়া মহামুনিয়ে ক'লে।

মহামুনিৰ এই উক্তি শুনি গৰুড়ৰাজ গুচি গ'ল। তেওঁ গুচি যোৱাৰ লগে লগে সৰ্পৰাজ উপস্থিত হ'লহি। কৰন্বিয়া মহামুনিয়ে সৰ্পৰাজক ক'লে, "গৰুড়হঁত হেনো তোমালোকক ছুলেই মৰে। হেতুনো কি? সিহঁতে কেনেকৈ সাপবিলাকক জব্দ কৰিব পাৰিব? ৰহস্য কি?"

এই কথাৰ উত্তৰত সৰ্পৰাজে সবিনয় ক'লে, "মহাপ্ৰভু, ইয়াৰ আঁৰত ৰহস্য এটা আছে। কিন্তু সেই ৰহস্য কৈ দিলে মই সৰ্পকুলত বিশ্বাসঘাতকৰূপে অভিহিত হ'ম আৰু তেতিয়া গৰুড়হঁতে আমাক মাৰি পেলাব।"

"মই তোমাক সুধিছোঁ, তুমি মোক ক'বা। বছ। মই যদি নিজে আনক নকওঁ আনে জানিব কেনেকৈ? মই তোমাৰপৰা সন্দেদ জানি লৈ আন কাৰোবাক নকওঁ।" মহামুনিয়ে আশ্বাস দিলে।

সৰ্পৰাজে পাছদিনা ক'ব বুলি কথা দিলে। পাছদিনা যথাৰীতি সৰ্পৰাজ আহিল; কিন্তু মহামুনিক সেই ৰহস্যৰ কথা নক'লে। এইদৰে, মহামুনিয়ে তিনিদিন ধৰি সোধাতো যেতিয়া সৰ্পৰাজে একো নক'লে, তেতিয়া ক্ষুদ্ধ মহামুনিয়ে সৰ্পৰাজক ক'লে, "মই তিনিদিন ধৰি সুধিছোঁ কথাবোৰ, কিয় কোৱা নাই?"

মহামুনিৰ কথাৰ উত্তৰত সৰ্পৰাজে ক'লে, "হে মহাপ্ৰভু, কেতিয়াবা ভুলতো যদি আপোনাৰ মুখৰপৰা কথাবোৰ ওলাই যায় তেনে আমাৰ সৰ্পকুলত মহা অথন্তৰ ঘটিব। সেই ভয়তে ক'ব পৰা নাই।"

"মই শপত খাই কৈছোঁ, আন কাৰবাক নকওঁ মই।" তেতিয়া মহামুনিক সৰ্পৰাজে এই কথা কৈ থাকিল:

"আমি শিলৰ টুকুৰাবোৰ গিলি খাই আমাৰ শৰীৰক গধুৰ কৰি পেলাওঁ। গৰুড়হঁতে যেতিয়া আমাক আক্ৰমণ কৰে, তেতিয়া আমি মুখ মেলি সিহঁতৰ বিৰুদ্ধে যুঁজি থাকোঁ, ছেগ বুজি খুটি দিওঁ। সিহঁতে তেতিয়া আমাৰ মূৰত কামুৰি ধৰি আমাক লৈ উৰি

যায়। কিন্তু শিল খাই গধুৰ হোৱা শৰীৰটোক বৰ বেছিপৰলৈ কঢ়িয়াব নোৱাৰি সিহঁত পৰিশ্ৰান্ত হৈ পৰে আৰু অৱশেষত প্ৰচণ্ড ভাগৰত সিহঁতৰ মৃত্যু হয়। সিহঁতে আমাৰ মূৰত নধৰি নেগুৰত কামুৰি ধৰে যদি-- আমাৰ মুখৰপৰা শিলৰ টুকুৰাবোৰ সৰি পৰিব, আমাৰ শৰীৰ লঘু হ'ব আৰু তেতিয়া সিহঁতেই আমাক মাৰি পেলাব পাৰিব।"

"সৰ্পৰাজে ইমান ডাঙৰ ৰহস্যৰ কথা প্ৰকাশ কৰি নিজৰ জাত আৰু কুলৰ প্ৰতি বিশ্বাসঘাতকতা কৰিলে। মই এতিয়াই তাক উচিত শিক্ষা দিমগৈ।" এই বুলি কৈ গৰুড়ৰাজ পোনে পোনেই সৰ্পৰাজ্যলৈ গৈ, সৰ্পৰাজক লৈ আকাশলৈ উৰি গ'ল নেগুৰত খামুচি ধৰি।

তলমূৰ হোৱাত সৰ্পৰাজৰ পেটত থকা শিলৰ টুকুৰাবোৰ এটা এটাকৈ সৰি পৰিল। তেতিয়া সৰ্পৰাজে নিজক কোৱাদি কৈ থাকিল: মই নিজৰ মৃত্যুক নিজেই চপাই ল'লোঁ। দুৰাত্মা মহামুনিক বিশ্বাস কৰাটো বৰ অন্যায় হ'ল।

এই কথা শুনি গৰুড়ৰজাই ক'লে, "যাক, তুমি সাধু বুলি ভাবিছিলা, সি আচলতে এটা ভণ্ড। তোমালোকৰ ৰহস্য প্ৰকাশ কৰাৰ পাছত এতিয়া খেদ কৰি আৰুনো কি লাভ? জন্মিলে মৰিব লাগে, কিন্তু মূৰ্খৰ দৰে মৰাৰ কোনো অৰ্থ নাই। পিতৃ মাতৃতকৈ শুভাকাংক্ষী কোনো নাই। তথাপি, এনেবোৰ ৰহস্যৰ কথা তেওঁলোককো কোৱা অনুচিত। বন্ধু বান্ধৱ, আনকি ৰূপৱতী পত্নীকো এনেবোৰ ৰহস্যৰ কথা কোৱা মূৰ্খতা মাথোন। ৰহস্যক

প্ৰকাশ নকৰিলেহে শত্ৰুক আঁতৰাই ৰাখিব পাৰি বা পদচ্যুত কৰিব পাৰি।"

এই কথা শুনি সৰ্পৰাজে গৰুড়ৰাজক ক'লে, "হে মহাত্মা, আপোনাৰ হিতোপদেশ মই মনে প্ৰাণে গ্ৰহণ কৰিছোঁ। ভৱিষ্যতে এনে ভ্ৰাতৃঘাতী ভুল মই কেতিয়াও নকৰো। মাতৃয়ে সন্তানৰ প্ৰতি কৰুণা কৰাদি আপুনিও মোৰ প্ৰতি কৰুণা কৰক।"

"সন্তান তিনিও প্ৰকাৰৰ। শিষ্য, পালিত আৰু গৰ্ভত ধাৰণ কৰা সন্তান। আৰু তুমি হ'লা মোৰ শিষ্য পৰ্য্যায়ৰ সন্তান। যি কি নহওক, মই তোমাক হ্বাৰু মাৰি নেপেলাওঁ।" এই বুলি কৈ, গৰুড়ৰজাই সৰ্পৰাজক ভূমিত এৰি দিলে।

তাৰ পাছত সৰ্পৰাজ গুচি গ'ল নিজ ৰাজ্যলৈ। গৰুড়ৰাজে গৰুড়হঁতক ক'লেগৈ, "সৰ্পৰাজ পণ্ডৰকৰ সৈতে বন্ধু পতালোঁ।

পিছে--মোৰ প্ৰতি তেওঁৰ সঠিক মনোভাবৰ বুজ ল'ব লাগিব।" এই বুলি কোৱাৰ পাছত গৰুড়ৰাজ নাগলোকলৈ গ'ল আৰু সৰ্পৰাজক মাতিলে। গৰুড়ৰাজৰ কণ্ঠ শুনিয়েই সৰ্পৰাজে শিল বালি আদি খাই নেগুৰ পকাই বহি ফেট তুলি ফোচফোচাবলৈ ধৰিলে।

সৰ্পৰাজৰ ফোচফোচানি শুনি গৰুড়ৰাজে ক'লে, "আমি বন্ধু পতালোঁ দেখোন, তুমিনো মোক দেখি এনেদৰে ফোচফোচাইছা কিয়?"

এই কথাৰ উত্তৰত সৰ্পৰাজে ক'লে, "বন্ধু, যাৰ বিবেক আছে তেওঁ কেতিয়াও ইমান সহজতে আনক বিশ্বাস নকৰে। বিশেষকৈ কালিও যাৰ লগত আছিল শত্ৰুতা, তাকনো মই এদিনতে বন্ধু বুলি ভাবোঁ কেনেকৈ? ইমান সৰলতাৰে মই নিজৰ বিপদ চপাই আনো কিয়?"

গৰুড়ৰাজে হাঁহি মাৰি ক'লে, "মোক তুমি মোৰেই কথা আওৱাই শুনাইছা? তোমাৰ কথাৰ তাৎপৰ্য্য নথকা নহয়। এতিয়া, আমি সেই ভণ্ড মহামুনিৰ ওচৰলৈ যাওঁ ব'লা। তেওঁ যাতে আৰু কাকো বিশ্বাসঘাটকতা কৰিব নোৱাৰে সেই কথা আমি দুয়ো লগলাগি নিশ্চিত কৰিব লাগিব।"

দুয়ো মহামুনিৰ ওচৰলৈ গ'ল। সৰ্পৰাজে মহামুনিক ক'লে, "তোমাক বিশ্বাস কৰি, শ্ৰদ্ধা কৰি আমাৰ গভীৰ ৰহস্যৰ গুপুত কথা কৈছিলোঁ। তুমি সেই কথা গৰুড়ৰাজক কৈ দিলা কিয়?"

"মই অজ্ঞানতাবশতঃ এই কাৰ্য্য কৰিলোঁ। আচলতে তোমালোকক মই সমানেই ভাল পাওঁ। পিছে--গৰুড়ৰাজৰ প্ৰতি মোৰ হয়তো অলপ অধিক দুৰ্বলতা থাকিব পায়।" মহামুনিয়ে ক'লে।

"সকলো কামনা বাসনা ত্যাগ কৰি তুমি মহামুনি হ'লা, তথাপি তোমাৰ মাজত পক্ষপাতিত্ব থাকি গ'ল। তোমাৰ এই অপৰাধৰ বাবে মই তোমালৈ অভিশাপ দিছোঁ। তৎক্ষণাৎ তোমাৰ মূৰ ফাটি সাতফাল হওক।"

সৰ্পৰাজে এই অভিসম্পাত দিয়াৰ লগে লগেই কৰন্মিয়া মহামুনিৰ মূৰ ফাটি সাতফাল হ'ল আৰু তেওঁ মহামুনি হোৱা সত্ত্বেও নৰকলৈ গমন কৰিলে।



ৰামায়ণ

সীতা ৰাক্ষস স্ত্ৰীৰদ্বাৰা পৰিৱেষ্টিত হৈ দুখমনে বহি আছিল। তেওঁ ভাবিলে ৰাৱণ অথবা ৰাক্ষস স্ত্ৰীসকলে নিৰ্দিষ্ট সময়ৰ পাছত তেওঁক নিশ্চয় বধ কৰিব আৰু তেওঁ ৰামৰ বাবে অপেক্ষা কৰি লাভ নাই। "ৰাম নাহে যদি মই জীয়াই থকাটো মিছা। ৰাক্ষসৰ হাতত প্ৰাণ দিয়াতকৈ আত্মহত্যাই শ্ৰেয়।" এইবুলি ভাবি সীতা এজোপা অশোক গছৰ তলত বহি ল'লে। আত্মহত্যা কৰিবলৈ তেওঁ চুলিত বন্ধা জৰী ডিঙিত মেৰিয়াই ল'লে।

হঠাতে তেওঁ এটা শুভ লক্ষণ দেখা পালে। সীতাই অনুভৱ কৰিলে তেওঁৰ বাঁও চকু লৰিবলৈ ধৰিছে। এনে লক্ষণ দেখা পাঁওতে আগতে তেওঁৰ শুভ হৈছিল। সেয়েহে তেওঁৰ মুখলৈ পানী আহিল।

সীতাই নিজৰ ডিঙিত মেৰিয়াই লোৱা জৰীডাল আঁতৰাই পেলালে। হনুমানে গছৰ ওপৰত উঠি একান্তমনে এই সকলোবোৰ চাই আছিল। সকলো শুনি আছিল। কিন্তু কি কৰিব তেওঁ ভাবিব নোৱাৰিলে। ৰামৰ বিষয়ে কৈ হনুমানে সীতাক ৰামৰ বাৰ্ত্তা দিয়াৰ কথা আছিল।

হনুমানে ভাবিলে, সীতাৰ সৈতে কথা নপতাকৈ ঘূৰি গ'লে সীতাই ৰামৰ বিষয়ে গমেই নাপাব আৰু ইয়াৰ পৰিণতিত তেওঁ দুখী হ'ব। হয়তো হয়তো এনে পৰিস্থিতিত আত্মহত্যাই কৰিব পাৰে। কেৱল সেয়ে নহয়, ৰামে নিশ্চয় সুধিব, সীতাই কি ক'লে? "যদি মই কঁও যে মই সীতাৰ সৈতে কথাই নাপাতিলো তেতিয়া ৰামৰ ক্ৰোধগ্নিত মই জহি যাব লাগিব, আৰু সীতাৰ লগত যদি কথাও পাতিব খোজো তেন্তে ৰাক্ষস স্ত্ৰীসকল

সুন্দৰ কাণ্ড-৪

দেখোন তেওঁৰ চাৰিওফালে বহি আছে। সংস্কৃতত কথা পাতিলে সিহঁতে বুজিব নোৱাৰিব সেইটো বাৰু ঠিক। কিন্তু সীতাই এইবুলিও ভাবিব পাৰে যে ৰাৱণেহে মায়া ধৰি আহিছে। তেওঁ ভয় খাই চিঞৰ বাখৰ কৰিলে ৰাক্ষস স্ত্ৰীসকলে অস্ত্ৰ শস্ত্ৰ লৈ মোৰ ওপৰত আক্ৰমণ কৰিব। তেওঁলোক মোৰ হাতত আহত হৈ ৰাক্ষস যোদ্ধাসকলক মতাই আনিব। ৰাক্ষসৰ লগত যুদ্ধ কৰি ভাগৰুৱা হৈ পৰিলে মই সমুদ্ৰ পাৰ হৈ ঘূৰি যাব নোৱাৰিবও পাৰো আৰু যদি মই ৰাক্ষসৰ হাতত মৰা পৰো তেন্তে সীতাক আহি ৰামৰ খবৰ দিবহি কোনে? সীতাক মোৰ কথাখিনিতো ক'বই লাগিব। কিন্তু তেওঁ যাতে মোক দেখি ভয় নাখায় তাৰ কি উপায় আছে?" হনুমানে বহুত সময়ৰ পাছত এটা উপায় ভাৰি উলিয়ালে। হনুমান পাতৰ আঁৰত এনেকৈ লুকাল যাতে সীতাই তেওঁক দেখা নাপায়। সেই অৱস্থানৰ পৰা হনুমানে এনেকৈ ক'বলৈ আৰম্ভ কৰিলে।

"দশৰথ নামৰ এজন ডাঙৰ ৰজা আছিল। তেওঁ অযোধ্যাত ৰাজত্ব কৰিছিল। চাৰিজন পুত্ৰৰ ভিতৰত তেওঁৰ বৰপুত্ৰ ৰাম দেখাত বৰ সুন্দৰ আৰু ধনুৰ্বিদ্যাত পাৰ্গত আছিল। পিতাকৰ আজ্ঞা পালন কৰি ৰাম ভায়েক আৰু পত্নী সহিতে বনলৈ আহিল। বনত তেওঁ ঋষিসকলৰ ওপৰত উপদ্ৰৱ চলোৱা খৰ আদি অনেক ৰাক্ষস নিধন কৰিলে। তাকে দেখি ৰাৱণে সোণৰ হৰিণৰ সহায় লৈ তেওঁৰ পত্নী সীতাক অপহৰণ কৰিলে। ৰামে সীতাক বিচাৰি অৰণ্য চলাথ কৰোতে সুগ্ৰীৱৰ সৈতে তেওঁৰ পৰিচয় হ'ল। সুগ্ৰীৱৰ লগত মিত্ৰতা কৰি, বালী নামৰ বানৰ ৰজাক মাৰি বালীৰ ৰাজ্য সুগ্ৰীৱক প্ৰদান কৰিলে। সেই সুগ্ৰীৱে সীতাক বিচাৰি উলিয়াবলৈ চাৰিওদিশত হাজাৰ হাজাৰ বান্দৰ প্ৰেৰণ কৰিলে। সেই চেষ্টা কৰিয়েই মই এশ যোজন দূৰত্বৰ সমুদ্ৰ অতিক্ৰম কৰি এই লংকালৈ আহিছো আৰু ৰামে দিয়া বৰ্ণনাৰ আধাৰত সীতাক দেখা পালো।" হনুমানৰ এইখিনি কথা শুনি সীতাই আশ্চৰ্য আৰু স্বাভাৱিক ভয়েৰে মূৰ উঠাই বৃক্ষৰ ওপৰলৈ চালে। তাতে তেওঁ হনুমানক দেখা পালে। সীতাই নিজৰ কাণ আৰু চকুকে বিশ্বাস কৰিব নোৱাৰিলে। তেওঁ ভাবিলে তেওঁ সপোনহে দেখিছে আৰু সপোনত বান্দৰ দেখাটো অশুভ। তেওঁ ভয় খাই উঠিল। পিছত তেওঁ গম পালে যে তেওঁ সপোন দেখা নাই। তাৰপিছত তেওঁ ভাবিলে নিশ্চয় তেওঁৰ ভ্ৰম হৈছে। তেওঁ যিহেতু সদায়

ৰামৰ কথাই ভাবি আছিছে, সেয়েহে কোনোবাই তেওঁক ৰামৰ বিষয়ে কৈছে বুলি তেওঁৰ নিশ্চয় ভ্ৰম হৈছে।

এনেতে হনুমান গছৰপৰা নামিল। তেওঁ নাতিদূৰত থিয় হৈ নমস্কাৰ কৰিলে আৰু পৰম বিনয়েৰে ক'লে, "আপুনিনো কোন, যি এনেকৈ ফটা ছিটা কাপোৰ পিন্ধি, গছৰ ডালত ধৰি থিয় হৈ আছে? আপুনি কোনটো বংশৰ আৰু আপোনাৰ গুণ কি? আপোনাক মোৰ দেৱী বুলিয়েই ধাৰণা হৈছে। আপোনাৰ পিতা কোন? স্বামী কোন? বৰ দুখত আছে নহয়? আপোনাৰ কোনোবা বন্ধুৰ মৃত্যু হৈছে নেকি? আপুনিয়েই যদি অপহৃত সীতা, তেন্তে তৎক্ষণাৎ মোক সেই কথা কওক।"

সীতাই হনুমানক দেখি ক'লে, "মই দশৰথৰ বোৱাৰী, জনকৰ দুহিতা। ৰামৰ পত্নী। মোৰ নাম সীতা। মোৰ বিয়াৰ এয়োদশ বছৰত, মোৰ স্বামীৰ ৰাজ্যাভিষেক হোৱাৰ কথা আছিল।

তেতিয়া দশৰথৰ পত্নী কৈকেয়ীয়ে ক'লে যে যদি ৰামৰ অভিষেক কৰা হয় তেতিয়া তেওঁ প্ৰাণ বিসৰ্জন দিব। তেওঁ জোৰ কৰিলে যে ৰামক যেন বনবাসলৈ পঠিওৱা হয়। পিতাকৰ কথা মানি ৰামে ৰাজ্য ঘূৰাই দিলে। তেওঁ বল্কল বস্ত্ৰ পৰিধান কৰি বনলৈ যাব খোজোতে মোক আই কৌশল্যাৰ লগত থাকিবলৈ ক'লে।

ৰামৰ অবিহনে মই থাকিব নোৱাৰো দেখি ময়ো তেওঁৰ লগতে গুচি আহিলো। মোৰ আগতেই বল্কল বস্ত্ৰ পৰিধান কৰি লক্ষ্মণ বনলৈ যাবলৈ সাজু হৈছিল। আমি দণ্ডকাৰণ্যত থাকোতে দুষ্ট ৰাৱণে মোক ইয়ালৈ অহপৰণ কৰি লৈ আহিল। সেই ৰাৱণে মোক আৰু দুমাহ জীয়াই থাকিবলৈ দিব, তাৰপাছত মোক হত্যা কৰিব।"

সীতাক দুখী দেখি হনুমানেও দুখ পালে। তেওঁ সীতাৰ দুখ কম কৰিবলৈ ক'লে, "সীতা দেৱী, মই ৰামৰ দূতৰূপে ইয়ালৈ আহিছো। ৰামে নিজৰ কুশল বাৰ্ত্তা পঠিয়াই, আপোনাৰ খা খবৰ মোক লৈ যাবলৈ কৈছে। লক্ষ্মণে তেওঁৰ সাষ্টাংগ প্ৰণিপাত প্ৰেৰণ কৰিছে।"

এই কথা শুনি সীতাৰ মন পুলকিত হৈ উঠিল, "যদি কোনোবা জীয়াই থাকে, তেন্তে এশ বছৰত কেতিয়াবা নহয় কেতিয়াবা তেওঁ আনন্দ পাবই। কোনো ব্যক্তিয়েই ইয়াৰ ব্যক্তিক্ৰম হ'ব নোৱাৰে মোৰ ক্ষেত্ৰতো সেয়ে হৈছে।" সীতাই ক'লে।

সীতাৰ তেওঁৰ ওপৰত বিশ্বাস হৈছে বুলি

ৰামৰ সৈতে তোমাৰ ঘনিষ্ঠতা হ'ল কেতিয়া? তুমি ৰাম আৰু লক্ষ্মণক জানা কেনেকৈ? নৰ আৰু বান্দৰৰ সম্বন্ধ হ'ল কেনেকৈ?" সীতাই নিজৰ সন্দেহ দূৰ কৰিবলৈ হনুমানক ইমানবোৰ প্ৰশ্ন সুধিলে। তেওঁ ভাবিলে হনুমানে যদি এইবোৰ প্ৰশ্নৰ সন্তোষজনক উত্তৰ দিব পাৰে তেন্তে তেওঁ নিশ্চয় ৰামৰ দূত হ'ব।

হনুমানে ৰামৰ গুণাৱলী বৰ্ণনা কৰিলে। সীতাৰ অপহৰণৰ পাছত ঋষ্যমূক পৰ্বতত দেখা ৰামৰ বিস্তৃত বিৱৰণ দিলে। তেওঁ ক'লে যে হনুমান তেওঁৰ নাম আৰু তেওঁ সুগ্ৰীৱৰ মন্ত্ৰী। তাৰপাছত হনুমানে ৰামৰ দুটা আঙুঠি দিলে।

হনুমানৰ ওপৰত এইবাৰ সীতাৰ বিশ্বাস হ'ল। তেওঁৰ মুখত হাঁহি বিৰিঙিল। হনুমানৰ প্ৰশংসা কৰি সীতাই ক'লে যে তেওঁ সাধাৰণ বান্দৰ নহয়, নহলেনো তেওঁ সমুদ্ৰ পাৰ হৈ লংকালৈ আহিব পাৰেনে? ৰাৱণেও তেওঁৰ একো অপকাৰ কৰিব নোৱাৰে। ৰামে সোনকালেই আহি তেওঁক উদ্ধাৰ কৰিবহি বুলি সীতাই সপোন দেখিবলৈ ধৰিলে। অযোধ্যাৰপৰা ভৰতেও এক অক্ষৌহিনী সেনা পঠিয়াব। ৰাম আৰু লক্ষ্মণে যুদ্ধত ৰাৱণ আৰু তেওঁৰ লগৰীয়াসকলক নিধন কৰিব। ৰামে তেওঁক ঘূৰাই লৈ যাবনে নাযায় সেই লৈয়ো সীতাৰ সন্দেহ হ'ল। যদি নিনিয়ে তেতিয়া তেওঁ প্ৰাণত্যাগ কৰিব বুলি ঠিক কৰিলে।

"ৰামে সদায় সীতাক মনত পেলাই থাকে। তেওঁ এতিয়া আমিষ ভোজন কৰিবলৈকে এৰি দিছে।" হনুমানে ক'লে, "তেওঁ যদি গম পায় সীতা ক'ত আছে তেন্তে

নিশ্চিত হৈ হনুমান সীতাৰ ওচৰলৈ আহিল। তথাপি সীতাই ভাবিলে যে বান্দৰৰ ৰূপত এয়া নিশ্চয় ৰাৱণেই আহিছে। সীতাই ভয় খালে যে তেওঁ যিহেতু এই বান্দৰৰ লগত আত্মীয়তাৰে কথা পাতিলে সেয়েহে ছদ্মবেশী ৰাৱণ অৰ্থাৎ এই বান্দৰ তেওঁৰ ওচৰলৈ আহিছে।

তেওঁক নমস্কাৰ কৰা হনুমানৰ মুখলৈ চোৱাৰ সাহস সীতাৰ নহ'ল। সীতাই নিজৰ বিৰক্তি প্ৰকাশ কৰি হনুমানক ক'লে, "তুমি নিশ্চয় ৰাৱণ। ছদ্মবেশত আহিছা। সৌ সিদিনা তুমি আহিছিলা সন্ন্যাসীৰ ৰূপত। উপবাস আৰু দুখৰ বাবে মই ইতিমধ্যেই কষ্টত আছো, তুমি আৰু মোক আমনি দিছা কিয়? এইটো তোমাৰ পক্ষে উচিত হোৱা নাই। যদি তুমি ৰামৰ প্ৰকৃত দূত, তেন্তে ৰামৰ গুণাৱলী বৰ্ণনা কৰা। ৰাম আৰু লক্ষ্মণৰ বিষয়ে কোৱা।

তেওঁ তৎক্ষণাৎ আহি ওলাবহি।” সীতাই হনুমানক ক'লে যে ৰাৱণে তেওঁক এবছৰৰ সময় দিছে আৰু তালৈ এতিয়া মাত্ৰ দুমাহহে বাকী আছেগৈ। সেয়েহে ৰামে তৎক্ষণাৎ আহি মোক ইয়াৰপৰা লৈ যাওকহি, অন্যথা সময়সীমা পাৰ হোৱাৰ লগে লগে তেওঁ মোক জীৱিত অৱস্থাত নাপাবহি।” হনুমানক সীতাই আৰু এটা কথা ক'লে যে লংকাতো তেওঁৰ পক্ষ ল'ব পৰা কেইজনমানো আছে। তাৰ ভিতৰত আছে বিভীষণ, তেওঁৰ পত্নী, তেওঁৰ ডাঙৰ কন্যা নলা আৰু অবিন্ধ্যা নামৰ ৰাক্ষস।

হনুমানে সীতাক আশ্বাস দি ক'লে, “এতিয়া আপুনি এক মুহূৰ্ত্তও দুখ কৰা অনুচিত। মোৰ পিঠিত উঠক। এক মুহূৰ্ত্তে সমুদ্ৰ পাৰ হৈ যাম।”

হনুমান ইমান সময়ে সৰু মানুহৰ ৰূপত আছিল, সেয়েহে সীতাই হনুমানৰ কথা বিশ্বাস কৰিব পৰা নাছিল। “মই তোমাৰ পিঠিত উঠি সমুদ্ৰ পাৰ হম কেনেকৈ? তুমি হ'লা এটা বান্দৰ।”

সীতাৰ মুখত এই কথা শুনি হনুমানে অপমান বোধ কৰিলে। তেওঁ সীতাৰপৰা কিছু দূৰলৈ গৈ নিজৰ শৰীৰ ডাঙৰ কৰি দিলে। তেওঁৰ শৰীৰৰ আকাৰ ক্ৰমাৎ বাঢ়ি আহিল, “সীতা দেৱী, কেৱল আপোনাকেই নহয়, এই সমগ্ৰ লংকাকে ইচ্ছা কৰিলে মই লৈ যাব পাৰো। আপুনি ভয় নকৰিব, মোৰ লগত ওলাওক।”

কিন্তু সীতাই আপত্তি কৰি ক'লে, “তুমি মোক তোমাৰ পিঠিত উঠাই ওলালে, আয়ুধ ৰাক্ষসে তোমাক ঘেৰি ধৰিব আৰু মই ভয়

খাই সমুদ্রত পৰি যাব পাৰো আৰু এনে হ'লে তোমাৰ বিপদ হ'ব পাৰে আৰু ৰামেও দুখ পাব। আৰু তুমি যদি সকলো ৰাক্ষসকে মাৰি পেলোৱা, তেন্তে তাৰদ্বাৰা ৰামৰহে অপযশ হ'ব। সেয়েহে ঘূৰি গৈ তুমি ৰামক মাতি অনাই উত্তম হ'ব।" সীতাই ভাবিলে হনুমানৰ মনত এই সন্দেহ হ'ব যে মই যিহেতু পৰপুৰুষ সেয়েহে তেওঁ মোক স্পৰ্শ কৰিব খোজা নাই। সেয়েহে তেওঁ হনুমানক ক'লে যে, "তুমি হয়তো ভাবিছা ৰাৱণে জানো মোক স্পৰ্শ কৰা নাই? তেতিয়া কথা বেলেগ আছিল, মই দুখীও আছিলো। মোৰ স্বামী মোৰ লগত নাছিল।"

হনুমানে এই কথা উচিত বুলি ভাবি ক'লে, "মই পৰপুৰুষ আৰু মোৰ পিঠিত উঠি যাবলৈ ভাল নোপোৱাটো আপোনাৰ পক্ষে স্বাভাৱিক। ৰামে যাতে জানিব পাৰে মই আপোনাক লগ পাইছো, তাৰ বাবে মোক এটা চিন দিয়ক।"

হনুমানে যে সীতাৰ লগত কথা পাতি গৈছে সেই কথা যাতে ৰামে গম পায় তাৰবাবে সীতাই হনুমানক এটা পুৰণি ঘটনাৰ কথা ক'লে। এই ঘটনা ঘটিছিল চিত্ৰকূট পৰ্বতত, গঙ্গাৰ পাৰত, এক ঋষিৰ আশ্ৰমত যেতিয়া ৰাম আৰু লক্ষ্মণ তাত আছিলগৈ। এদিন সীতাই তাৰ পুষ্পবনত বিহাৰ কৰি ভাগৰি পৰিল আৰু ৰামৰ কোলাত বহি পৰিল।তেতিয়া এটা কাউৰী আহি সীতাৰ বক্ষত আঘাত কৰিলে। সীতাৰ খঙ উঠি কাউৰীটো খেদি দিলে। কিন্তু কাউৰীটো আঁতৰি নগ'ল আৰু বাৰে বাৰে সীতাৰ ওচৰলৈ আহিল। কাউৰীয়ে সীতাক অশান্তি কৰাত ৰামে সীতাক উপহাস কৰিলে। তাৰপাছত ৰামে সীতাক আশ্বাস দিলে। ৰামৰ কোলাত মূৰ থৈ সীতা শুই পৰিল। সীতা উঠাৰ পাছত সীতাৰ কোলাত মূৰ থৈ ৰাম শুই পৰিল। আকৌ সেই কাউৰীটো আহিল আৰু সীতাৰ বক্ষ আঘাত কৰি তাৰ মাংস খাবলৈ ধৰিলে, ৰামৰ দেহো সীতাৰ ৰক্তেৰে সিক্ত হৈ উঠিল।

অতীষ্ঠ হৈ সীতাই ৰামক জগাই দিলে। সীতাৰ ঘা দেখি ক্ৰোধান্বিত ৰামে ক'লে, "কোন দুষ্টই তোমাৰ এই অৱস্থা কৰিলে?" ইফালে সিফালে চাই নখত তেজ লাগি থকা কাউৰীটো ৰামে দেখা পালে। ৰামে তৃণৰপৰা এক কাড় উলিয়াই ব্ৰহ্মাস্ত্ৰ মন্ত্ৰ পাঠ কৰিলে। সেই অস্ত্ৰ প্ৰলয়াগ্নিৰ দৰে কাউৰীটোৰ ফালে আগবাঢ়ি গ'ল।



পৰিৱৰ্ত্তন

অৱন্তী ৰাজ্যত বিনোদ নামৰ এজন যুৱকে ৰাজসভাৰ এজন তলতীয়া কৰ্মচাৰীৰ পদত নিযুক্তি লাভ কৰিছিল। ৰাজসভাত চাকৰি কৰি থাকোতেই মৃত্যু হোৱা পিতাকৰ ঠাইতেওঁ এই চাকৰি লাভ কৰিছিল। বহুত দিনলৈকে বিনোদে বিয়া কৰোৱা নাছিল কিয়নো তেওঁ ডাঙৰ চাকৰি লৈ নিজৰ পত্নীক ডাঙৰ মানুহ বুলি দেখুৱাব খুজিছিল।

কিন্তু নিজৰ মাকে জোৰ দি ধৰাৰ বাবে বিনোদে শেষত এজন দৰিদ্ৰ কৃষকৰ পত্নী চন্দ্ৰাক বিয়া কৰালে। চন্দ্ৰা সুন্দৰ আৰু সুশীল আছিল। চন্দ্ৰাই স্বামী আৰু ওচৰৰ সকলো মানুহৰ সৈতে বৰ আদৰ ব্যৱহাৰ কৰিছিল। নিজৰ শাহুআইকো তেওঁ শ্ৰদ্ধা কৰিছিল।

পিছে পত্নীৰ আগত নিজকে ডাঙৰ মানুহ বুলি দেখুৱাবলৈ খুব ধন খৰচ কৰাত তেওঁ ডিঙিলৈকে ধাৰত পোত গৈছিল।

চন্দ্ৰাই নিজৰ স্বামীৰ উপাৰ্জনৰ কথা খুব ভালকৈ জানিছিল, কিন্তু নিজৰ স্বামীক কেতিয়াও কোৱা নাছিল যে আমি আঢ্যৱন্ত নহয়, অৱশ্যে অনাৱশ্যকীয় খৰচ কম কৰিবলৈ তেওঁ স্বামীক উপদেশ দিছিল।

বিনোদে আনৰ উপদেশ মুঠেই সহ্য কৰিব পৰা নাছিল। সেয়েহে তেওঁ পত্নীক কৈছিল, "আমি কৃপণালি কৰাৰ কি প্ৰয়োজন আছে? নিজৰ পদমৰ্যাদা অনুসৰি খৰচ কৰিবই লাগিব।"

যেতিয়া ঋণদাতাসকলে ধন খুজি তেওঁক আমনি কৰিবলৈ ধৰিলে তেতিয়া বিনোদে এটা ভাল চাকৰি পাবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ সফলকাম নহ'ল। এবাৰ বিনোদৰ মোমায়েক নিজৰ বায়েক আৰু ভাগিনক চাবলৈ আহিল। তেওঁ ৰাজসভাৰ ডাঙৰ পদবীধাৰী আছিল। বিনোদে ভাবিলে মোমায়েকে ইচ্ছা কৰিলে তেওঁক ডাঙৰ চাকৰি দিব পাৰে। সেয়েহে মোমায়েকক নিজৰ সমস্যাৰ কথা ক'লে।

বিনোদৰ মুখত এই কথা শুনি মোমায়েক

২৫ বছৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী



আচৰিত হ'ল। কিয়নো বিনোদৰ চাকৰিটো একো বেয়া নাছিল। চাকৰিটো বিনোদৰ যোগ্যততকৈ বহুত ওপৰত আছিল। ইয়াৰ বাহিৰেও, বিনোদৰ উপাৰ্জন পৰিয়ালটোৰ খৰচৰ বাবে পৰ্যাপ্ত আছিল। সেইখিনি ধন তেওঁ অলপ অচৰপ সাঁচিবও পাৰে। তাতে, ভাল কাম দেখুৱালে বিনোদৰ ভৱিষ্যতে পদোন্নতি হোৱাৰো আশা আছে।

এই সকলো কথা জনা মোমায়েকে ভাগিনৰ এই মূৰ্খামিৰ কথা শুনি খঙতে ক'লে, "চা বিনোদ! সবাতোকৈ প্ৰথমে নিজৰ চাকৰিটোৰ প্ৰতি তোৰ আদৰ আৰু বিশ্বাস থাকিব লাগে। তেতিয়াহে তই সেই চাকৰিত উন্নতি কৰিব পাৰিবি। উচ্চ পদাধিকাৰীয়ে তোৰ প্ৰতিভাৰ ইমান পালেই তোৰ উন্নতি হ'ব। সেয়েহে তই নিজৰ উপাৰ্জনত সন্তুষ্ট হোৱা উচিত।"

বিনোদে মোমায়েকৰ কথা ভাল নাপালে। বিনোদে ভুল বুজিলে মোমায়েকে গা এৰিব খুজিছে। বিনোদৰ মনৰ কথা মোমায়েকে গম পালে। তেওঁ সুধিলে, "শুন বোপাই, কচোন তোকনো কেনেকুৱা চাকৰি লাগে?"

বিনোদে মনতে এটা নতুন স্ফূৰ্তি অনুভৱ কৰিলে। তেওঁ ক'লে, "যদি মই কোষাধ্যক্ষ বা মণ্ডল বিষয়াৰ পদ পাওঁ তেন্তে পদমৰ্যাদাৰ লগতে মোৰ ভাল উপাৰ্জনো হ'ব।"

ভাগিনিয়েকৰ এই উচ্চাকাংখ্যা দেখি মোমায়েকৰ হাঁহিও উঠিল আৰু তেওঁ ক্ৰোধান্বিত হ'ল। তেওঁ ক'লে, "বৰ ভাল কথা! কোষাধ্যক্ষ মোৰ চিনাকি মানুহ। কালি তুমি মোৰ লগত ওলোৱা, মই তেওঁৰ দ্বাৰা তোমাক এটা ভাল চাকৰি দিয়াবলৈ যত্ন কৰিম।"

পিছদিনা বিনোদ নিজৰ মোমায়েকৰ লগত ৰাজধানীলৈ গৈ কোষাধ্যক্ষৰ ঘৰ পালেগৈ। কোষাধ্যক্ষৰ সৈতে একান্তভাৱে কথা পতাৰ পাছত মোমায়েকে তেওঁৰ সৈতে বিনোদক পৰিচয় কৰোৱাই দিলে।

কোষাধ্যক্ষই বিনোদক ভৰিৰপৰা মূৰলৈকে চালে, তেওঁৰ চাকৰিৰ কথা জানি ল'লে আৰু তাৰপাছত ক'লে, "তোমাৰ চিন্তাধাৰা ভালেই, কিন্তু তুমি যেনেকৈ ভাবিছা, কোষাধ্যক্ষৰ পদ ইমান সুখদায়ক নহয়। ই হ'ল তৰোৱালৰ ধাৰ। ইয়াৰ সম্বন্ধ আছে ধনৰ সৈতে, অলপ হেৰফেৰ হলেই দণ্ড ভোগ কৰিব লাগিব। এই পদ চম্ভালিবলৈ বুদ্ধিমত্তাৰ লগত সাহস আৰু অভিজ্ঞতাৰো প্ৰয়োজন আছে।

কিন্তু বিনোদে কথাখিনি ভাল নাপালে। কোষাধ্যক্ষই আকৌ ক'লে, "কোষাধ্যক্ষৰ

এই পদ মই হঠাতে পোৱা নাই। এই পদলৈ অহাৰ আগতে মই ৰাজসভাত ঘন্টা বজাই-ছিলো, তাৰপাছত দ্বাৰপাল হ'লো আৰু তাৰপাছত দুৰ্গত প্ৰহৰী হিচাপে নিযুক্ত হ'লো। তাৰ পাছতহে কোষাগাৰৰ ৰক্ষক হ'লো। ৰজাই বহুতবাৰ মোৰ কঠিন পৰীক্ষা ল'লে, তাত সফল হোৱাৰ পাছতহে তেওঁ মোক এই পদ দিছিল। বহুতো খটখটী পাৰ হৈ আহিহে মই ওপৰ মহলালৈ আহিব পাৰিছো।"

বিনোদে এই গোটেইবোৰ কথা অপ্ৰয়োজ-নীয় বুলি ভাবিলে। তেওঁৰ মুখৰ সলনি হোৱা ৰঙ মোমায়েকে মন কৰি আছিল। তাৰপাছত কোষাধ্যক্ষৰপৰা বিদায় লৈ দুয়ো তাৰপৰা গ'লগৈ।

মোমায়েকে বিনোদক বুজালে, "বোপাই, তেওঁৰ কথাত গুৰুত্ব নিদিবা। মণ্ডল বিষয়াও মোৰ বন্ধু। তেওঁকো আমি লগ ধৰো নেকি? এই কথা শুনাৰ পাছত বিনোদৰ মনত পুনৰ আশা জাগিল। অলপ দূৰ যোৱাৰ পাছত ৰাস্তাত তেওঁলোকে দহজন যুৱক লগ পালে। বিনোদৰ মোমায়েকে তেওঁলোকক সুধিলে, "বোপাহঁত তোমালোক ক'লৈ যোৱা?"

তাৰে এজনে ক'লে, "আমি বেকাৰ শিক্ষিত। আমাৰ বুদ্ধিমত্তা আৰু শিক্ষা আমাৰ পেট ভৰোৱাৰ যতন হৈ নুঠিল। ৰাজধানীতেই যেতিয়া আমাৰ শিক্ষাই মৰ্যাদা নাপালে তেতিয়া আমি তাতনো থাকো কিয়? সেয়েহে গাঁৱলৈ গৈ আমি খেতি বাতি কৰি নিজৰ পেট ভৰাব খুজিছো।

এই বুলি কৈ যুৱকৰ দলটো আগবাঢ়ি গ'ল। এইবোৰ কথা শুনাৰ পাছত বিনোদৰ মনত হঠাতে কিছু পৰিৱৰ্ত্তন আহিল। তেওঁৰ সমুদায় ভ্ৰম দূৰ হ'ল।

মোমায়েকে ক'লে, "বিনোদ আমি মণ্ডল বিষয়াৰ ঘৰৰ সমীপ পাইছোহি। ব'লা আমি তেওঁক লগ ধৰোগৈ।"

"মামা, এতিয়া কাকো লগ ধৰাৰ প্ৰয়োজন নাই, নিজৰ চাকৰিতে মই সন্তুষ্ট। আপোনাৰ পৰামৰ্শ মতে সততাৰে আৰু পৰিশ্ৰম কৰি মই উচ্চ পদ পাবলৈ চেষ্টা কৰিম। মই অনাহকতে আপোনাক কষ্ট দিলো। মোক ক্ষমা কৰক, বিনোদে ক'লে।

বিনোদৰ কথা শুনি মোমায়েক বহুত আনন্দিত হ'ল।



পাট্টাডাক্কাল

কৰ্ণাটকৰ বিজাপুৰ জিলা ৫৪৩ ৰপৰা ৭৫৭ খ্ৰীষ্টাব্দলৈ দুটা শতিকা জুৰি চালুক্য সাম্ৰাজ্যৰ অংশ আছিল। তেওঁলোকে বাডামিৰপৰা ৰাজত্ব কৰিছিল। কিছু সময়লৈ ই পল্লৱসকলৰ অধীনস্থ আছিল। ৰজা বিক্ৰমাদিত্যই তেওঁলোকক পৰাভূত কৰিছিল। এখন নতুন ৰাজধানী প্ৰতিষ্ঠিত হৈছিল। ইয়াৰ নাম ৰখা হৈছিল পাট্টাডাক্কাল। পাট্টাডা (মহানগৰী) আৰু কিছুভ'লাল (ৰুবীৰ মুকুট) শব্দ দুটাৰপৰা এই শব্দটো উদ্ভুত।

চালুক্যসকলে কলা আৰু শিল্পৰ মহান পৃষ্ঠপোষক আছিল। তেওঁলোকৰ স্থাপত্য শিলৰপৰা কটা মাধ্যমতকৈ গাঁথনিগত ৰেখা, নাগাৰা, প্ৰসাদা আৰু বিমানা আৰ্হিৰ সংমিশ্ৰণ আছিল। ইয়াৰে শেহৰটো আছিল দাক্ষিণাত্যৰ বিশুদ্ধ আৰ্হি। নাগাৰা হ'ল উত্তৰৰ ইণ্ডো আৰ্য আৰ্হি।

বাডামিৰপৰা ২২ কিলোমিটাৰ দূৰত থকা পাট্টাডাক্কালত আছে দহটা মন্দিৰ। ইয়াৰে বেছিভাগ শিৱৰ নামত উৎসৰ্গীত। ইয়াৰে শ্ৰেষ্ঠতম হ'ল ৰজা দ্বিতীয় বিক্ৰমাদিত্যৰ পত্নী ৰাণী লোকমহাদেৱীয়ে নিৰ্মাণ কৰা বিৰূপাক্ষ মন্দিৰ। নটৰাজ, উগ্ৰনৰসিংহ আৰু লিংগভৱ আদি ভাস্কৰ্য ইয়াত দেখা যায়। এই মন্দিৰৰ আৰ্হিতেই ৰাষ্ট্ৰকূট বংশৰ ৰজাসকলে ইলোৰাত কৈলাশনাথ মন্দিৰ নিৰ্মাণ কৰিছিল। বিক্ৰমাদিত্যৰ আন এগৰাকী পত্নী ত্ৰিলোক্যমহাদেৱীয়ে নিৰ্মাণ কৰা মালিকাৰ্জুন মন্দিৰ এই বিৰূপাক্ষ মন্দিৰৰেই ক্ষুদ্ৰ সংস্কৰণ আছিল। গল্পনাথ মন্দিৰত আছে অন্ধকাসুৰক বধ কৰা অৱস্থাত প্ৰভু শিৱৰ ভাস্কৰ্য। কাড়াসিদ্ধেশ্বৰ মন্দিৰত আছে হাতত ত্ৰিশূল লৈ থকা শিৱৰ ভাস্কৰ্য। এই মন্দিৰটো আৰু জাম্বুলিংগ যিটো আৰ্হি দেখা যায় আইহলৰ মন্দিৰবোৰত। নাগাৰা আৰ্হিত নিৰ্মাণ আৰম্ভ হোৱা পাপনাথ মন্দিৰটো পিছত দাক্ষিণাত্য আৰ্হিলৈ পৰিৱৰ্তন কৰা হয়। এই মন্দিৰটো ৰামায়ণ আৰু মহাভাৰতৰ ঘটনাৱলীৰ আধাৰত নিৰ্মিত অনুপম ভাস্কৰ্যৰ বাবে বিখ্যাত।

১৯৮৭ চনত পাট্টাডাক্কালিৰ এই মন্দিৰবোৰক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ লোৱা সিদ্ধান্তৰ সময়ত ইউনেস্কʼই এই মন্দিৰবোৰত দেখা পোৱা উত্তৰভাৰত আৰু দক্ষিণ ভাৰতৰ স্থাপত্য আৰ্হিৰ অপূৰ্ব সংমিশ্ৰণৰ কথা বিশেষভাৱে উল্লেখ কৰে।

চিত্ৰ : গান্ধী অয্যা 30
অপৰাজেয় গৰুড়
নবেন্দ্ৰদেৱ অগ্নিকুণ্ডৰ পৰা বাহিৰলৈ ওলাই আহিব নোৱাৰে। বিশাল চিলনীয়ে আপ্ত পুৰুষক পাহাৰীয়া উপত্যকাত পেলাই দিয়ে। আদিবাসীসকলৰ হাতত ৰবীন্দ্ৰদেৱ ধৰা পৰে। বিক্ৰমসিংহক সূৰ্যপুৰীৰ সৈনিকে বন্দী কৰে। দুষ্টৰ বিনাশৰ পাছত আদিত্য চন্দ্ৰপুৰী অভিমুখে ৰাওনা হয়।
আদিত্য যেতিয়া চন্দ্ৰপুৰীৰ সীমাত উপস্থিত হয়...
ৰামসিংহ, কি খবৰ আনিছা?
আমাৰ ৰজা ৰাজকুমাৰী অৰুণাৰ লগত মন্দিৰলৈ গৈছে। তেওঁ আপোনাক তালৈকে মাতিছে।
সূৰ্যপুৰীৰ সৈনিকে ৰবীন্দ্ৰদেৱক লৈ আনিছে।
ৰজাই ইচ্ছা কৰিছে ৰাজদ্ৰোহৰ বাবে তেওঁক প্ৰাণদণ্ড দিয়া যাওক।
তেওঁক তুমি কৈ দিয়া, এয়া ৰজাৰ আজ্ঞা।
ৰবীন্দ্ৰদেৱক চন্দ্ৰপুৰীৰ সৈনিকসকলৰ হাতত গতাই দিয়া হয়।
তেওঁ দয়াৰ পাত্ৰ নহয়।
আদিত্য ধীৰসেনৰ শিবিৰত প্ৰৱেশ কৰে।
আহ! ৰাজকুমাৰ ঘূৰি আহিল।
ৰাজকুমাৰ, আমি পুষ্পৰাজক বন্দী কৰিছো।
বিক্ৰমসিংহই আত্মসমৰ্পণ কৰিব খুজিছে।

আমি তেতিয়া ঘেৰি থকা কাম বন্ধ কৰিব পাৰিম। পুষ্পৰাজক কি কৰা যায়?
কেইজনমান সৈনিকৰ অধীনত পুষ্পৰাজক ইয়াতে এৰি দিয়া।
ধীৰসেন সূৰ্যপুৰী অভিমুখে ৰাওনা হয়।
তেওঁ ৰজা ৰবীন্দ্ৰদেৱক লগ ধৰে।
ঘেৰি ধৰা বন্ধ কৰা হৈছে।
মহেন্দ্ৰদেৱে প্ৰতিষ্ঠাপনৰ বাবে মোক মাতিছে।
ৰাজগুৰুৱে আদিত্যক স্বাগতম জনায়।
মহেন্দ্ৰদেৱ আৰু অৰুণা তোমাৰ প্ৰতীক্ষাতে আছে।
আমি গৈ তেওঁক লগ ধৰিম।
শিবিৰ স্থানত...
আপুনি ঘূৰি অহাত মই সুখী হৈছো।
মই আপোনাক ৰাজধানীক লগ পাম বুলি ভাবি আছিলো।
মন্দিৰ প্ৰতিষ্ঠাপনৰ বাবে সাজু। তোমাৰ ৰাজ্যাভিষেক আৰু পিছুৱাই দিব নোৱাৰি।
ৰাজ্যাভিষেকৰ বাবে অলপ ৰ'ব পৰা নাযায়নে।
ৰামসিংহ মন্দিৰলৈ আহে।
বিক্ৰমসিংহ আহিছে। তেওঁ আপোনাৰ ওচৰত আত্মসমৰ্পণ কৰিব খোজে।
ৰামসিংহ, যোৱা তেওঁক ইয়ালৈ লৈ আঁহাগৈ।
ৰাজকুমাৰ আদিত্য।
আমাৰ ৰক্ষক।
চন্দ্ৰপুৰীৰ বন্ধুসকল, আপোনালোকে ৰজাৰ কথা শুনক।
বিক্ৰমসিংহক লগত লৈ অহা আদিবাসীসকলৰ চিঞৰ শুনি সকলো বাহিৰলৈ আহে।

তোমালোক সকলো আমাৰ প্ৰজা। নিজৰ মানুহবোৰক কৈ দিয়া আমাৰ ভাল দিন আহি আছে।
স্বাগতম বিক্ৰমসিংহ! আমি সদায় আপোনাক বন্ধু বুলি ভাবিছিলো, কিন্তু আপুনি আমাৰ শত্ৰুৰ লগত মৈত্ৰী কৰিলে।
মই ক্ষমা খুজিছোঁ। মই মোৰ ৰাজ্য চন্দ্ৰপুৰীক সমৰ্পিত কৰিছো।
আমি বিচাৰিছো আপুনি আমাৰ হৈ বজ্ৰপুৰী শাসন কৰক।
সূৰ্যপুৰীৰ ৰজা ৰাঘৱেন্দ্ৰ আহে।
মই চন্দ্ৰপুৰীৰ সৈতে সূৰ্যপুৰীৰ মিলন ঘোষণা কৰিছো।
বজ্ৰপুৰীৰ সমৰ্পণৰ পাছত মোৰ মতে চন্দ্ৰপুৰী সাম্ৰাজ্য হ'ল।
আমাৰ একতা জিন্দাবাদ।
তিনিজন ৰজাৰ উপস্থিতিত মন্দিৰত প্ৰতিষ্ঠাপন সম্পূৰ্ণ হয়।
পাছত...
এতিয়া ৰাজ্যাভিষেকৰ বাবে সাজু হোৱা।
আপোনাৰ যি আজ্ঞা মহাৰাজ।
আদিত্য আৰু অৰুণা মন্দিৰত প্ৰৱেশ কৰিবলৈ লয়। হঠাতে...
অৰুণা, সৌৱা চোঁৱা, প্ৰভুৱে আগতেই তেওঁৰ বাৰ্তাবাহকক পঠিয়াই দিছে।
এইটো শুভ
নহয়নে? আমি যাওঁ,
প্ৰাৰ্থনা কৰোগৈ।

গৰুড়ৰ মন্দিৰৰ ভিতৰত বহি থকা আদিত্য আৰু অৰুণাই ঘন্টাধ্বনি শুনিবলৈ পায়। তেওঁলোক নাৰায়ণ মন্দিৰলৈ যায়।
ৰাজগুৰুৱে প্ৰভুৰ আশীৰ্বাদ আগবঢ়ায়।
চন্দ্ৰপুৰী ৰক্ষাৰ বাবে প্ৰভুৱে তোমাক শক্তি দিয়ক।
আদিত্য, আজিৰপৰা তুমি যুৱৰাজ।
দীৰ্ঘজীৱি হোৱা তথা বুদ্ধিমত্তা আৰু ন্যায়েৰে ৰাজত্ব কৰা।
ৰাজগুৰুৱে আদিত্য আৰু অৰুণাক আশীৰ্বাদ দিয়ে।
মোৰ প্ৰাৰ্থনা, ভৱিষ্যতেও যেন আমাৰ ৰাজগুৰু হৈ থাকে।
মোৰ একমাত্ৰ কামনা গৰুড় ভগৱানৰ আশীৰ্বাদ মই যেন পাই থাকো।
চিলনী মন্দিৰৰ ওপৰেদি ঘূৰি থাকে আৰু গৰুড় মন্দিৰৰ ভিতৰেদি উৰি অদৃশ্য হৈ পৰে।
হে প্ৰভু গৰুড়! অনুগ্ৰহ কৰি চন্দ্ৰপুৰী আৰু তাৰ প্ৰজাক সদায় ৰক্ষা কৰি থাকক।
আদিত্য আৰু অৰুণা বাহিৰলৈ আহে।
সমাপ্ত

চান্দমামা কুইজ-৮

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by
Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টিয়ে আনি দিব নগদ *২৫০ টকাৰ পুৰস্কাৰ।

এই মাহৰ বিষয় হৈছে ভাৰতৰ কলা আৰু স্থাপত্য।

*আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি এটাতকৈ বেছি হ'লে সফল অংশগ্ৰহণকাৰীসকলৰ প্ৰত্যেকেই পাব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা কুইজ-৮;** ৪.৩০ চেপ্তেম্বৰ ২০০৮ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব নৱেম্বৰ, ২০০৮ সংখ্যাত।

১. ক'ত পাহাৰী স্কুল অৱ পেইন্টিঙে খ্যাতিৰ উচ্চ শিখৰ পাইছিল?
২. পৌৰাণিক বিষয়বস্তুৰ ওপৰত আঁকা চিত্ৰৰ বাবে বিখ্যাত দক্ষিণ ভাৰতীয় চিত্ৰশিল্পীজনৰ নাম কি?
৩. ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু অমৃতা শ্বেৰ গিলৰ উমৈহতীয়া বৈশিষ্ট্যটো কি?
৪. নেছনেল গেলাৰী অৱ মডাৰ্ন আৰ্ট ক'ত আছে? কোন চনত ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল।
৫. বিখ্যাত "ত্ৰিমূৰ্ত্তি" ভাস্কৰ্য ক'ত আছে?
৬. মহাবলীপুৰমৰ উপকূলীয় মন্দিৰবোৰ কোনটো ৰাজবংশই নিৰ্মাণ কৰিছিল?
৭. আধুনিক মহানগৰী চণ্ডীগড়ৰ আৰ্হি কোনে প্ৰস্তুত কৰিছিল?
৮. বিখ্যাত বুলাণ্ড দৰৱাজা ক'ত আছে? কোনে ইয়াক নিৰ্মাণ কৰিছিল?

বাতৰিৰ শিৰোনামাত শিশু

আন এটা ভাৰতীয় সফলতা

এই বছৰ নেছনেল জিঅ'গ্ৰাফিকাৰ বী এৱাৰ্ড লাভ কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেব্ৰাস্কাৰ এখন পাব্লিক স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ১১ বছৰীয়া অক্ষয় ৰাজগোপালে। তেওঁৰ পুৰস্কাৰ নিশ্চিত কৰা প্ৰশ্নটো আছিল: "কচ্চাবাম্বা ক'ত আছে?" আৰু ভাৰতৰ বাংগালোৰৰপৰা অহা ভাৰতীয় অভিভাৱকৰ পুত্ৰ অক্ষয়ে উত্তৰ দিলে বলিভিয়া। পুৰস্কাৰৰ ধন হিচাপে তেওঁ ২৫০০০ মাৰ্কিন ডলাৰ লাভ কৰে। যোৱা ২১ মেইত ৱাশ্বিংটনত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। নেছনেল জিঅ'গ্ৰাফিক বীত এইটোৱেই তেওঁৰ প্ৰথম প্ৰয়াস আছিল। অভাৱনীয় স্মৰণ শক্তিৰ অধিকাৰী অক্ষয়ে ৫ বছৰ বয়সতে বিশ্বৰ ১৯০খন দেশৰ ৰাজধানীৰ নাম ক'ব পাৰিছিল। সেই সময়ত পৰিয়ালটো আছিল মালয়েছিয়াত।

কলম্বোৰপৰা ঘূৰি আহিল এজন চেম্পিয়ন

তামিলনাডুৰ দূৰণিবটীয়া ভাডালুৰ পঞ্চায়তৰ বাসিন্দা ১১ বছৰীয়া ভি.আনন্দে শ্ৰীলংকাৰ ৰাজধানী কলম্বোত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ছিপ এবাকাচ, ব্ৰেইন জিম, মেন্টেল এণ্ড এৰিথমেটিক প্ৰতিযোগিতাত যোগদান কৰি প্ৰতিযোগিতাৰ সপ্তম পৰ্যায়ত চেম্পিয়নৰ খিতাপ লাভ কৰে। মেট্ৰিকুলেছন হায়াৰ চেকেণ্ডেৰী স্কুল, নেইভেলিৰ সপ্তম শ্ৰেণীৰ এই ছাত্ৰজনে জ্ঞান আৰু প্ৰজ্ঞাত আঢ্যৱন্ত তথা নগৰীয়া পৰিয়ালৰপৰা অহা ছাত্ৰ ছাত্ৰীৰ লগত সমানে ফেৰ মাৰে।

চান্দমামা কুইজ-৬ জুলাই ২০০৮:

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৰিষ্টিত আটাইবোৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠকসকলৰ সুবিধাৰ্থে কুইজ-৬ৰ উত্তৰবোৰ দিয়া হৈছে ৪৭ পৃষ্ঠাত। চান্দমামা কুইজ প্ৰতিযোগতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

জানো আহাঁ নানা কথা

তোমাৰ পৰিৱেশ

মাছেও ভাল পায় সংগীত



স্বাস্থ্য ভালে নথকা মানুহৰ ওপৰত সংগীতৰ প্ৰভাৱ সম্পৰ্কে ভালেমান পৰীক্ষা নিৰীক্ষা চলোৱা হৈছে। সংগীতৰ ৰোগ নিৰাময় প্ৰভাৱ লৈ গুৰুত্বসহকাৰে সমগ্ৰ পৃথিৱীতে অধ্যয়ন চলিছে। তামিলনাডুৰ টুটিক'ৰিনৰ তিনিজন বিজ্ঞানীয়ে মাছৰ ওপৰত সংগীতৰ প্ৰভাৱ সম্পৰ্কে এটা অধ্যয়ন চলাইছিল। সংগীত শুনিবলৈ মাছে ব্যৱহাৰত পৰিৱৰ্ত্তন অনাটো লক্ষ্য কৰা হৈছিল। তেওঁলোকে দুটা টেংক ব্যৱহাৰ কৰিছিল; তাৰে এটাত এটা স্পীকাৰ ৰাখি সেইটো এটা কেচেট প্লেয়াৰৰ সৈতে সংলগ্ন কৰা হৈছিল। সংগীত আৰম্ভ হোৱাৰ পাছত, টেংকত থকা মাছবোৰ স্পীকাৰৰ ওচৰলৈ আহি বৈ থকা দেখা গৈছিল। সেইসময়ত সিহঁতে উলম্বভাৱে সমান্য লৰচৰহে কৰিছিল। আপাততঃ সংগীতে মাছ সোনকালে ডাঙৰ হোৱোতো সহায় কৰে। বিজ্ঞানীসকলে এই সিদ্ধান্তলৈ আহিছিল যে মীনপালনত সংগীতৰ ব্যৱহাৰ বৰ কামত অহা ধৰণৰ হ'ব পাৰে।

বিজ্ঞানৰ কত কথা

এটা বিশেষ কাৰণ

কেতিয়াবা ভাবিছানে, দূৰৰ কাৰোবাক চিঞৰ মাৰোতে আমি মুখৰ দুয়োফালে হাতৰ তলুৱাৰে এখন বেৰ গঢ়ি লওঁ কিয়? ইয়াৰ এটা বিশেষ কাৰণ আছে। শব্দ তৰংগ আৰু আমাৰ শ্ৰৱণৰ লগত ইয়াৰ সম্পৰ্ক আছে। আমি যেতিয়া কথা কওঁ, আমাৰ কণ্ঠ নলীৰ কম্পন হয়, ইয়াৰ ফলত সৃষ্টি হোৱা শব্দ তৰংগ মুখেদি ওলাই বায়ুৰ মাজেদি সকলো দিশেদি অগ্ৰসৰ হয়। এইদৰে আমি সৃষ্টি কৰা শব্দ পুখুৰীৰ ঢৌৰ দৰে কেউফালে বিয়পি পৰে। শব্দ তৰংগ বায়ুৰ মাজেদি গৈ শ্ৰোতাৰ কাণত আঘাত কৰেগৈ। তেতিয়াই আমাৰ চিঞৰ তেওঁ শুনিবলৈ পায়। অৱশ্যে শব্দ তৰংগ সকলো দিশতে অগ্ৰসৰ হ'লে, দূৰত থিয় হৈ থকা এজন মানুহে সেই শব্দ স্পষ্টকৈ শুনিব নোৱাৰে কিয়নো তেতিয়া শব্দ তৰংগৰ শক্তিও কেউফালে বিয়পি যায়।

কিন্তু মুখৰ দুদাঁতিত হাতত তলুৱাৰ বেৰ দিলে শব্দ তৰংগ এটা দিশতহে আগবাঢ়ি যায়। ইয়াৰ ফলত শব্দ তৰংগৰ প্ৰাবল্য হ্ৰাস নহয়।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

B. HARSHAVARDHANA

B. HARSHAVARDHANA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, জে ভি এল প্লাজা, ষষ্ঠ মহলা,
৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮.

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
পুৰস্কাৰ পাওঁতা জনৰ নাম নৱেম্বৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

জুলাই সংখ্যাৰ পুৰস্কাৰ বিজেতা

চুইট বৰ্মণ
মাৰফৎঃ দিলীপ বৰ্মণ
অনুসূয়া এপাৰ্টমেন্টচ্
লংকেশ্বৰ, জালুকবাৰী
গুৱাহাটী-৭৮১০১৪

বিজয়ী প্ৰৱিষ্টি



স্বাধীন মন স্বাধীন সত্ত্বা।
প্ৰেম দয়া বুদ্ধিমত্তা।।

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ :

১.সূৰ্য; ২.ঋষি সন্দিপনী; ৩.শিৱ;
৪.অহল্যা, দ্ৰৌপদী, সীতা, তাৰা আৰু মন্দোদৰী;
৫.পতঞ্জলী; ৬.অশ্বিনী কুমাৰ; ৭.শংখ, চক্ৰ, গদা, পদ্ম; ৮.সূৰ্য।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

VALOUR & ADVENTURE
HUMOUR & MYSTERY
MORALS & HEROES

Enthralling stories of six decades come together
in one incomparable collection

The Chandamama
60th Anniversary Collector's Edition
HARD COVER
Cover Price : Rs 449

CHANDAMAMA
COLLECTOR'S EDITION

Take a trip down memory lane with the magazine's oldest editors, discover the beginnings of Chandamama and view some of the most memorable cover art across the decades.

Subscribers must fill in the order form below to avail of special discount.

I want a copy of the Chandamama Collector's Edition.

Name.. Subscriber No ....

Address..

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees (in words) ....

Cheque/DD no .... Favouring **Chandamama India Ltd**

on ....bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com
Web: www.chandamama.com *This offer is valid until June 30, 2008 only. Allow 3 weeks for delivery.

CHANDAMAMA (Assamese) September 2008 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08